# PART-1

# ৫০৮

গোট ঃ ১ কলা আৰু কলাশিক্ষাৰ ধাৰণা (তত্ত্ব)

**গাঁথনি**

১.০ অৱতাৰণা/আৰম্ভণি
১.১ শিক্ষণ উদ্দেশ্য
১.২ কলা শিক্ষাৰ অৰ্থ আৰু ধাৰণা
(ক) চাক্ষুষ কলা, (খ) প্ৰদৰ্শনমূলক কলা আৰু বিদ্যালয় শিক্ষাৰ প্ৰাথমিক পৰ্যায়ত ইয়াৰ গুৰুত্ব।
১.২.১ কলা শিক্ষা মানে কি?
১.২.২ চাক্ষুষ কলা মানে কি?
১.২.৩ প্ৰদৰ্শনমূলক/পৰিবেশ্য কলা মানে কি?
১.২.৪ কলা শিক্ষাৰ প্ৰকৃতি আৰু পৰিসৰ।
১.৩ প্ৰাথমিক পৰ্য্যায়ত কলা শিক্ষাৰ গুৰুত্ব।
১.৩.১ চাক্ষুষ কলাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব।
১.৩.২ প্ৰদৰ্শনমূলক/পৰিবেশ্য কলাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব
১.৫.২.১. নৃত্যৰ ক্ষেত্ৰ/পৃথিৱী
১.৩.২.২ নাটকৰ ক্ষেত্ৰ/পৃথিৱী
১.৩.২.৩ সংগীতৰ ক্ষেত্ৰ/পৃথিৱী
১.৩.৩ শিশুকলাৰ ধাৰণা
১.৪ আঞ্চলিক কলা আৰু শিল্পৰ জ্ঞান/ধাৰণা আৰু শিক্ষাত ইয়াৰ প্ৰাসংগিকতা।
১.৪.১ আঞ্চলিক কলা আৰু শিল্প মানে কি?
১.৪.২ প্ৰাথমিক শিক্ষাৰ লগত কলা আৰু শিল্পৰ সম্পৰ্ক
১৪.৩ লোক বিষয়বস্তু আৰু পৰম্পৰাগত কলা সম্বন্ধে ছাত্ৰ-ছাত্ৰীসকলক শিকন।
১.৫ চাক্ষুষ আৰু প্ৰদৰ্শনমূলক কলা ক্ষেত্ৰৰ সমসাময়িক কলা, শিল্পীসকল আৰু কলা কুশলীসকলৰ বিষয়ে ধাৰণা।
১.৬ সামৰণি।
১.৭ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি।
১৮. গোট অনুশীলনী।

**১.০. আৰম্ভণি**

প্ৰত্যেকজন শিশুৱে শিকণ ক্ষমতা লৈ এই পৃথিৱীত জন্মগ্ৰহণ কৰে। শিশুসকলৰ প্ৰথম ভাষা শিকণ আমি শিশুসকলক কোৱাৰ দৰে নহয়। তেওঁলোকৰ শিকণ আখৰ, সংখ্যা, বিষয়বস্তু আৰু কিতাপ, বিদ্যালয় আৰু শ্ৰেণীৰ দ্বাৰা আৰম্ভ নহয়। শিশুসকলৰ প্ৰকৃত শিকণ আৰম্ভ হয় তেওঁলোকৰ পৰিবেশৰ লগত হোৱা সম্পৰ্ক স্থাপনৰ দ্বাৰা। আৰু তেওঁলোকৰ চাৰিওফালে ঘটা

ঘটনাসমূহৰ লগত হোৱা সংস্পৰ্শৰ ফলত। শিশুসকলে তেওঁলোকৰ জ্যেষ্ঠসকলে প্ৰকাশ কৰা বিভিন্ন শব্দ, অংগ-ভংগী আদি অনুকৰণ কৰি শিকিবলৈ আৰম্ভ কৰে। আনহাতে শিশুসকলে পৰিবেশৰ পৰা লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ পৰাও শিকিবলৈ আৰম্ভ কৰে/শিকে। এখন ধুনীয়া চিত্ৰ চোৱা, মৰমীয়াল স্পৰ্শ অনুভৱ কৰা আদিৰ প্ৰতি শিশুৱে স্বতঃসতস্ফূৰ্তভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আনহাতে ধেৰেকণিৰ শব্দ, বিজুলীৰ পোহৰ আদি শিশুৱে অনুধাৱণ কৰে। এইবোৰ দৈনন্দিন পৰিঘটনাৰ অনুধাৱনেই হৈছে চাক্ষুষ আৰু প্ৰদৰ্শনমূলক কলাৰ শিক্ষণৰ আৰম্ভণি।

### ১.১ শিকণীয় উদ্দেশ্যসমূহ

এই গোটটো সমাপ্ত হোৱাৰ পিছত আপোনালোক সমৰ্থ হ'ব—

- চাক্ষুষ আৰু প্ৰদৰ্শনমূলক কলাৰ দিশসমূহ বৰ্ণনা কৰিবলৈ।
- আমাৰ আঞ্চলিক কলাৰ ৰূপসমূহ-সংগীত নৃত্য, ভ্ৰাম্যমাণ, পুতলানাচ আদি জানিবলৈ আৰু আমাৰ স্থানীয় বিশেষ কলা আৰু আঞ্চলিক কলা-সমূহৰ বিষয়ে সজাগতা আৰু ভালপোৱাৰ ভাব বিকশাই তুলিবলৈ।
- ধাৰণাসমূহৰ মাজত সংযোগ স্থাপনৰ বিভিন্ন উপায়সমূহ বিশ্লেষণ কৰিবলৈ।
- দৈনন্দিন শিক্ষনত পাঠ্যক্ৰম প্ৰদানৰ বাবে কলা কাৰ্যসূচীসমূহ সম্পৰ্কিত কৰা।
- কলাই কিদৰে শিশুৰ আত্মনিৰ্দেশনামূলক শিকণ উৎসাহিত কৰে আৰু শিশুৰ সৃজনাত্মক কৌশলৰ বিকাশ সাধন কৰে সেই বিষয়ে বোধ লাভ।
- ব্যক্তিত্বৰ লক্ষণসমূহ যেনে— আত্ম অনুশীলন, মনোযোগ, আত্মসন্মান আদিৰ উৎকৰ্ষ সাধনত কিদৰে কলাই সহায় কৰে সেই বিষয়ে বিশ্লেষণ কৰা।

যিবোৰ বিদ্যালয়ত কলা অন্তৰ্ভুক্ত কৰা হৈছে, সেইবোৰত শিশুৱে কিয় ভাল প্ৰদৰ্শন কৰে?




কলা শিক্ষাই আমাক বিভিন্ন ধৰণৰ উদ্দেশ্যত উপনীত হোৱাত সহায় কৰে।

## ১.২ কলাশিক্ষাৰ অৰ্থ আৰু ধাৰণা ঃ

### ১.২.১ কলা শিক্ষা কি?

কলা শিক্ষা হৈছে শিক্ষণৰ প্ৰাথমিক পথ, যি সৌন্দৰ্যবোধক অভিজ্ঞতাৰ বাবে শিক্ষণৰ অৰ্থ আৱিষ্কাৰ কৰাৰ এক পথ প্ৰদৰ্শক হিচাপে কাম কৰে। কলা হৈছে ব্যক্তিৰ কল্পনা, কৌশল আৰু আৱিষ্কাৰৰ দ্বাৰা সৃষ্ট ধাৰণাৰ প্ৰকাশভংগী। কোৱা হয় যে ‘Music is what feelings sound like.’

একেদৰে ই অন্য কলাৰ ৰূপ সমূহৰ ক্ষেত্ৰতো প্ৰযোজ্য। আৱেগ, চিত্ৰই মনৰ অৱস্থা প্ৰকাশ কৰে, ভাষ্কৰ্যই অন্তঃমনক সুচায় আৰু কণ্ঠস্বৰ সলনিয়ে অন্তঃমনক পথ দেখুৱায়— ইয়ে হৈছে কলা শিক্ষা। এই কাৰণে আমাক কলা শিক্ষাৰ প্ৰয়োজন। কলাশিক্ষা হৈছে শিক্ষণৰ একক্ষেত্ৰ যি নিৰ্ভৰ কৰে—

- চাক্ষুষ কলা আৰু
- প্ৰদৰ্শনমূলক কলাৰ ওপৰত।

**১.২.২চাক্ষুষ কলা**

এজন শিল্পকাৰে কাগজ, মাটি, ৰং, ধাতু, কেনভাছ আদিৰ ব্যৱহাৰ কৰে যাতে সেইবোৰৰ পৰা কিছুমান শিল্পকলাৰ সৃষ্টি কৰিব পাৰে।

(ক) চিত্ৰকাৰী

(খ) চিত্ৰ

(গ) ভাষ্কৰ্য

(ঘ) ডিজাইন (অলংকাৰ, বোৱাকটা, ফেব্ৰিক, মৃতশিল্প আৰু বিভিন্ন ব্যৱহাৰিক ক্ষেত্ৰত যেনে— ঘৰৰ আচবাব প্ৰস্তুতকৰণ, বাণিজ্যিক গ্ৰাফিক্স আদি)

(ঙ) সমসাময়িক বিষয়বস্তু যেনে— ফটোগ্ৰাফী, ভিডিঅ’, ফিল্ম প্ৰস্তুতকৰণ, কম্পিউটাৰ কলা আদি)

আমাৰ চাৰিওফালৰ বিভিন্ন বিষয়বস্তুত আমি কলা দেখিবলৈ পাও। যেনে চিত্ৰত, মৃতশিল্পত স্থাপত্য আৰু ভাস্কৰ্য আদিত। আনকি, আমাৰ ঘৰৰ ভিতৰৰ স্থাপত্য, আমি যিদৰে সাজপাৰ পৰিধান কৰো, আদি যিদৰে খাদ্য প্ৰদৰ্শন কৰো, আমি যিদৰে থিয় হওঁ, বহো আৰু কথা পাতো— এই সকলোবোৰতে কলা উপলব্ধ। আমাৰ জীৱনৰ সকলো উৎসৱ পাৰ্বণতে সৌন্দৰ্যবোধৰ প্ৰকাশ ভংগী উপলব্ধ। দিপাৱলীৰ সময়ত আমাৰ দুৱাৰমুখত অংকণ কৰা ৰংগোলী, দুৰ্গাপূজাৰ সময়ত প্ৰস্তুত কৰা কাগু আকৃতিৰ ৰাৱণৰ মূৰ্তি, বিভিন্ন অস্থায়ী মূৰ্তি আৰু মন্দিৰসমূহ এই সকলোবোৰেই কলা সমৃদ্ধ। গতিকে চাক্ষুষ কলাৰ ধাৰণা আৰু কৌশলসমূহে আমাৰ সংস্কৃতি পৰম্পৰা আদি সমূহক হস্তান্তৰ কৰাত সহায় কৰে।

এজন শিক্ষক হিচাপে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ধৰণৰ কলা, ফটোগ্ৰাফী, ধাতুকৰ্ম আদিৰ বিষয়ে অনুসন্ধান কৰাৰ বাবে উৎসাহিত কৰাটো আপোনাৰ দায়িত্ব।

যেতিয়া ৩৫-৪০ জনীয়া শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে মৃতশিল্প প্ৰস্তুতকৰণ বা হস্তশিল্পৰ প্ৰস্তুতকৰণত জড়িত হয় কিদৰে তেওঁলোকৰ মাজৰ পৰা বিভিন্ন ধৰণৰ কৌশল আৰু ৰূপ বিকশিত হয় সেয়া আমি লক্ষ্য কৰিব পাৰো। তদুপৰি প্ৰস্তুত কৰা সামগ্ৰীসমূহৰ প্ৰদৰ্শন কৰাৰ ভংগীমাও হৈছে কলাৰ প্ৰকাশভংগী।

**১.২.৩ প্ৰদৰ্শনমূলক কলা**

- শিল্পকাৰসকলে নিজৰ দেহ-শৰীৰ, মুখ আৰু উপস্থিতি মাধ্যম হিচাপে ব্যৱহাৰ কৰে।
- ই হৈছে যাক প্ৰদৰ্শন কৰা হয়, দেখা যায় আৰু শুনা যায়।
- সাধাৰণভাৱে উপলব্ধ বিভিন্ন ধৰণৰ প্ৰদৰ্শনমূলক কলাসমূহ হৈছে—
  * ভ্ৰাম্যমাণ,
  * সংগীত




  * নৃত্য
  * পুতলানাচ

যিসকল শিল্পকাৰে দৰ্শকৰ সন্মুখত প্ৰদৰ্শনমূলক কলাত অংশগ্ৰহণ কৰে তেওঁলোকক প্ৰদৰ্শক বুলি কোৱা হয়। সেইসকল হৈছে নৃত্যশিল্পী, নায়ক, যাদুগৰ, সংগীত শিল্পী, ধেমেলীয়া নায়ক, পুতলানাচৰ শিল্পীসকল। শিক্ষকে এটা কথা উপলব্ধি কৰা উচিত যে কলাৰ প্ৰদৰ্শন সদায় কেৱল আনুষ্ঠানিক শিক্ষণৰ দ্বাৰা হোৱাটো প্ৰয়োজনীয় নহয়। ভাৰতবৰ্ষ হৈছে এক বৈচিত্ৰপূৰ্ণ্য সংস্কৃতিৰে ভৰা ভূমি। ভাৰতৰ এনে এক উচ্চমানসম্পন্ন বৈচিত্ৰ্যময় সংস্কৃতিৰ পৰিবেশে শিশুসকলক দৈনন্দিন জীৱনৰ বিভিন্ন শিল্পকলামূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে উৎসাহিত কৰে যি তেওঁলোকৰ শিক্ষা আৰু আত্মবিকাশত সহায় কৰে। শিশুৰ জন্ম, বিদ্যালয়লৈ যোৱা, বিবাহ, পবিত্ৰ লগুণ প্ৰদান উৎসৱ, শস্যৰোৱা আৰু কটাৰ বিভিন্ন উৎসৱ আনকি মৃত্যু আদিয়ে আমাৰ সংস্কৃতিৰ বিভিন্ন কলাৰ ৰূপ প্ৰতিফলিত কৰে। কলা সদায় সচেতন আৰু অবচেতন মনত বিৰাজমান। কিদৰে বিভিন্ন উৎসৱৰ পালনে আমাক আমাৰ সংস্কৃতিৰ বিষয়ে বুজাত সহায় কৰে জানো আহক।

উদাহৰণ স্বৰূপে— পঞ্জাৱ ৰাজ্যত, শীতকালৰ প্ৰধান শস্য হৈছে ঘেঁহু যি অক্টোবৰ মাহত ৰোৱা হয় আৰু মাৰ্চ-এপ্ৰিল মাহত কটা হয়। জানুৱাৰী মাহত শস্যবোৰ ডাঙৰ হ'বলৈ ধৰে আৰু এই সময়খিনিতে শস্য চপোৱা আৰু কটাৰ আগতে খেতিয়কসকলে **'লোহৰি'** উৎসৱ পালন কৰে। পঞ্জাৱীসকলৰ বাবে এই উৎসৱটোৱে তেওঁলোকৰ জীৱন প্ৰণালী প্ৰতিফলিত কৰে। এই সময়ছোৱাত ব্যক্তিসকলে ধৰ্মীয় ঠাইসমূহলৈ বিভিন্ন ধৰণৰ খাদ্যসম্ভাৰ যেনে— বাদাম, আটা, মাখন, ঘী আদি আগবঢ়ায় আৰু এইদৰে তেওঁলোকে ভাল শস্য উৎপাদন হোৱাৰ বাবে ভগৱানক ধন্যবাদ জনায়। কাঠৰ লাঠিসমূহ একলগ কৰি জ্বলাই অগ্নিদেৱতাক পূজা কৰে যাতে ভাল শস্য উৎপন্ন হয় আৰু

তেওঁলোকৰ সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা কৰা হয়। জুইৰ চাৰিওফালে পৰিয়ালৰ সদস্য আত্মীয়-স্বজন একগোট হয়, জুইৰ চাৰিওফালে একগোট হৈ তিনিবাৰ ঘূৰে আৰু মাকৈ, বাদাম, মিঠাই আদি জুইত প্ৰদান কৰে। আৰু ঢোলৰ তালে তালে জুইৰ চাৰিওফালে সকলোকে লগ হৈ নাচে। প্ৰসাদ হিচাপে মাকৈ, মিঠাই, বাদাম, তিল আদি ভগাই দিয়া হয়।

ইয়াৰ দ্বাৰা শিশুসকলে এই উৎসৱটোৰ বিষয়ে জানিবলৈ সক্ষম হয়। তদুপৰি শিশুসকলে পৰিবৰ্তনশীল ধাতু, কৃষিৰ গুৰুত্ব তথা শস্য কেতিয়া ৰোৱা হয় বা কটা/চপোৱা হয়, কোনবোৰ খাদ্য শীতকালত খাব লাগে যেনে বাদাম, তিল আদি, সামূহিকভাৱে উৎসৱ উৎপাদন সুখ-দুখৰ ভাব বিনিময় আদিৰ বিষয়ে জানিবলৈ সক্ষম হয়। গতিকে এজন শিক্ষকৰ বাবে এনেধৰণৰ উৎসৱ পালন কৰি তাৰ বিভিন্ন তথ্য শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰাটো কঠিন নহয়। আৰু ইয়াকে প্ৰদৰ্শনমূলক কলা বুলি কোৱা হয়। প্ৰতিটো উৎসৱৰ গীতে আমাক বিভিন্ন জলবায়ু, পৰম্পৰা, সাজপাৰ আৰু ব্যক্তিসকলৰ বিষয়ে বাৰ্তা প্ৰদান কৰে। একেদৰে নৃত্যসমূহেও আমাৰ শৰীৰটোক সক্ৰিয় কৰি ৰাখে। গতিকে আমি প্ৰত্যেকটো উৎসৱ উদ্‌যাপনতে শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ সুবিধা লাভ কৰো। চলচ্চিত্ৰসমূহে আমাৰ বাস্তৱ জীৱনক প্ৰতিফলিত কৰে বুলি আমি অনুভৱ নকৰোনে?

**প্ৰগতিৰ খতিয়ান ঃ ১**

(ক) শুদ্ধ আৰু অশুদ্ধ বাছি উলিওৱাওক।

১। শিল্পকলা যেনে— অলংকাৰ বনোৱা, কাঠৰ কাম, ৰংগোলী বনোৱা আদি সকলো কলা— শুদ্ধ / অশুদ্ধ

২। সকলো কলাই ভাল কলা। ইয়াত কোনো মধ্যমীয়া কলা নাই— শুদ্ধ / অশুদ্ধ

৩। কলা সদায় সুন্দৰ হোৱা উচিত— শুদ্ধ / অশুদ্ধ

৪। মই এটুকুৰা মনোগ্ৰাহী তথা ভাল আকৃতিৰ শিল বিচাৰি পালো। মই সেইটুকুৰা ঘৰলৈ লৈ আহিলো আৰু ঘহি এক নতুন ৰূপ দিলো। ই হৈছে এক সুন্দৰ কলা— শুদ্ধ / অশুদ্ধ

৫। কলা সদায় বাস্তৱিক হ'ব লাগে। ই কেতিয়াও কলা হ'ব নোৱাৰে যদিহে ই আমাৰ বাস্তৱ জীৱনৰ লগত সংগতি নাথাকে— শুদ্ধ / অশুদ্ধ

৬। যিকোনো এটা উৎসৱৰ বিষয়ে বৰ্ণনা কৰক যিয়ে কোনো অঞ্চলৰ ভৌগোলিক পৰিবেশ, ব্যক্তিসকলৰ জীৱন প্ৰণালী, কৃষি আৰু পৰম্পৰাসমূহৰ বিষয়ে তথ্য দিয়ে। শুদ্ধ / অশুদ্ধ

### ১.২.৪ কলা শিক্ষাৰ প্ৰকৃতি আৰু পৰিসৰ

বৰ্তমান বিশ্বত সৃষ্টিশীল কলাৰ ক্ষেত্ৰখন আৰু ইয়াৰ বৃত্তিৰ পৰিসৰ দিনে দিনে বাঢ়ি গৈছে আৰু ই অৰ্থনৈতিক, সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক দিশসমূহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে।

**ব্যক্তিগত বিকাশ ঃ** ছাত্ৰ-ছাত্ৰীসকলে গুৰুত্বপূৰ্ণ জীৱনকৌশল/শৈলী কলা শিক্ষাৰ পৰা লাভ কৰে আৰু ই তেওঁলোকৰ যোগাযোগৰ ক্ষমতাৰ বিকাশ সাধন কৰে। তদুপৰি ই শিশুসকলৰ জীৱনত সফল হ'বলৈ প্ৰেৰণা যোগায় আৰু নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ ক্ষমতাৰ বিকাশ

সাধন কৰে।

**সমগ্ৰ জ্ঞান লাভ ঃ** কলা শিক্ষাৰ শিক্ষণে ছাত্ৰ-ছাত্ৰীসকলক এক সমগ্ৰ অভিজ্ঞতা প্ৰদান কৰে।

**জীৱন সৌন্দৰ্যপূৰ্ণ কৰি তোলা ঃ** আমাৰ দৈনন্দিন জীৱনত কলা শিক্ষাৰ এক অভূতপূৰ্ব প্ৰভাৱ আছে। আমাৰ খাদ্যৰ পৰা সাজপাৰলৈ আৰু ঘৰৰ পৰা বিভিন্ন উৎসৱলৈ— এই সকলোবোৰতে এক সৌন্দৰ্যবোধক প্ৰকাশভংগী আছে আৰু ইয়াৰ প্ৰভাৱ আমাৰ জীৱনত সুদূৰ প্ৰসাৰী।

**সংজ্ঞানাত্মক উদ্দীপনা ঃ**

- কলা শিক্ষাৰ ছাত্ৰ-ছাত্ৰীৰ সংজ্ঞানাত্মক বিকাশৰ লগত সম্পৰ্ক আছে।
- ১৯৯৮ চনত প্ৰকাশিত 'Young children and Arts : Making creative connections'ত গৱেষকসকলে প্ৰকাশ কৰিছে যে কলা শিক্ষাই শিশুসকলক সংজ্ঞণাত্মক, ভাষাৰ আৰু সঞ্চালনামূলক ক্ষমতাৰ/কৌশলৰ বিকাশ সাধন কৰে।
- 'Learning and the Arts : Crossing Boundaries'ত কোৱা হৈছে যে যেতিয়া সংগীত শিল্পীসকল সংগীতৰ চৰ্চা কৰি থাকে সেই মুহূৰ্তত মগজুৰ সকলো স্নায়ু সক্ৰিয় হৈ থাকে।

**শৈক্ষিক সফলতা ঃ**

- ছাত্ৰ-ছাত্ৰীসকলে কলা শিক্ষাৰ শ্ৰেণীত নিজকে মনোনিবেশ কৰে আৰু ভাল ফলাফল দেখুৱায়।
- Howard Gardenerৰ বুদ্ধিৰ বহুবিকল্প তত্ত্ব অনুসৰি যিসকল শিশুৱে কলা শিক্ষা গ্ৰহণ কৰে তেওঁলোক বৰ্ধিত শিকণ ক্ষমতা লাভ কৰে কাৰণ তেওঁলোকে পৰম্পৰাগত শ্ৰেণীৰ ভাষাগত আৰু গাণিতিক মুক্তিৰ শিকণ শৈলীতকৈ নিজৰ শিকণ শৈলী কলা শিক্ষাত অধিক বিকশিত কৰে।
- এইটো কোৱা হয় যে যিসকল ছাত্ৰ-ছাত্ৰীয়ে কলা শিক্ষা গ্ৰহণ কৰে তেওঁলোকে শ্ৰেণীত ভাল প্ৰদৰ্শন দেখুৱায় আৰু তেওঁলোকৰ উচ্চ চিন্তন ক্ষমতা থাকে।

**বৰ্তৰি আদান-প্ৰদান ঃ**

সৃষ্টিশীল কলাই বিভিন্ন ধৰণৰ সৌন্দৰ্যবোধক প্ৰকাশভংগীক অন্তৰ্ভুক্ত কৰে যিয়ে আমাক নিৰ্দিষ্ট দৰ্শকসকলক গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰদান কৰাত সহায় কৰে। যেনে— পোষ্টাৰ প্ৰদৰ্শন, বাটৰ নাট, মৌন অভিনয় আদিৰ দ্বাৰা ভাৰতবৰ্ষৰ ৰাজনীতিৰ বিভিন্ন দুদৰ্শাগ্ৰস্ত পৰিস্থিতিৰ তথা প্ৰদূষণ, জনসংখ্যা বিস্ফোৰণ আদি বিষয়সমূহ কলাৰ দ্বাৰা অতি সুন্দৰভাৱে উপস্থাপন কৰিব পাৰি।

**ব্যক্তিগত তথ্য আৰু বিকাশ**

- **বৃত্তিৰ বিভিন্ন মতামত ঃ** এইবোৰ বিদ্যালয়ত প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ পৰা মাধ্যমিক বিদ্যালয়লৈ শিকোৱা হয় আৰু উচ্চ শিক্ষাৰ পৰ্যায় তথা বিশ্ববিদ্যালয় পৰ্যায়তো ইয়াক অন্তৰ্ভুক্ত কৰা হয়। কলা শিক্ষাৰ প্ৰতি থকা প্ৰৱণতাৰ সৈতে আপুনি বিভিন্ন ধৰণৰ বৃত্তি আগবঢ়াই নিব

পাৰে যেনে— মহাবিদ্যালয়ৰ শিক্ষক, বিশ্ববিদ্যালয়ৰ শিক্ষক, বাণিজ্যিক শিল্পী, ভ্ৰাম্যমাণৰ নায়ক তথা দূৰদৰ্শনৰ ধাৰাবাহিকৰ নায়ক-নায়িকা হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰে। ইয়াৰ উপৰিও শিক্ষাবিদ, গায়ক, নৃত্যশিল্পী, ডিজাইনাৰ, ফিল্ম/চিনেমাজগতৰ স্থাপত্য শিল্পী হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰে।

ফটো

**অগ্ৰগতিৰ খতিয়ান-২**

১। বিভিন্ন কলাৰ অভ্যাস/ব্যৱহাৰৰ দ্বাৰা কিদৰে শিশুৰ ব্যক্তিগত বিকাশ সাধন হয় তাৰ এখন তালিকা প্ৰস্তুত কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

২। কলা শিক্ষাৰ লগত জড়িত বিভিন্ন বৃত্তিসমূহৰ বিষয়ে উল্লেখ কৰক। উদাহৰণ দিয়ক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

৩। শিক্ষণ ভংগী ভাষাগত আৰু গাণিতিক যুক্তিতকৈ অধিক বিকশিত হোৱা বুলি ক'লে কি বুজে?

..............................................................................................................

..............................................................................................................

..............................................................................................................

**১.৩ প্ৰাথমিক পৰ্যায়ত কলাশিক্ষাৰ গুৰুত্ব**

এজন শিক্ষকে শ্ৰেণীকোঠাত প্ৰবেশ কৰি ছাত্ৰ-ছাত্ৰীসকলক এটুকুৰা কাগজ উলিয়াই ল'ব ক'লে। তেওঁলোকক কিছুমান জড়বস্তুৰ চিত্ৰ আঁকিব কোৱা হ'ল আৰু সেইবোৰৰ ওপৰত এটা টোকা লিখিব কোৱা হ'ল। উদাহৰণস্বৰূপে—

মই বিৰাজ, এখন জেট প্লেন

মোক জিৰণি সময়ত যথেষ্ট আহাৰৰ দৰকাৰ হয় যিহেতু মোক শক্তিৰ দৰকাৰ।

আমি অনুভৱ কৰো যে—

(ক) কলাই শিশুসকলক তেওঁলোকে কি অনুভৱ কৰে সেই বিষয়ে আত্ম প্ৰকাশ কৰাত সহায় কৰে।

(খ) ই শিশুসকলক অধিক সৃষ্টিশীলভাৱে শিকিবলৈ শিকায়।

(গ) ইয়াত ভুল হোৱাৰ কোনো শংকা নাথাকে।
(ঘ) ই শিশুসকলৰ আত্মবিশ্লেষণ, আত্মসন্মান আৰু আত্মঅনুশাসন বৃদ্ধি কৰে।
(ঙ) ই শাৰীৰিক ক্ষমতা আৰু চিন্তনৰ বিকাশ সাধন কৰে।
(চ) ক্ষমতা, বৰ্ণ আৰু লিংগভেদে সকলো ব্যক্তিয়ে কলাৰ লগত সম্পৰ্কিত হ'ব পাৰে। কলা সকলো জাতি-ধৰ্ম, ভাষা-বৰ্ণ আনকি বিভিন্ন ৰাজ্য, ৰাষ্ট্ৰ আদিৰ ক্ষেত্ৰত সমান।
(ছ) ই কেৱল সৌন্দৰ্যবোধৰ প্ৰৱণতা তথা ৰুচি বিকাশতেই সহায় নকৰে, বৰং ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল ক্ষমতাৰ বিকাশৰ বাবে আত্মশক্তিক গতি প্ৰদান কৰে বা প্ৰেৰণা যোগায়।
(জ) এজন শিল্পীয়ে তেওঁৰ দৰ্শকসকলক জাগ্ৰত কৰাৰ বাবে তেওঁ মাত মতাৰ প্ৰয়োজন নাই, কিয়নো তেওঁৰ কলাৰ প্ৰকাশভংগীয়ে জনগণক জাগ্ৰত কৰে।
(ঝ) কল্পনা আৰু ভিন্ন প্ৰকাশভংগীয়ে ইতিবাচক শৈক্ষিক সুবিধা প্ৰদান কৰে যিয়ে শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ ধাউতি জগাই তোলে।
(ঞ) কবি, নৃত্যশিল্পী, প্ৰদৰ্শক, শিল্পী, যাদুগৰ আদিৰ সৌন্দৰ্যবোধক অভিজ্ঞতাই শিক্ষাৰ্থীসকলৰ মনোযোগ বৃদ্ধি কৰে আৰু চিন্তন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত এক নৱজাগৰণৰ সৃষ্টি কৰে।
(চ) 'আদৰ্শ ঘৰৰ' ধাৰণা হৈছে বৰ্তমানৰ এক উল্লেখযোগ্য ধাৰণা। শিশুসকলক এটা ঘৰ সাজিব কোৱা হ'ল। বেছিভাগ ছাত্ৰ-ছাত্ৰীসকলে ঘৰ সাজিবলৈ নিজাববীয়াকৈ সামগ্ৰীসমূহ লৈ আহিছে। দেখা গ'ল যে শিশুসকলে ঘৰ সাজিবলৈ বিভিন্ন ধাৰণা/চিন্তাৰ প্ৰকাশ কৰিছে যেনে— বাঁহৰে ঘৰ নিৰ্মাণ, তুলাৰে ঘৰ নিৰ্মাণ আদি। দুজন শিশু এটা কোঠালীৰ চুকত ব্যস্ত হৈ আছিল। ঝাৰখণ্ডৰ এগৰাকী ছোৱালী, বীৰামণিয়ে বহুতো শুকান ঘাঁহ সংগ্ৰহ কৰিছিল আৰু ইয়াৰ দ্বাৰা এটা বাঁহ সাজিবলৈ যত্ন কৰিছিল। আন এগৰাকী আয়ুকাৰ ছোৱালী, নাম জুলকা আৰু তাই কাগজেৰে এটা ঘৰ সাজিছিল আৰু তাত ঘৰটোৰ ওচৰত এটা কুকুৰ এডাল লাঠিৰ সৈতে বান্ধ খাই আছিল।

ফটো

**১.৩.১ প্ৰদৰ্শনমূলক কলাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব**

চাবলৈ আৰু পৰ্যবেক্ষণ কৰিবলৈ শিকক আৰু পিছত উপস্থাপন কৰক।

■ দৃষ্টি (sight) হৈছে চাক্ষুষ কলাৰ পাঠ্যক্ৰমৰ এক গুৰুত্বপূৰ্ণ অংশ। এনে ধৰণৰ সংবেদনশীল অভিজ্ঞতা দীৰ্ঘদিন বৰ্তি থাকে যিহেতু এনে শিক্ষণত এটাতকৈ অধিক ইন্দ্ৰিয় নিহিত হৈ থাকে। ছাত্ৰ-ছাত্ৰীসকলক সিহঁতৰ চাৰিওকাষৰ বিশদ পৰ্যবেক্ষণৰ বাবে উৎসাহ প্ৰদান কৰিব লাগে আৰু বস্তু আৰু পৰিবেশৰ মাজত থকা সম্পৰ্ক উদ্ভাৱন কৰিব দিব লাগে। যেতিয়া এটা শিশুৱে এটা বস্তুৰ প্ৰকৃত ছবি পৰ্যবেক্ষণ কৰে বা ইয়াৰ ধাৰণা কল্পনা কৰি এটা ছবি আঁকে তেনেকুৱা ধাৰণা শিশুটোৰ বাবে অধিক অৰ্থপূৰ্ণ হয় যিহেতু এনে সৃষ্টিয়ে চাক্ষুষ ছবিসমূহৰ অৰ্থৰ এটা গভীৰ বিশ্লেষণ বিকাশ কৰে।

"কলাৰ লক্ষ্য, বস্তুৰ আভ্যন্তৰীণ প্ৰয়োজনীয়তাক প্ৰতিনিধিত্ব কৰা, বাহ্যিৰ ৰূপ দেখুওৱা নহয়"— এৰিষ্টট'ল ছাত্ৰ-ছাত্ৰীৰ গ্ৰহণ দক্ষতা বিকাশ আৰু পৰিবেশ সম্পৰ্কে অধিক বোধ বিকাশৰ ওপৰও গুৰুত্ব দিও আহক।

বিষয় ঃ 'দূৰ্গ'

পৰামৰ্শনীয় সম্পদ ঃ

■ দূৰ্গৰ আৰ্হি
■ দূৰ্গৰ ফটো
■ দূৰ্গৰ বিষয়ে প্ৰসংগপুথি
■ বিভিন্ন দূৰ্গ দৰ্শনৰ ভিডিঅ' অংশ
■ এটা দূৰ্গ দৰ্শন
■ দূৰ্গৰ মানচিত্ৰ

১। **সূচনা কাৰ্য ঃ তথ্যমূলক কাৰ্ড বনোৱা**

আপুনি শিশুসকলক সিহঁতৰ নিকট পৰিসৰৰ ভিতৰত থকা ঐতিহাসিক অট্টালিকা আৰু গাঁঠনিসমূহ চিনাক্ত কৰিব দিব পাৰে আৰু নিম্নোক্তখিনি দৰ্শাই তথ্যমূলক কাৰ্ড বনাব দিব পাৰে।

■ ঐতিহাসিক অট্টালিকাসমূহৰ নাম
■ অট্টালিকাসমূহৰ প্ৰকাৰ, স্থান/ঠিকনা
■ কিয় অট্টালিকাসমূহ বিশেষ, তাৰ কাৰণ
■ অট্টালিকাসমূহৰ অনন্য স্থাপত্যৰ বৈশিষ্ট্য অংকন ঃ ঐতিহাসিক অট্টালিকাসমূহৰ খুঁটা/ভাজ/তোৰণ/গম্বুজ/দ্বাৰ/আৰ্হি

২। **প্ৰধান কাৰ্য ঃ** দুৰ্গসমূহ খোজকাঢ়ি পৰিদৰ্শন কৰা পানীৰ ব্যৱস্থা, বুৰ্জ, প্ৰবেশ আৰু প্ৰস্থান দ্বাৰ, ভিন্ন সৰু সৰু মহল, বিভিন্ন প্ৰয়োজনীয় বৈশিষ্ট্যৰ স্থান যেনে— বিশেষ বন্দুক ইত্যাদি দেখুৱাই ঐতিহাসিক দুৰ্গৰ মানচিত্ৰ প্ৰস্তুত কৰা।

৩। **সামৰণি কাৰ্য ঃ** এটা ঐতিহাসিক অট্টালিকা লৈ

■ দুৰ্গটো কিমান পুৰণি, সেইটো উলিওৱা
■ প্ৰাকৃতিক পৰিবেশে কিবা প্ৰকাৰে দুৰ্গটোৰ ক্ষতি কৰিছেনেকি?
■ দুৰ্গটোৰ সৌন্দৰ্য ৰক্ষা কৰিবলৈ কি কৰা হৈছে?
■ ইয়াক নিৰ্মাণ কৰিবলৈ ব্যৱহৃত সামগ্ৰীসমূহ জনা
■ স্থাপত্য বৈশিষ্ট্য/সাজ-সজ্জা/ব্যৱহৃত পাথৰ/ভাস্কৰ্য/শিল্প/অস্ত্ৰসম্ভাৰ ইত্যাদি বিচৰা।
■ স্মৃতিস্তম্ভসমূহৰ ব্যৱহাৰ সময়ৰ লগে লগে সলনি হৈছিল নেকি? স্মৃতিস্তম্ভ কেনেকৈ/কিয় অদ্বিতীয়?
■ সেইসময়ৰ কলাৰ কাৰুকাৰ্য্যক প্ৰশংসা কৰা আৰু ইয়াক বৰ্তমান সময়ৰ কলাৰ লগত তুলনা কৰা।

**উদাহৰণ ২ ঃ**

বস্তুৰ প্ৰতি সংবেদনশীলতা বৃদ্ধি কৰা। সকলো কলা কাৰ্যৰ নিজৰ ক্ৰম আৰু গাঁঠনি থাকে। কলাকাৰে কেনেকৈ তেওঁৰ ধাৰণাসমূহক গাঠনিৰ ৰূপ দিব তাৰ সিদ্ধান্ত লয়। এই গোটটোৰ দ্বাৰা

ছাত্ৰ-ছাত্ৰীসকলক পৰিবেশৰ ভিন্ন ৰূপৰ ক্ৰমসমূহ পৰ্যবেক্ষণ কৰিবলৈ উৎসাহ জনোৱা হৈছে আৰু লগতে কলাৰ প্ৰকাশ ভংগীৰ ক্ৰমসমূহৰ সালসলনিৰ সম্ভৱত কাৰণসমূহ উদ্ভাৱন কৰিব দিয়া হৈছে। তলত আমি ধাৰণাৰ পৰা প্ৰকাশভংগীলৈ সলনি কৰিছো।

**বিষয় ঃ দলং/উৰণীয়া সেতু**

**ফটো**

১। সূচনা কাৰ্য

- এখন দলং/উৰণীয়া সেতু আঁকা। অথবা দলংসমূহৰ ছবিসমূহ লক্ষ্য কৰা।
- তাত কিবা কলাৰ উপাদান নিহিত হৈ আছে নেকি?
- আপুনি দলংসমূহৰ আৰ্হিত কিবা ধৰণ লক্ষ্য কৰিছে নে?
- আঁহক আমাৰ দলং আৰু উৰণীয়া সেতুসমূহৰ বৈশিষ্টসমূহ উলিৱাও ঃ সিহঁতৰ আকাৰ, ধৰণ, ব্যৱহৃত সামগ্ৰী আৰু সিহঁতৰ ৰূপ।
- আপোনাৰ বন্ধুবৰ্গই অনা বা অঁকা দলং আৰু উৰণীয়া সেতুসমূহ তুলনা কৰক। আপোনালোক সকলোৱে একে সামগ্ৰী, একে আৰ্হি, একে আকাৰ ব্যৱহাৰ কৰিছেনে? দলংসমূহৰ প্ৰায় সামঞ্জস্যতা থাকে। ছাত্ৰ-ছাত্ৰীয়ে সামঞ্জস্যতা আৰু অসামঞ্জস্যতাৰ অৰ্থ উদ্ভাৱন কৰিছেনে?

**২ প্ৰধান কাৰ্য**

এনেকুৱা কাৰ্য পৰিকল্পনা কৰক য'ত ছাত্ৰ-ছাত্ৰীয়ে আৰ্হি আৰু গাথনিক শক্তিশালীতাত মাজৰ পাৰ্থক্য উদ্ভাৱন কৰিব পাৰে। সিহঁতক ভিন্ন সামগ্ৰী ব্যৱহাৰ কৰি সিহঁতৰ নিজৰ দলং বনাবলৈ চেষ্টা কৰিব দিয়ক। যেনে— বোকামাটি/কাগজ/কাঠ ব'ৰ্ড/থাৰ্মোকল/লাঠি/কাঠ/শিলগুটি/তাঁৰ/খেৰ ইত্যাদি। সিহঁতৰ পৰিকল্পনাসমূহক এখন কাগজত উপস্থাপন কৰি আঁকিব দিয়ক আৰু আলোচনা কৰিব দিয়ক।

আকাৰ সম্পৰ্কে বোধ লাভ কৰি, সিহঁতক সাংগঠনিক দক্ষতাৰ বোধ আৰ্জিব দিয়ক ঃ

১। এখন সমতল কাৰ্ডকাগজ লওঁক আৰু ইয়াক দুটা ব্লকৰ ওপৰত ৰাখক আৰু দলংখনৰ ওপৰত কিছুমান মুদ্ৰা ৰাখক। কাগজখনে অলপ সময়ো ইয়াক ধৰি ৰাখিব নোৱাৰিব আৰু দলংখন ভাঙি যাব।

২। এতিয়া দুয়ো মূৰে দুখন বেৰ বনাবলৈ ভাজ দিয়ক। আৰু ইয়াৰ ওপৰত এতিয়া মুদ্ৰা দিবলৈ চেষ্টা কৰক। এতিয়া নভঙাকৈ বহুত মুদ্ৰা ইয়াৰ ওপৰত দিব পৰা যাব।

৩। এতিয়া কাগজখনক আঁকবাক আৰ্হিত ভিতৰৰ ফালে ভাজ দিয়ক (এখন পাঙ্খাৰ ভাজৰ দৰে। আৰু আচৰিতভাৱে এতিয়া দেখিব যে কেনেকৈ অধিক মুদ্ৰা ইয়াৰ ওপৰত ৰাখিব পৰা গৈছে। তেওঁলোকক দলঙৰ ৰূপ (সাজসজ্জা) আৰু কাৰ্য কেনেকুৱা তাক চাবলৈ মনত কৰি দিব।

এটা প্ৰদৰ্শনীৰ পৰিকল্পনা কৰক য'ত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে সিহঁতে প্ৰস্তুত কৰা দলঙৰ ওপৰত ব্যাখ্যা কৰিবলৈ সুযোগ পাব।

**উদাহৰণ-৩**

সিহঁতৰ চাৰিওকাযে থকা কলাৰ পৃথিৱীৰ উদ্ভাৱন।

এই গোটেটো এনেদৰে প্ৰস্তুত কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰীসকলক এই বিষয়ে সজাগ কৰিব পাৰি যে চাক্ষুষ কালাৰ বিভিন্ন ৰূপসমূহ, জীৱনৰ এটা অংশ। কলা সিহঁতৰ নিকট পৰিবেশতেই পোৱা যায়।

চাক্ষুষ ছবিৰ সৈতে জড়িত লোকসকল হ'ল, চিত্ৰশিল্পী, ধুন্কড়, দৰ্জী, মৃৎশিল্পী, কাপোৰৰ ধৰণ বিকাশকাৰী, ফেশ্বন জিডাইনাৰ, ভাস্কৰ্যশিল্পী, স্থপতি, নগৰ পৰিকল্পনাকাৰী, ৰাস্তাৰ কাষৰ বিজ্ঞাপন প্ৰস্তুত কৰা শিল্পী আৰু অন্যান্য বহুতো এই চাক্ষুষ প্ৰভাৱে সেই সম্প্ৰদায়সমূহৰ সংস্কৃতি আৰু এই কলাৰ বিভিন্ন যুগ ধৰি হোৱা বিকাশ সম্পৰ্কে বহু কথা কয়/দৰ্শায়।

ধৰা হওক আমি মৃৎশিল্পৰ এটা কাৰ্য হাতত লওঁ যাক সেই গাঁৱৰে বা চহৰৰ বা স্থানীয় ব্যক্তিৰ দ্বাৰা/শিল্পকাৰৰ দ্বাৰা কৰিব পাৰি। সিহঁতক সেই শিল্প সম্পৰ্কে আৰু অধিক জানিবলৈ পুথিভঁড়ালৰ কিতাপৰ সহায় ল'ব দিয়ক। সিহঁতে সিহঁতৰ মাটিৰ সৰু সৰু পাত্ৰসমূহ নিজে বনাবলৈ চেষ্টা কৰিব লাগে যাতে উন্নত ধাৰণা লাভ কৰিব পাৰে আৰু প্ৰয়োজনীয় শৈলী শিকিব পাৰে। নিজৰ ছবিৰ গেলাৰী বনাবলৈ, ভিডিঅ' শ্যুট কৰক বা ফটো তোলক। এইটোৱে তেওঁলোকক তেওঁলোকৰ নিজে বনোৱা পাত্ৰসমূহৰ স্তৰ অনুযায়ী সমগ্ৰ প্ৰক্ৰিয়াৰ ধাৰণা দিব। এইটোৱেই তেওঁলোকৰ চাৰিওকাযে থকা সৌন্দৰ্যৰ প্ৰশংসা কৰোতে বা সিহঁতৰ সাংস্কৃতিক মূল্য শক্তিশালী কৰাত সহায় কৰিব। আপুনি স্থানীয় মৃৎশিল্পী এজনক আমন্ত্ৰণ কৰি মৃৎশিল্পৰ ওপৰত এখন আলোচনাচক্ৰ অনুষ্ঠিত কৰিব পাৰে। নিজৰ আৰ্হি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰক আৰু নিজৰ আৰ্হিসমূহ খোদিত কৰক বা ৰং কৰক।

'আমি যিটো এতিয়া পৰম্পৰা হিচাপে গণ্য কৰো সেইটো অবিৰত সৃষ্টিৰ ফল .... পৰম্পৰা এটা আন্দোলনো হ'ব পাৰে .... যদিহে ইয়াক সৃষ্টিমূলকভাৱে জীয়াই ৰখা হয়।' .... জৱাহৰলাল নেহেৰু

১.৩.২ পৰিবেশ্য কলাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বতা

১.৩.২.১ নৃত্যৰ পৃথিৱী/ক্ষেত্ৰ

ক) গতি আৰু প্ৰকাশভংগী

ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ দিয়াৰ ওপৰত গুৰুত্ব দিওঁ আহক

- গতিৰ সম্ভৱত প্ৰসাৰ উদ্ভাৱন।
- সিহঁতৰ কৌশল সমৃদ্ধিশালী কৰা আৰু
- বিশেষ গতি বা ভংগীসমূহ পুনৰাবৃত্তি কৰাৰ দক্ষতা

## বিষয় ঃ সূৰ্য নৃত্য ঃ সূৰ্য্য নমস্কাৰ

**পৰামৰ্শনীয় সমল**

**ক) কিতাপ-পত্ৰ আৰু ভি ডি অ'**

তুমি যেনেদৰে অনুভৱ কৰা তেনেকৈ ঘূৰা আৰু যেনেকৈ ঘূৰা তেনেকৈ সেইটো অনুভৱ কৰা— ঘূৰিবলৈ শিকা আৰু পৰিবেশন কৰা।

নৃত্যৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলে নৃত্যৰ সৰু সৰু স্তৰসমূহৰ প্ৰকাশভংগী বিকাশ কৰিব লাগে। এইক্ষেত্ৰত মুখ্য গুৰুত্ব দিয়া হয় শৰীৰৰ অংগী-ভংগীৰ ওপৰত যাতে সূৰ্য্যৰ গৰম/সূৰ্য্যৰ প্ৰসাৰ প্ৰতিফলিত কৰিব পাৰি আৰু ছাত্ৰ-ছাত্ৰীসকলে খুব লাবণ্যময় অংগ-ভংগীৰে সূৰ্যক প্ৰণাম কৰা নীতি-পৰিবেশন কৰিব। ছাত্ৰ-ছাত্ৰীসকলক সূৰ্য্য নৃত্য কৰিব দিয়ক আৰু যিকোনো লাহী অংগী-ভংগীৰ সমাহাৰেৰে, অথবা কঠিন/লাৱণ্যময় অথবা যোগৰ সমাহাৰেৰে প্ৰকাশ কৰিব দিয়ক। ভিন্ন ভংগীমা যোগ কৰি শিশুসকলক সন্মুখত আহি সিহঁতৰ দক্ষতা প্ৰকাশ কৰিব দিয়ক। সূৰ্য্যৰ পৃথিৱীৰ ওপৰত পৰা প্ৰভাৱ দেখুৱাই আৱেগ সহিতে এটা নৃত্য প্ৰদৰ্শন কৰক লগতে সূৰ্য্যৰ পৃথিৱীবাসীৰ ওপৰত থকা প্ৰভাৱ আৰু সূৰ্য্য প্ৰণাম তথা যোগাভ্যাস যেনে— সূৰ্য্য নমস্কাৰেৰে সূৰ্য্য দেৱতাক ইয়াৰ শক্তিৰ বাবে অনুৰোধ কৰা নৃত্য সৃষ্টি কৰক।

- **(খ) আদৰ্শ আৰু অনুপ্ৰেৰণা**

নৃত্যৰ দ্বাৰা দেখুওৱা প্ৰকাশভংগীৰ আদৰ্শ, পৰিবেশ, বিভিন্ন ধৰণৰ বহিঃপ্ৰকাশ আৰু ব্যক্তিৰ ব্যক্তিগত অভিজ্ঞতা ইত্যাদিৰ পৰা আহে। যেতিয়া আমি বিভিন্ন প্ৰকাৰৰ নৃত্য চাওঁ যেনে— কথক, কথাকলি, কুচীপুড়ী অথবা লোকনৃত্য, যেনে— বিহু, চেৰ, নগা নৃত্য, ভাঙৰা ইত্যাদি। আমি ইয়াৰ ভিন্ন অংগ-ভংগী, প্ৰকাশভংগী, সংগীত সৃষ্টিশীলতা ইত্যাদি লক্ষ্য কৰো।

■ খং, সহানুভূতি, সাহস, ঘৃণা, ভয়, সুখ, শান্তি, দুখ আৰু চকখোৱা/আচৰিত হোৱা ইত্যাদি লক্ষ্য কৰো।

■ অংগ-ভংগী আৰু আৰ্হিৰ সহায়ত শৰীৰে ৰূপ দিয়া ভিন্ন ৰূপসমূহ লক্ষ্য কৰা।

■ চিন্তা/ভাব/আৰ্হিৰূপ ইত্যাদি প্ৰকাশ কৰিবৰ বাবে প্ৰয়োজন হোৱা শৰীৰৰ অংগ-ভংগীৰ বিষয়ে কথা কেৰা।

■ এই তথ্যসমূহ, নৃত্যসমূহৰ সাদৃশ্য আৰু বৈসাদৃশ্যৰ তুলনা কৰিবলৈ ব্যৱহাৰ কৰা।

- **(গ) ভাৱ-ভংগীবোৰ অৰ্থপূৰ্ণ/সংবেদনশীল কৰি তোলা**

নৃত্য পৰিকল্পকসকলে সিহঁতৰ ভাব-ভংগীৰ ধাৰণাসমূহক নতুন ৰূপ দিয়ে। অৰ্থহীন ভাব-ভংগীবোৰ অপ্ৰয়োজনীয়, যেতিয়ালৈ ইয়াক কোনো ৰূপ/আকাৰ দিয়া নহয়। তেওঁলোকে অংগ-ভংগীবোৰক নৃত্যৰ ৰূপ দিবলৈ ক্ৰম অনুযায়ী সজোৱাৰ প্ৰয়োজনীয়তাতো বুজি পায়।

### ১.৩.২.২ **নাটকৰ পৃথিৱী/ক্ষেত্ৰ**

এই গোটটোৱে ভিন্ন সংস্কৃতি আৰু ঐতিহাসিক যুগৰ দ্বাৰা সম্প্ৰদায়সমূহৰ দৈনন্দিন জীৱনৰ বোধ বিকাশৰ ক্ষেত্ৰত নাটকৰ ভূমিকা সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব। এই গোটটোৱে নাটকক দৈনন্দিন জীৱনৰ অংশ আৰু সংস্কৃতি আৰু সমাজৰ প্ৰকাশ হিচাপে চোৱাৰ ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

**ক) আদৰ্শ আৰু অনুপ্ৰেৰণা**

নাটকৰ ধাৰণা বিভিন্ন উৎসৰ পৰা আহিব পাৰে

— কল্পনা

— পৰিবেশ

— বক্তিগত অভিজ্ঞতা
— ইতিহাস/সাহিত্য
— ছবি/চলচ্চিত্ৰ
— মিডিয়া/প্ৰচাৰ মাধ্যম

নাটক বিভিন্ন ধৰণে অনুশীলন কৰা হয়— প্ৰকাশভংগীৰে অভিনয়, মুখাৰে প্ৰকাশ, কাহিনী বিৰৰণ কৰি, ভিন্ন অংগ-ভংগী ইত্যাদি।

**খ) মুখাৰ যাদু (মুখা হয়তো চকু, মুখ অথবা সমগ্ৰ মুখ ঢাকিবলৈ ব্যৱহাৰ কৰা হয়)**

মুখা এটা খুহুতীয়া কাৰ্য যদিও ই বিভিন্ন দিশৰ প্ৰকাশ কৰে। ই সাংকেতিকভাৱে এটা চৰিত্ৰৰ সৃষ্টি কৰে। যেনে— নীলা শৰীৰ আৰু ময়ুৰৰ পাখিৰে ভগৱান শ্ৰীকৃষ্ণ, দহটা মূৰেৰে ৰাৱন অথবা যিকোনো প্ৰকাশ ভংগী। যি সময়ত শিশুটোৱে মুখা পিন্ধে, সি সলনি হৈ যায়। সিহঁতে ভূমিকা পালন, কল্পনা কৰা আৰু ভাব-ভংগী আৰু সংলাপ সৃষ্টি কৰি লয় আৰু লাহে লাহে চৰিত্ৰটোৰ বাস্তৱতা অনুভৱ কৰিবলৈ লয়। অলপ সমৰ্থন আৰু তথ্যই শিশুসকলক আৰু অধিক কথা জনাত সঁচাকৈয়ে সহায় কৰে।

**গ) সাহিত্যৰ প্ৰতি প্ৰতিক্ৰিয়া**

ঐতিহাসিক পৰিঘটনা, প্ৰয়োজনীয় লোককথা, সমসাময়িক সামাজিক ঘটনা-পৰিঘটনা ইত্যাদি অভিনীত কৰিব পাৰি।

**ঘ) বস্তুৰ প্ৰতি সংবেদনশীল হোৱা**

এই গোটটোৱে ছাত্ৰ-ছাত্ৰীসকলক নাটকৰ উৎস সম্পৰ্কে ধাৰণা প্ৰদান কৰিছে। লগতে সিহঁতৰ কামৰ পৰিবেশন আৰু বিকাশত গুৰুত্ব প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকলে এখন নাটকৰ সৃষ্টিৰ বাবে প্ৰয়োজন হোৱা বিকল্পসমূহ লক্ষ্য কৰাবলৈ চেষ্টা কৰিছে।

১.৩.২.৩ **সংগীতৰ পৃথিৱী/ক্ষেত্ৰখন**

এই কলাৰূপে ছাত্ৰ-ছাত্ৰীসকলৰ ভিন্ন সাংস্কৃতিক সংগীত, যুগ আৰু সিহঁতৰ নিজৰ ঘৰ আৰু সম্প্ৰদায় সম্পৰ্কে বোধ জন্মোৱাত গুৰুত্ব আৰোপ কৰে।

**ক) শ্ৰৱণ শিক্ষণ**

এতিয়া, শব্দ শুনাৰ দক্ষতা, শব্দৰ বৈশিষ্ট্য আৰু সূক্ষ্মতা উদ্‌ঘাটন কৰা আৰু শব্দৰ প্ৰভাৱৰ বোধ বিকাশৰ ওপৰত কাম কৰাৰ সময়। সিহঁতক শব্দৰ উদ্ভাৱন কৰাত সহায় কৰাটো অতিকৈ প্ৰয়োজনীয়। শুনা আৰু চিনাক্তকৰণৰ বাবে অনুপ্ৰেৰণা যোগাব লাগে যেনে— ঢোল, চিতাৰ, ঘাটামেটচ। ছাত্ৰ-ছাত্ৰীসকলৰ চকুত কাপোৰ বান্ধি সিহঁতক সঠিক শব্দ শুনাই তাৰ বোধ দিব লাগে।

**আকৰ্ষণীয় কাৰ্য**

— সাতটা পানীৰে পৰিপূৰ্ণ চীনামাটিৰ বাতিৰ ব্যৱহাৰ জলতৰংগৰ দৰে কৰি সিহঁতৰ নিজৰ সংগীতৰ বাদ্যযন্ত্ৰ প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিব দিয়ক।

— সাতটা কৰ্ক/পানীয়ৰ বটল ব্যৱহাৰ কৰি, ভিন্ন গাঢ়তাৰ ৰবৰ ব্যৱহাৰ কৰি গীতাৰ বনাওক।

ছাত্ৰ-ছাত্ৰীসকলক সিহঁতে প্ৰস্তুত কৰা যিকোনো সংগীতৰ ৰূপ বা শব্দৰ টুকুৰা, ইজনে

আনজনৰ বাবে সমগ্ৰ শ্ৰেণীৰ বাবে পৰিবেশন কৰিব দিয়ক।

সংগীতৰ অভিনয় অথবা কাহিনীৰ লগত সম্পৰ্ক

১। **সূচনা কাৰ্য**

— কেনেকৈ বিভিন্ন কলা-কুশলীয়ে যুগ যুগ ধৰি ইজনে আনজনক অনুপ্ৰেৰণা যোগায় এই সম্পৰ্কে আলোচনা।

— কাহিনীসমূহৰ প্ৰতিক্ৰিয়া অনুসৰি এনিমেটেড চলচ্চিত্ৰৰ সৃষ্টি কৰা।

(এনিমেটেড চলচ্চিত্ৰ যেনে— হনুমান বা মোগলী বা ওৱাল্ট ডিজনীৰ অনুষ্ঠানসমূহ আৰু সেইসমূহৰ বৈশিষ্টমূলক সংগীতসমূহ শিক্ষণৰ বাবে উত্তম)

২। **প্ৰধান কাৰ্য**

ছয়জন ছাত্ৰ-ছাত্ৰীৰ দল গঠন কৰি সিহঁতক এটা সাধাৰণ কাহিনী বাছনি কৰিব দিয়ক যিটো পুতলা নাচৰ সংগীতৰ বাবে উত্তম হয়। সিহঁতক কাহিনীটো বিশ্লেষণ কৰিব দি কাহিনীৰ ঘটনা, চৰিত্ৰ আৰু বিষয়বস্তুসমূহ তন্ন তন্নকৈ বিশ্লেষণ কৰিব দিয়ক।

ছাত্ৰ-ছাত্ৰীসকলে সৰু সৰু দলত কাম কৰিব পাৰে

— কিছু চুটি সুৰ ৰচনা কৰা।

— এটা চুটি কাহিনী লিখা।

— সংগীতৰ বাবে পুতলা নাচৰ চৰিত্ৰ প্ৰস্তুত কৰা।

— এখন পুতলা নাচৰ মঞ্চৰ ৰূপ দিয়া।

— প্ৰয়োজনীয় যিকোনো সা-সৰঞ্জাম প্ৰস্তুত কৰা।

— প্ৰচাৰমূলক সামগ্ৰী প্ৰস্তুত কৰা/সৃষ্টি কৰা।

৩। **সামৰণীয় কাৰ্য**

ছাত্ৰ-ছাত্ৰীসকলক আন আন শ্ৰেণীৰ বাবে সিহঁতৰ পুতলা নাচৰ দৰ্শনী পৰিবেশন কৰিব দিয়ক।

কিছুমান প্ৰয়োজনীয় শিক্ষণীয় উপায় ঃ

— ছাত্ৰ-ছাত্ৰীসকলক এজন শিল্পীৰ সাক্ষাৎকাৰ ল'ব দিয়ক আৰু তেওঁৰ পৰা বিভিন্ন ৰূপসমূহ বুজিব দিয়ক।

— বিভিন্ন সংগীতৰ ৰেকৰ্ডিং শুনি তাত ব্যৱহৃত ভিন্ন ৰূপসমূহ আৱিষ্কাৰ কৰিব দিয়ক।

পেশাৰ প্ৰতি সজাগতা ঃ

এনেকুৱা পেশাসমূহ তালিকাভুক্ত কৰক য'ত সংগীতৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। যেনে— গায়ক, সংগীতজ্ঞ, ডিস্ক জকি (ডিজে) শব্দযন্ত্ৰী, সমবেত বিহংগকুজন আৰু সংগীৰ শিক্ষক, সংগীত ৰচক ইত্যাদি।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৩**

১। আপুনি আপোনাৰ চাৰিওফালে কেনেধৰণৰ ভিন্ন শব্দ শুনে?

..............................................................................................................

..............................................................................................................

..............................................................................................................

২। পৰিবেশ্য কলাৰ দ্বাৰা কি কি ভিন্ন প্ৰকাশৰ ব্যৱস্থা আছে?

..............................................................................................................

..............................................................................................................

..............................................................................................................

৩। 'ভাৰতবৰ্ষত, সংগীত আমাৰ জীৱনৰ এটা অংশ'। এই কথাশাৰী ব্যাখ্যা কৰা।

..............................................................................................................

..............................................................................................................

..............................................................................................................

### ১.৩.৩ শিশু কলাৰ বোধ

'সৌন্দৰ্যৰ প্ৰেম এটা সোৱাদ। সৌন্দৰ্য্যৰ সৃষ্টি এটা কলা।'

**চাক্ষুষ কলা**

শিশুৱে লাহে লাহে শিকে। ৰং, পেঞ্চিল ইত্যাদিৰে কৰা প্ৰথম কাৰ্য এটা খুব খৰতকীয়াকৈ কৰা কাৰ্য। এইটো সিহঁতৰ পেশীশৈলীৰ ফলাফলৰ এটা সুন্দৰ নিদৰ্শন আৰু সিহঁতৰ প্ৰথম শ্ৰেষ্ঠ শিল্প।

**বিমূৰ্ত ছবি**

প্ৰায় তিনিবছৰ বয়সৰ পৰা শিশুৱে বৃত্ত আৰু ৰেখা সংযোগ কৰি কিছুমান সাধাৰণ ছবি আঁকিবলৈ আৰম্ভ কৰে। আমি প্ৰায়ে দেখো যে শিশুসকলে কোনো শৰীৰ অথবা বাহু অবিহনে এটা মূৰ আঁকে। আৰু কেতিয়াবা বাহুবোৰ প্ৰত্যক্ষভাৱে মূৰৰ পৰা আৰম্ভ কৰি আঁকে। চকুবোৰ প্ৰায়ে ডাঙৰকৈ আঁকোতেই মুখমণ্ডলৰ বেছিভাগ অংশ ঢাকি পেলায় আৰু হাত আৰু ভৰি প্ৰায়েই আঁকিবলৈ পাহৰি যায়।

**প্ৰতিকীবাদ**

এতিয়া, প্ৰায় পাঁচ বছৰমান বয়সত সিহঁতে ছবিসমূহৰ বাবে শব্দ সৃষ্টি কৰে। এটা শিশুৱে কিছুমান বুনিয়াদী ছবিৰ ৰূপান্তৰ কৰি আঁকিব পৰা হয় যেনে— এটা ঘৰ, এটা মেকুৰী, এটা কুকুৰ বা এটা চৰাই (এই মেকুৰীটোৰ গাত শাৰী থাকে, কুকুৰটোত বিন্দু অথবা চৰাইজনীৰ সেউজীয়া পাখি)। এই বুনিয়াদী আকাৰবোৰক প্ৰতীক বোলে। প্ৰত্যেক শিশুৱে সিহঁতে যি আঁকে তাৰ বোধৰ ওপৰত ভিত্তি কৰি তাৰ নিজৰ অদ্বিতীয় প্ৰতীকৰ সমাহাৰ বিকাশ কৰে কিন্তু ই সি অঁকাৰ ওপৰতহে নিৰ্ভৰশীল, পৰ্য্যবেক্ষণৰ ওপৰত নহয়।

**বাস্তৱবাদ**

শিশুসকল ডাঙৰ হৈ অহাৰ লগে লগে সিহঁতে সিহঁতৰ প্ৰতীকসমূহ সীমিত কৰিব আৰম্ভ কৰে। শিশুসকলে আৰু অধিক সূক্ষ্ম বিৱৰণ আৱিষ্কাৰ কৰে।

**পৰিৱেশ্য কলা**

শিশুসকলে জন্মৰ পৰাই সিহঁতৰ মাকৰ মাত বা নিচুকণিৰ প্ৰতি সঁহাৰি জনায়। ডাঙৰ হৈ অহাৰ লগে লগে সিহঁতে শব্দবোৰ শুনি তাৰ প্ৰতি সঁহাৰি জনায়। শিশুসকল মানুহ অথবা প্ৰকৃতিৰ শব্দসমূহৰ প্ৰতি অত্যন্ত গ্ৰহণক্ষম হয়। মই লক্ষ্য কৰিছো যে শিশুসকলে বাহিৰত পৰি থকা বৰষুণৰ সময়ত চিপ চিপ শব্দ শুনিবলৈ আনন্দৰে খিৰিকীৰ কাষলৈ দৌৰি যায়। সিহঁতে যেতিয়া বৰষুণৰ পানী মাটিত পৰে তেতিয়া মাটিৰ পৰা ওলোৱা গোন্ধটো ভাল পায় আৰু সিহঁতৰ উল্লাস প্ৰদৰ্শন কৰে কিন্তু আচৰিতভাৱে সিহঁতে আকৌ বিজুলী-ঢেৰেকণিৰ শব্দ ভয় খায়। এনেধৰণৰ সকলো আৱেগ লাহে লাহে বিকাশ হয় আৰু কলাৰ বুনিয়াদী ভিত্তিসমূহ সিহঁতৰ আগত স্বাভাৱিকভাৱে পৰিচিত কৰোৱা হয়। উৎসৱ পাৰ্বণ অথবা পৰিয়ালৰ সকলো লোকৰ সন্মিলনৰ সময়ত সিহঁতে আনন্দৰে হাত চাপৰি মাৰে, সুন্দৰ পোছাক পিন্ধি ভাল পায়, ঘৰৰ বাহিৰে-ভিতৰে কৰা সা-সজ্জাক প্ৰশংসা কৰে, পৰিয়ালৰ সদস্য আৰু বন্ধু-বৰ্গৰ লগতে প্ৰাৰ্থনা কৰে, গান গায় আৰু নাচে। এইসমূহে হৈছে পৰিৱেশ্য কলাৰ ভিন্ন ক্ষেত্ৰৰ শিক্ষণ, প্ৰশংসা, আৰু অংশগ্ৰহণৰ প্ৰথম পদক্ষেপ। লাহে লাহে বিভিন্ন কলা ৰূপৰ কাৰিগৰী দক্ষতাৰ পৰিচয় আৰু বহিঃপ্ৰকাশ ঘটে আৰু সিহঁতে কলা ৰূপসমূহৰ বিভিন্ন দিশসমূহ শিকে। সিহঁতে কাহিনী/সাধু কথা শুনি আনন্দ লাভ কৰে আৰু পৰম্পৰা, ঐতিহাসিক অতীতৰ বিষয়ে জ্ঞান লাভ কৰে আৰু এনেদৰেই লাহে লাহে বিভিন্ন কলাৰূপৰ সোৱাদ লয়। অভিনয়, নৃত্যৰ বিভিন্ন অংগ-ভংগী আৰু সংগীত-গীতৰ বিভিন্ন প্ৰকাৰত সিহঁত সিমানেই নিয়োজিত হয় সিমানেই ইয়াৰ গভীৰ অৰ্থ লাভ কৰে। বিভিন্ন কাৰ্য্যত নিয়োজিত হোৱাৰ পিছত সিহঁতে লাভ কৰা আনন্দ-উল্লাসে সিহঁতক দ্ৰুত শিকণত সহায় কৰে আৰু এই শিকণ সিহঁতৰ গোটেই জীৱনৰ বাবে ৰৈ যায়। স্নায়ু বিজ্ঞানে কয় যে কলা অভিজ্ঞতাই মগজুৰ মুখ্য অংশসমূহক সজীৱ আৰু বিকশিত কৰি তোলে যিয়ে শিশুসকলৰ ভিন্ন বুদ্ধিমত্তাক সমৃদ্ধিশালী কৰি তোলে। একেদৰেই খুব কম বয়সতে সাধাৰণ সুৰ আৰু অধিক তালে শিশুসকলৰ শিকণত সহায় কৰে। ইয়াত খেল-ধূলা পদ্ধতিৰে কৰা নাটক, বেছি নিহিত হৈ থাকে। সাধাৰণ অংগ-ভংগীসমূহো শিশুৰ বাবে উপকাৰী। শিশুসকলৰ শৈলী বোধ আৰু বিশেষ কৌশল বিকাশত এই সমূহ লাহে লাহে পদ্ধতিগতভাৱে আগবঢ়াব পাৰি।

**ভেষজ**

কলা ভেষজ শিশুসকলৰ বিকাশ আৰু আৱেগৰ সংযোজনৰ বাবে এটা প্ৰভাৱশালী উপায়।

— এইটোও পোৱা গৈছে যে ছবি আঁকাই বহিৰ্বিমুখিতাৰ লগত জড়িত শিশুসকলক সহায় কৰে, সিহঁতে সিহঁতৰ অনুভৱসমূহ অন্য ধৰণে প্ৰকাশ কৰিব পোৱা কঠিনতাসমূহ ছবি আঁকি প্ৰকাশ কৰে।

— সেইদৰে যুদ্ধ/অপৰাধ ইত্যাদি মুখামুখি হোৱা শিশুসকলে সিহঁতে প্ৰত্যক্ষভাৱে লাভ কৰা অভিজ্ঞতাসমূহ বৰ্ণনা কৰিবলৈ অসুবিধা পায়। কিন্তু সিহঁতে সহজতে কলাৰ দ্বাৰা সিহঁতৰ যন্ত্ৰণা/কষ্ট প্ৰকাশ কৰে।

— কলাই এনে পৰিস্থিতিত সিহঁতৰ আৱেগসমূহৰ সংস্পৰ্শতাত অহাত সহায় কৰে।

— আপুনি খুব কমহে খঙাল শিল্পী বিচাৰি পাব। এজন শিল্পীৰ শিল্পীসুলভ প্ৰকাশভংগীৰ দ্বাৰা সিহঁতৰ আৱেগৰ লগত জড়িত এডাল খুব সহজ ৰন্ধ্ৰ থাকে।

**১.৪ আঞ্চলিক কলা আৰু শিল্পৰ জ্ঞান (স্থানীয় বিশেষ)**

**১.৪.১ আঞ্চলিক কলা আৰু শিল্প মানে কি?**

— আঞ্চলিক জনসাধাৰণৰ মাজত উদ্ভৱ হোৱা কলাই তেওঁলোকৰ পৰম্পৰাগত সংস্কৃতিক প্ৰতিফলিত কৰে।

— ই ভিন্ন সাম্প্ৰদায়িক দলৰ পৰম্পৰাগত কলা ৰূপসমূহৰ প্ৰতিফলিত কৰে— জাতিগত, গোষ্ঠীগত, ধৰ্মীয়, বৃত্তিগত আৰু আনকি ভৌগোলিক।

— ই এটা সম্প্ৰদায়ৰ অশিক্ষাপ্ৰাপ্ত শিল্পীৰ কাম, যিয়ে তেওঁলোকৰ নিৰ্দিষ্ট সংস্কৃতিৰ পৰম্পৰাসমূহ জীয়াই ৰাখে. লোক শিল্পীসকলে অনানুষ্ঠানিক স্থানীয় সাম্প্ৰদায়িক বিন্যাসৰ মাজত থাকি শিক্ষানবিসিৰ জৰিয়তে পৰম্পৰাগতভাৱে কৌশল আৰু শৈলীসমূহ শিকে।

— সেয়েহে ইয়াৰ স্বকীয় সৌন্দৰ্য্য থাকে কিন্তু সেইসমূহ অনুপাত আৰু লয়ৰ নীতিৰ দ্বাৰা পৰিচালিত নহয়।

— চাক্ষুষ কলা মুখ্যত উপযোগী আৰু সুসজ্জিত মাধ্যম য'ত কাপোৰ, কাগজ, বোকামাটি, কাঠ, আঁহ, ধাতু আৰু বহুতো অন্তৰ্ভুক্ত হৈ থাকে।

**১.৪.২ প্ৰাথমিক শিক্ষাত আঞ্চলিক কলা আৰু শিল্পৰ সম্পৰ্ক**

প্ৰাথমিক পৰ্য্যায়ত আঞ্চলিক কলা আৰু শিল্পই নিম্নোক্ত বিষয়সমূহত সহায় কৰে ঃ

১। শিশুসকলক ভাৰতবৰ্ষৰ বহুত্ববাদী সাংস্কৃতিক উত্তৰাধিকাৰৰ প্ৰতি সংবেদনশীল কৰি তোলা— স্থানীয় শিল্পৰ প্ৰতি সজাগতা।

২। পৰম্পৰাগত আৰু সমসাময়িক কলা আৰু কলা বস্তুসমূহৰ চিনাক্তকৰণ আৰু বহল প্ৰচাৰ।

৩। শিল্পকাৰসকলৰ শৈলী/কৌশলসমূহক প্ৰশংসা কৰি আৰু তেওঁলোকৰ সমাজৰ প্ৰতি দিয়া অৱদানক সন্মান দৰ্শাই ইয়াৰ দ্বাৰা হস্তশিল্প, কুটীৰ উদ্যোগ আৰু আত্মনিয়োগ কাৰ্যসূচীসমূহৰ প্ৰচাৰ কৰা।

**১.৪.৩ লোকবস্তু আৰু পৰম্পৰাগত কলাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক শিকন**

ভাৰতবৰ্ষ প্ৰচুৰ পৰিমাণে পৰম্পৰাগত কলা আৰু শিল্পৰ দ্বাৰা ভৰপূৰ য'ত শিল্পকাৰীতা এটা প্ৰজন্মৰ পিছত আনটো প্ৰজন্মৰ হাতত অৰ্পণ কৰা হয়। বিস্ময়কৰ হস্তশিল্প, ভাৰতৰ প্ৰতিটো চুক-কোণৰ পৰা, স্থানীয় শিল্পকাৰে তেওঁলোকৰ হাতৰ পৰশৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে। লগতে ই লোক-দল, ৰীতি-নীতি, সৌন্দৰ্য আৰু নিষেধ ইত্যাদিও প্ৰতিফলিত কৰে।

**কাৰ্য্য ঃ** ছাত্ৰ-ছাত্ৰীসকলক সিহঁতৰ ঘৰৰ পৰা বিভিন্ন লোকবস্তু আনিব দিয়ক, যিবোৰ পৰম্পৰাগত কলা বস্তু। যেনে— কাশ্মীৰৰ মাতৃসকলক কঙ্গৰী, এগৰাকী আইতাই এমব্ৰয়দাৰী কৰা এখন বিচনী/তোশক/শাৰী, অথবা খাদ্য। যেনে— ঢোকলা, হালৱা বা ৰসগোল্লা, যিবোৰ পৰিয়ালত বিশেষ দিনত তৈয়াৰ কৰা হয়। ইয়াৰ ওপৰত এটা কাহিনী সৃষ্টি কৰক আৰু তাত

সংস্কৃতি আৰু সমাজৰ বিষয়সমূহ উল্লেখ কৰক।

**টোকা**

ছাত্ৰ-ছাত্ৰীসকলক সেইসমূহ সামগ্ৰী আনিব মানা কৰক যিবোৰ বিনাশশীল, দামী অথবা অধিক মূল্যৱান যাতে এইবোৰ নেহেৰায় কাৰণ এইবোৰ অপূৰণীয় বস্তু। আপুনি পিতৃ-মাতৃ, ককা-আইতা অথবা আপোনাৰ সম্প্ৰদায়ৰ বিখ্যাত শিল্পীসকলক আপোনাৰ শ্ৰেণীকোঠা দৰ্শন কৰিবলৈ আমন্ত্ৰণ কৰিবও পাৰে।

**ব্যাখ্যা আৰু আলোচনা ককৰ ঃ**

— লোক বস্তুসমূহ বাস্তৱ হস্তনিৰ্মিত বস্তু যাক মানুহে প্ৰস্তুত কৰে আৰু সিহঁতৰ লোকদলৰ ভিতৰতে বিনিময় কৰে।

— যদিও লোকবস্তুসমূহ এজন ব্যক্তিৰ দ্বাৰা বনোৱা হয় কিন্তু ই সমগ্ৰ দলটোৰ শৈলী আৰু আচৰণ প্ৰতিফলিত কৰে।

— লোকবস্তুৰ সৃষ্টিত, শৈলী, আদৰ্শ, সৌন্দৰ্য, ৰং, আৰু গাঢ়তাৰ প্ৰশংসা নিহিত হৈ থাকে।

— বেছিভাগ লোক বস্তু বিশেষ আৰু আনকি পবিত্ৰ পাৰ্বণ/অনুষ্ঠানসমূহত ব্যৱহাৰ কৰা হয়।

ই বহু সাংস্কৃতিকবাদ আৰু ধণাত্মক পদ্ধতিৰে পৰম্পৰাগত কলাৰ প্ৰশংসা কৰা বুজায়। হস্তনিৰ্মিত বস্তুসমূহৰ সৃষ্টি শৈলীৰ অধ্যয়নৰ দ্বাৰা আমি এটা সম্প্ৰদায়ৰ দক্ষতা আৰু বোধ সম্পৰ্কে অন্তঃদৰ্শন লাভ কৰিব পাৰো। যেনে— এখন মধুবনী পেইণ্টিং চালে আপুনি আৰ্হি প্ৰস্তুতৰ নীতি, সাদৃশ্যতা, গাঢ়তা, ছায়াবৃত্ত, ঠাইৰ ব্যৱহাৰ ইত্যাদি সম্পৰ্কে আলোচনা কৰাৰ সুযোগ পাব।

## ফটো

এই ফটোখনে মধুবনী কলাক দেখুৱাইছে আৰু এটা পাত্ৰ দেখাইছে য'ত কুহিয়াৰ থোৱা হয়। এনেদৰেই বিহাৰৰ লোকসকলে শস্য চপোৱাৰ সময়ত পূজা-প্ৰাৰ্থনা কৰে।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৪**

১। তলৰ ৰাজ্যসমূহে কোনটো কোনটো বিশেষ পৰম্পৰাগত কলা নিদৰ্শন দাঙি ধৰে অথবা প্ৰতিনিধিত্ব কৰে ঃ

ক) মহাৰাষ্ট্ৰ ঃ ..........................................................................

খ) গুজৰাট ঃ ..........................................................................

গ) পাঞ্জাব ঃ ..........................................................................

ঘ) ৰাজস্থান ঃ ..........................................................................

২। আপুনি কোনটো সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰে ঃ আপোনাৰ সম্প্ৰদায়ৰ সকলো পৰম্পৰাগত কলা আৰু শিল্পৰ এটা টোকা লিখক।

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

---

১.৫ চাক্ষুষ আৰু পৰিবেশ্য কলা ক্ষেত্ৰৰ সমসাময়িক কলা আৰু শিল্পীসকল আৰু কলা-কুশলীসকলৰ বিষয়ে ধাৰণা ঃ অতীজৰ পৰাই ভাৰতবৰ্ষ হৈছে এখন শিল্পী আৰু কলা-কুশলীৰ ভূমি। কলাৰ সকলো ক্ষেত্ৰতেই ভিন্ন অঞ্চলৰ সংস্কৃতিৰ স্বতন্ত্ৰ নিদৰ্শন দেখুওৱা শিল্পী আছে। সংগীতৰ ক্ষেত্ৰত আমাৰ বিৰভূমৰ বাউলৰ দৰে শিল্পী আছে যিয়ে জীৱনৰ মনৰ দৰ্শনৰ ওপৰত গান গায় অথবা য়াকশ্বাগনা পৰিবেশন কৰা কেৰেলাৰ লোক থিয়েটাৰ দল। চাক্ষুষ কলাৰ ভিতৰত আমাৰ নিয়ম/আচাৰভিত্তিক লোককলা আছে যেনে ঃ পটচিত্ৰ, পিছুৰাই, আল্পনা, কোলাম ইত্যাদি। গ্ৰাম্য অঞ্চলৰ বেছিভাগ শিল্পীয়ে কোনো আনুষ্ঠানিক প্ৰশিক্ষণ অবিহনে তেওঁলোকৰ ক্ষেত্ৰখনত জাকতজিলিকা হৈ আছে আৰু এই কলা ৰূপসমূহ প্ৰজন্মৰ পৰা প্ৰজন্মালৈ স্থানান্তৰ হৈ আছে। আনুষ্ঠানিক প্ৰশিক্ষণ পৰম্পৰাগত কলা ৰূপত দিয়া হয় যিহেতু তাত বিশদ ৰূপান্তৰৰ স্বতন্ত্ৰ তাৰতম্য থাকে। কলা-কুশলীৰ তালিকাখন দীঘলীয়া আৰু ক্ষেত্ৰখন ভিন্ন যেনে— নৃত্য, পুতলা নাচ, সংগীত, সংগীতৰ বাদ্যযন্ত্ৰ, পেইণ্টিং, স্থাপত্য আৰু ভাস্কৰ্য শিল্প ইত্যাদি। কেৱল পৰিচয়ৰ বাবে কেইজনমান শিল্পী, নৃত্য দল আৰু কলা-কুশলীৰ নাম তলত দিয়া হৈছে। এই তালিকাখনত প্ৰত্যেক শিক্ষকে আৰু নতুন নাম সংযোগ কৰিব পাৰে যিটো ভৱিষ্যতে ব্যৱহাৰ কৰিবলৈ সুন্দৰ উপযোগী তথ্য হিচাপে পৰিগণিত হ'ব।

আমাৰ দেশৰ কিছুমান চাক্ষুষ কলা ৰূপ সমূহ হ'ল—

কোলাম বা আল্পনা — কেৰেলা আৰু পশ্চিমবংগৰ লোকসকলে মজিয়াত অঁকা পেইণ্টিং।

| | | |
|---|---|---|
| ফুলকাৰী | — | পাঞ্জাবৰ এম্ব্ইডাৰী |
| হাতৰ ব্লক পেইণ্টিং | — | চাংগাণেৰৰ |

পৰিবেশ্যকলাৰ ৰূপসমূহ হ'ল—

| | | |
|---|---|---|
| পৰম্পৰাগত সংগীত | — | হিন্দুস্থানী বা কৰ্ণাটকৰ আৰ্হিৰ। |
| পৰম্পৰাগত নৃত্য | — | কথক, ভাৰতনাট্যম, কথাকলি ইত্যাদি। |
| আঞ্চলিক সংগীত | — | চুফী, বাউল, গিড্ডা ইত্যাদি। |
| আঞ্চলিক নৃত্য | — | ভাঙৰা, ৰাস, বিহু ইত্যাদি। |
| পুতলা নাচ | — | হাতমোজা পিন্ধা পুতলা যেনে— পাৱা-কথাকলি, চাখী কুন্ধেই— নাচা ইত্যাদি |

সমসাময়িক শিল্পী আৰু কলা-কুশলীসকল ঃ আমাৰ দেশৰ কেইজনমান কলা-কুশলীৰ নাম হ'ল—

| | | |
|---|---|---|
| বনমালী মহাপাত্ৰ | — | গাঞ্জিফা কাৰ্ড |

| | | |
|---|---|---|
| বিজয় যোশী | — | ফেড পেইণ্টিং |
| গোকুল বিহাৰী পাটনায়ক | — | পটচিত্ৰ |
| আব্দুল জব্বৰ ক্ষত্ৰী | — | বন্ধিনী (বান্ধা আৰু ৰং কৰা) |
| ফিৰদোজ আহমেদ জন | — | পশ্বমিনা-শ্বল গুঠা |
| কঙ্কুবেন লালভাই পাৰমাৰ | — | এপলিক কৰা |

কিছুমান পৰিবেশ্য কলাৰ শিল্পী হ'ল—

**লোক গায়ক ঃ**
— আল্লাহ জিলাই বাই
— পম্মী বাই
— তেজন বাই
— ৰসময়ী বালাকৃষ্ণ
— পবন দাস বাউল
— ভোপা

**কিছুমান দলীয় লোক নৃত্য ঃ**

— গৰ্বা
— নামগেন
— কিন্নউৰীনটী
— তৰতলী
— চাৰ্কুলা
— লাৱনী
— তামাশা
— থেংটা
— চেং লো

কিছুমান পৰম্পৰাগত ভাৰতীয় থিয়েটাৰ ৰূপ হ'ল ঃ
— কুট্টিয়াট্টাম হ'ল একমাত্ৰ প্ৰাচীন সাংস্কৃতিক থিয়েটাৰৰ বৰ্তি থকা নমুনা।
— গুজৰাটৰ ভাৱাই (পদযাত্ৰা কৰা শিল্পী)।
— পশ্চিমবংগৰ যাত্ৰা।
— হাৰিয়ানা, উত্তৰপ্ৰদেশ আৰু মধ্যপ্ৰদেশৰ মালৱা অঞ্চলৰ জনপ্ৰিয় স্বাংগ।
— কৰ্ণাটকৰ য়াকশ্বাগনা।
— কথাকলি হৈছে এটা নৃত্য-নাটৰ ৰূপ আৰু কেৰেলাৰ বৈশিষ্ট্য।
— অসমৰ কহিনুৰ, আহাহন।

পুতলা নাচৰ ৰূপসমূহ হ'ল—
— কেৰেলা (পাৱা— কথাকলি), উৰিষ্যা (চাখী— কুন্ধেই নাচা) আৰু পশ্চিমবংগ (বেনেৰ পুতলানাচ) আদি ৰাজ্যত প্ৰচলিত হাতমোজা পৰিহিত পুতলা নাচৰ দৰ্শনী।
— অন্ধ্ৰপ্ৰদেশ (থুলুবোম্মালটা), কৰ্ণাটক (টোগালুগোম্বেয়েটা), কেৰেলা (টোলপাভাকুথু),

মহাৰাষ্ট্ৰ (চমাদেয়েচ্চে বাহুল্য), উৰিষ্যা, তামিলনাডু (টোপলা ভায়কুথু) আদি ৰাজ্যত ছাঁ পুতলা নাচ থিয়েটাৰ অনুশীলন কৰা হয়

### ১.৬ সামৰণি মাৰো আঁহক

কলা জীৱনৰ লগত খুব নিকটভাৱে জড়িত— প্ৰকৃততে ই আমাৰ চাৰিওফালে আছে। আমি কলাৰ বস্তুৰ দ্বাৰা মেৰ খাই আছো। ই বিদ্যালয়ৰ সকলো পৰ্যায়তে প্ৰতিটো বিষয়কে অধিক আকৰ্ষণীয় আৰু কৌতূহলপূৰ্ণ কৰি তুলিব পাৰে যেনে— শিশুসকলক দৈনন্দিন ৰুটিনৰ পাঠ্যক্ৰমৰ বাহিৰত লৈ যোৱা আৰু শিকণ সমৃদ্ধিশালী কৰি তোলা যিহেতু ই স্ব নিৰ্দশনীয় শিকণ প্ৰচাৰ কৰে, স্ব-মৰ্যাদা বৃদ্ধি কৰে আৰু লগতে এটা শিশুৰ মনোযোগ আৰু আত্ম নিয়মানুবৰ্তিতা উন্নত কৰে। ই এটা শিশুৰ শিকণত আৰু বিদ্যালয়ত উন্নত পৰিবেশনত সহায় কৰে। কলা ৰূপসমূহ উভয় প্ৰকাৰৰ। যেনে— পৰম্পৰাগত/লোক অথবা প্ৰাচীন, যেনে— সংগীত, নৃত্য, থিয়েটাৰ, পুতলা নাচ, আৰ্হিসজ্জা, মৃতশিল্প, ছবিআঁকা, পেইণ্টিং ইত্যাদি। শিকনৰ এটা মাধ্যম হিচাপে কলাৰ ব্যৱহাৰে শিশুসকলক লোককলাৰ প্ৰশংসা কৰাত বিশেষ সহায় কৰে আৰু ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰাৰ শিপাসমূহ সিহঁতৰ অতি কাষলৈ আনি ইয়াক সমৃদ্ধিশালী কৰি তোলে। ই, শিশুসকলক আমাৰ দেশৰ ইতিহাস সম্পৰ্কে আৰু অধিক বোধ বিকাশত সহায় কৰিব। কলাৰ জৰিয়তে লাভ কৰা শিকণে শিশুসকলৰ সৃষ্টিশীলতা বিকাশত সহায় কৰে আৰু সিহঁতৰ জীৱনৰ পিছৰ সময়ত সিহঁতক বৃত্তিমূলক পথ প্ৰশস্ত কৰি তোলে। বিশেষ প্ৰয়োজনৰ শিশুসকলৰ বাবেও কলা প্ৰয়োজনীয়। অৱশেষত ই শিক্ষকৰ ওপৰত নিৰ্ভৰ কৰে। এটা বিষয় আকৰ্ষণীয় কৰি তুলিবলৈ প্ৰয়োজন হোৱা প্ৰচেষ্টা শিশুসকলৰ ধণাত্মক আচৰণ আৰু কৌতূহলতা আৰু সক্ৰিয়তাৰ মাজেৰে ফুটি উঠে। শিক্ষকৰ দ্বাৰা কৰা অতিৰঞ্জিত প্ৰচেষ্টাই দীৰ্ঘদিন ধৰি ফল দিব আৰু ছাত্ৰ-ছাত্ৰীসকলক আমাৰ দেশৰ ভৱিষ্যতৰ দায়িত্বৱান নাগৰিক হিচাপে গঢ় দিয়াত সহায় কৰিব।

গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল যে—

উচ্চ শিক্ষা কেৱল সেইটোৱে নহয় যিটোৱে কেৱল তথ্য প্ৰদান কৰে, ই আমাৰ জীৱনক সকলো অস্তিত্বৰ সাদৃশ্যতাৰ সৈতে গঢ় দিয়ে।

### ১.৭ পৰামৰ্শনীয় পঠন আৰু প্ৰশংসাপুথি

On.wikipedia.org/wiki/Theatre_of_India
on.wikipedia.org/wiki/List of_india_folk_dances
www.indianfolkdances.com/folk-dances_india.html.
on-wikipedia.org/wiki/Music_of_India
download.nos.org/See225new/Lesson_4pdf.

### ১.৮ গোট-সমাপ্তিৰ অনুশীলনী

**কাৰ্য ১**

— ছাত্ৰ-ছত্ৰীসকলক স্বাধীনতা আন্দোলনৰ বিষয়ে পঢ়িব দিয়ক আৰু কেনেকৈ আমি অশেষ ত্যাগ আৰু বলিদানৰ শেষত আমাৰ স্বাধীনতা লাভ কৰিছো তাক জানিব দিয়ক। আৰু কোনটো ঘটনাই অধিক প্ৰভাৱ পেলাইছিল তাক উলিয়াব দিয়ক। তেওঁলোকক গীত, সা-সৰঞ্জামৰ

সৈতে সমগ্ৰ যুদ্ধ আৰু ইয়াৰ ফলাফল, অভিনীত বা নৃত্য পৰিকল্পনা কৰিব দিয়ক। শ্ৰেণীটোক ভাৰতীয় স্বাধীনতা আন্দোলনৰ বিভিন্ন মূকনাভিনয় কৰি দেখাবলৈ বিভিন্ন দলত ভাগ কৰক। চিপাহী বিদ্ৰোহ ১৮৫৭ ........................ জালিৰানাৱালাৱাগ হত্যাকাণ্ড, দাণ্ডিযাত্ৰা........................ অসহযোগ আন্দোলন........................... চাইমন কমিচন........................ ভগত সিঙৰ ওপৰত ফাঁচীৰ কাৰ্যনিৰ্বাহ ......................... গান্ধী...................... উদ্ভৱ............................ স্বাধীনতা দিৱসত নেহেৰুৰ ভাষণ।

**কাৰ্য ২**

বোকামাটিৰ সৃষ্টি ঃ এটা মৃৎশিল্পৰ কৰ্মশালাৰ অনুষ্ঠান অনুষ্ঠিত কৰণ

শিশুসকলক বোকামাটি স্পৰ্শ আৰু অনুভৱৰ সংবেদনশীল অভিজ্ঞতা কৰাওক। আপুনি এজন স্থানীয় মৃৎশিল্পী আমন্ত্ৰণ কৰি সিহঁতৰ নিজৰ সৃষ্টি সমূহত সহায় কৰিব দিয়ক। আচলতে এটা কৰ্মশালাৰ ক্ৰম অনুষ্ঠিত কৰক। এজন কুমাৰৰ দ্বাৰা ব্যৱহৃত প্ৰধান দুটা আহিলা হ'ল তেওঁৰ হাত দুখন আৰু চকাটো।

— সিহঁতে বোকামাটিৰ ফলক বনাব পাৰে যাতে ইয়াক ভিন্ন আৰ্হি বা আকাৰৰ সৈতে সমতল ৰূপ দি বেৰত আৰি থ'ব পাৰি।

— সিহঁতে ভিন্ন আৰ্হি আৰু আকাৰৰ পাত্ৰ বনাব পাৰে আৰু পিছলৈ ইয়াৰ ওপৰত ৰং কৰিব পাৰে।

— সিহঁতে উদ্ভিদ আৰু জীৱ-জন্তুৰ আৰ্হি প্ৰস্তুত কৰিব পাৰে।

— আনকি বহুতো উপযোগী বস্তু তৈয়াৰ কৰিব পাৰে, যেনে— বাচন-বৰ্তন, ষ্টেণ্ড, পেইণ্টিং, বিভিন্ন ধৰণৰ নমুনা, ষ্টাম্প, দেৱ-দেৱীৰ প্ৰতিমূৰ্তি, কলাকৃতি ইত্যাদিও প্ৰস্তুত কৰিব পাৰে।

**কৌশল**

১। শুদ্ধ গাঢ়তা প্ৰস্তুত কৰিবলৈ মাটি আৰু পানীৰ মিশ্ৰণ।

২। চকাৰ গতি সম্পৰ্কে শিক্ষণ আৰু ভালদৰে চকাটো ঘূৰিবলৈ প্ৰয়োজন হোৱা সঠিক বলৰ জ্ঞান।

৩। মাটিসমূহক আকাৰৰ ৰূপ দিয়াৰ শিক্ষণ।

৪। পাত্ৰসমূহ শুকোৱা আৰু সম্পূৰ্ণ আকাৰ আৰু ৰূপ দিয়া।

৫। পাত্ৰসমূহ কঠিন কৰিবলৈ জুইত পোৰা। এটা সৌন্দৰ্যৰ আভাস দিবলৈ পাত্ৰসমূহ সু-সজ্জিত কৰি তোলা।

এটা উপযোগী বস্তুৰ সৃষ্টিৰ লগতে ইয়াৰ সমৃদ্ধিশীলতাৰ আভাষ।

**অনুশীলনী**

১। তলৰ কথাশাৰীসমূহৰ কোনটোত আপুনি সন্মত? হয় বা নহয়?

(ক) কলাক আনন্দ উপভোগৰ বাবেও ব্যৱহাৰ কৰিব পাৰি।

(খ) শিশুসকলক সিহঁতৰ ভাৱপ্ৰকাশৰ বাবে কলা প্ৰয়োজনীয়।

(গ) ফটো তোলা এটা আকৰ্ষণীয় কলা।

(ঘ) আমাৰ শিশুসকলৰ আৱেগসমূহৰ কলাই এটা ৰন্ধ্ৰ হিচাপে কাম কৰে।

(ঙ) বিজ্ঞানৰ কলাৰ কোনো এটা ৰূপেৰেও শিকাব নোৱাৰি।

(চ) শিল্পসমূহ কলা নহয়।

(ছ) লোককলাসমূহ সমানুপাতিক নহয়। ইয়াক কলাও বুলিব নোৱাৰি।

(জ) কলা হৈছে মানবীয় কল্পনা, কৌশলৰ আৰু সৃষ্টিৰ ধাৰণাৰ এটা প্ৰকাশ।

(ঝ) বিলবোৰ্ড, দূৰদৰ্শনৰ বিজ্ঞাপন, কম্পিউটাৰ গেমসমূহৰ এনিমেশ্বন, পেকেজ ডিজাইন আৰু প্ৰতীকচিহ্ন সমূহ শক্তিশালী চাক্ষুষ সঞ্চাৰক— বাণিজ্যিক কলা।

(ঙ) আমি সকলোৰে সৃষ্টি/ৰচনাত্মক হিচাপে জন্ম লওঁ।

২। তলত দিয়াসমূহৰ যিটো কলাৰ ভিন্ন ৰূপ নহয় তাত দাগচিহ্ন দিওঁ আহক।

— চিনামাটি

— ছপা

— ফটোগ্ৰাফী

— ক'লাজ

— লোক-সাহিত্য

— লোককলা

— থিয়েটাৰ

৩। যদিহে সৃষ্টি হৈছে আমি আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত কিবা, যেনে— এটা বাতি অথবা এখন তোলক, তেতিয়াহ'লে ই কলা হিচাপে পৰিগণিত হ'বনে?

৪। প্ৰকাশ আৰু প্ৰশংসা কৰিবলৈ শিকা

কিছুদিনৰ আগতে মই, কিছুমান শিল্পীয়ে এটা সাগৰৰ/সমুদ্ৰটতৰ ওপৰতে বালিৰে বনোৱা সৃষ্টিশীলতা এটা দেখুৱাই পঠোৱা এটা ই-মেইল/বৈদ্যুতিন বাৰ্তা লাভ কৰিলো। তেওঁ কি দেখুওৱাবলৈ চেষ্টা কৰিছে, সেইটো এটা দফাত বৰ্ণনা কৰা।

ফটো

৫। এইটো এখন কাগজৰ দ্বাৰা বনোৱা হৈছে। এনেকুৱা একে ধাৰণা দেখুওৱা আৰু অধিক উদাহৰণ আপুনি দিব পাৰিবনে?

ফটো

৬। এটা শিশুৰ জীৱন কলাৰ জৰিয়তে শিকণৰে আৰম্ভ হয়, কিন্তু অতি সোনকালে ই বিদ্যালয়ত পৰিবেশন কৰিবলগীয়া এটা কঠিন পৰিশ্ৰমৰ কাম হৈ পৰে। কিয়? বৰ্ণনা কৰক। আপোনাৰ যুক্তি দৰ্শাবলৈ উদাহৰণ দিয়ক বা ঘটনা বিৱৰণী অধ্যয়ন কৰক।

৭। গহনা নিৰ্মাণ আৰু কাঠৰ কামক শিল্প হিচাপে পৰিগণিত কৰা হয়। শিল্পসমূহো কলা হয়নে?

৮। শুদ্ধ বিকল্পটো বাছি উলিওৱা

— কথাকলি, ভাৰত নাট্যম, মণিপুৰী, কথক, ওড়িশী আৰু কুচীপুড়ী এই সকলো লোকনৃত্য/পৰম্পৰাগত নৃত্য।

— এগৰাকী নৃত্যপটিয়সীয়ে হাতৰ বিভিন্ন অংগ-ভংগী ব্যৱহাৰ কৰাক মুদ্ৰা/নৱৰস বোলে।

— এজন মঞ্চ শিল্পীয়ে তেওঁৰ বাৰ্তা তেওঁৰ শৰীৰৰ ভাব-ভংগীৰে/পুস্তিকাৰে পৰিবেশন কৰে।

— এটা ধাৰণা কেৱল এটা/এটাতকৈ অধিক উপায়েৰে প্ৰকাশ কৰিব পাৰি।

— এটা কলা, এটা কলা/কলা নহয় যদিহে ই সমানুপাত বা তালৰ নিয়মসমূহ অনুসৰণ কৰে।

-×-

**গোট - ২**

**চাক্ষুষ কলা আৰু শিল্প (ব্যৱহাৰিক)**

**গাঁথনি**

২.০ অৱতাৰণা

২.১ শিকণীয় উদ্দেশ্য

২.২ চাক্ষুষ কলা আৰু শিল্পৰ বিভিন্ন সামগ্ৰীৰ সৈতে পৰীক্ষণ

২.২.১ পেঞ্চিল

২.২.২ পেষ্টেল ৰং

২.২.৩ পোষ্টাৰ ৰং

২.২.৪ কলম আৰু চিয়াঁহী

২.২.৫ ৰংগোলীৰ সামগ্ৰী

২.২.৬ বোকামাটি

২.৭.৭ মিশ্ৰিত সামগ্ৰী

২.২.৮ শিল্প সামগ্ৰী

২.৩ চাক্ষুষ কলা আৰু শিল্পৰ বিভিন্ন পদ্ধতিৰ দ্বাৰা উদ্ভাৱন আৰু পৰীক্ষণ

২.৩.১ ছবি অঁকা আৰু পেইণ্টিং

২.৩.২ ব্লক পেইণ্টিং

২.৩.৩ ক'লাজ বনোৱা/নিৰ্মাণ

২.৩.৪ মুখা আৰু পুতলা নিৰ্মাণ

২.৩.৫ বোকামাটিৰ আৰ্হি প্ৰস্তুতকৰণ

২.৩.৬ কাগজ কটা আৰু ভাঁজ খুওৱা

২.৪ সমাপ্ত কৰা ব্যৱহাৰিক কাৰ্য সমূহৰ ফ'ল্ডাৰ বনোৱা

২.৪.১ ফ'ল্ডাৰৰ অৰ্থ আৰু গুৰুত্ব

২.৪.২ এটা ফ'ল্ডাৰ কেনেকৈ বনোৱা হয়

২.৪.৩ ফ'ল্ডাৰৰ ব্যৱহাৰ

২.৫ সামৰণি মাৰো আঁহক

২.৬ আপোনাৰ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰসমূহ
২.৭ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগপুথি
২.৮ গোট সমাপ্তিৰ অনুশীলনী

**২.০ অৱতাৰণা**

ইয়াৰ আগৰ অধ্যায়ত আপোনালোকে ইতিমধ্যে কলা শিক্ষাৰ প্ৰাথমিক পৰ্যায়ত ইয়াৰ গুৰুত্ব, প্ৰয়োজন আৰু মহত্ত্বৰ বিষয়ে শিকিলে। আপোনালোকে অনুভৱ কৰিলে যে কলা শিক্ষা হ'ল শিক্ষণৰ এটা প্ৰাথমিক দ্বাৰ আৰু উল্লাস আৰু সৌন্দৰ্যৰ শিক্ষাৰ আৱিষ্কাৰৰ এটা সুন্দৰ ভ্ৰমণ। কলা হৈছে মানুহৰ কল্পনা, দক্ষতা আৰু উদ্ভাৱনৰ দ্বাৰা সৃষ্টি হোৱা আদৰ্শসমূহৰ এক প্ৰকাশ। লগতে কলা শিক্ষা হ'ল শিক্ষণৰ এটা ক্ষেত্ৰ যি নিম্নোক্তসমূহৰ ওপৰত নিৰ্ভৰশীল—

— চাক্ষুষ, বাস্তব কলা
— পৰিবেশ্য কলা

বৰ্তমানৰ এই অধ্যায়ত আমি চাক্ষুষ, বাস্তৱ কলাৰ সূক্ষ্ম তাৰতম্যসমূহ আলোচনা কৰিম। প্ৰাচীন কালত প্ৰাৰম্ভিক যুগত মানুহে সেই সময়ছোৱাত ভাব-ভংগীৰ সহায়ত সিহঁতৰ মাজত ভাৱ প্ৰকাশ কৰিছিল যিহেতু কথনৰ বাবে কোনো নিৰ্দিষ্ট ভাষা নাজানিছিল। মানৱ মনোবিজ্ঞান, সেয়েহে সদায় অৱগত যিহেতু ইয়াত যিকোনো অভিনয় উন্নত কৰা হয় সেয়েহে ই, সিহঁতে আগতে কি কাৰ্য্য কৰিছিল আৰু দৈনন্দিন জীৱনত কি উদ্ভাৱন কৰিছিল, অনুমান কৰিব পাৰে। এই সময়ত সেয়েহে তেওঁলোকে ভাব প্ৰকাশ কৰিবলৈ চাক্ষুষৰ সহায়ত গুহাৰ বেৰবোৰত প্ৰকাশ কৰাৰ উপায় অৱলম্বন কৰিছিল। আমি আজিকালি দেখা গুহাকলা সেই সময়ৰ স্বচ্ছ প্ৰকাশৰ উদাহৰণ। এই সমূহ পিছৰ প্ৰজন্মৰ বাবে এটা আশীৰ্বাদ যিহেতু এই দৃশ্যসমূহে ইতিহাস দৰ্শায় এক ৰেকৰ্ড পৰিবেশন কৰে। এইসমূহে মানুহৰ মনত, কেৱল শব্দতকৈ, বেছি সাঁচ বহুৱাই থৈ যায়।

এই অধ্যায়ত আপোনালোকে কলা শিক্ষাৰ বিভিন্ন পদ্ধতি আৰু সামগ্ৰী আৰু কিছুমান নিৰ্দিষ্ট কৌশল প্ৰয়োগেৰে উদ্ভাৱন আৰু পৰীক্ষণ সম্পৰ্কে শিকিব। যিহেতু আমি জানো যে চাক্ষুষ কলা হ'ল এটা আদৰ্শ, ধাৰণা, অনুভৱ অথবা আৱেগৰ যোগাযোগ। যিকোনো মাধ্যমৰ বহিঃপ্ৰকাশে পৰিবেশৰ পৰ্যবেক্ষণ, সামগ্ৰীৰ উদ্ভাৱন, মুক্ত প্ৰকাশৰ, সুযোগ প্ৰদান, এজন ব্যক্তিৰ বোধ, সৃষ্টিশীলতা, সংবেদনশীলতা আৰু শিশুসকলৰ সৌন্দৰ্য বিকাশৰ দক্ষতা সমৃদ্ধিশালী কৰি তোলে। ই শিল্পীসকলৰ অনুভৱ, প্ৰকাশ, মায়া/বিভ্ৰম, কল্পনা ইত্যাদিৰ মাজত যোগাযোগ স্থাপন কৰে। ই অতীতৰ ঘটনাসমূহক বিভিন্ন কৌশলেৰে সংৰক্ষণ কৰি ৰখা এটা ৰেকৰ্ড, যিয়ে আগৰ প্ৰজন্ম সম্পৰ্কে বোধ বিকাশত সহায় কৰে। সেয়েহে এটা শিশুৰ সামগ্ৰিক বিকাশৰ বাবে এজন শিক্ষকে চাক্ষুষ কলাৰ কিছু মৌলিকতা সম্পৰ্কে সজাগ হ'ব লাগে। চাক্ষুষ কলাসমূহ বিভিন্ন মাধ্যম, সামগ্ৰী আৰু কৌশলৰ ব্যৱহাৰৰ দ্বাৰা পৰিবেশন আৰু ৰূপায়ন কৰিব পাৰি। তাৰ ভিতৰত কিছুমান হ'ল, পেইণ্টিং, ছবি আঁকা, স্থাপত্য, ভাস্কৰ্য শিল্প, ছপা প্ৰস্তুত, ক'লাজ, পুতলা নিৰ্মাণ আৰু ফটোগ্ৰাফী। ছাত্ৰ-ছাত্ৰী/শিশুসকলক বিভিন্ন সামগ্ৰী আৰু মাধ্যমৰ জৰিয়তে উদ্ভাৱন আৰু পৰীক্ষণ কৰিবলৈ উৎসাহ জনাব লাগে যাতে আদৰ্শসমূহৰ ৰূপায়ণ আৰু যোগাযোগ সম্ভৱ হয়।

**২.২ শিকণীয় উদ্দেশ্য**

এই অধ্যায়টো পঢ়াৰ পিছত আপুনি আপোনাৰ শ্ৰেণীত খুব সহজতে ছবি অঁকা, আৰু পেইণ্টিং, শিল্প কাৰ্য ইত্যাদিৰ পদ্ধতিসমূহ বিকাশ আৰু ৰূপায়ণ কৰিব পাৰিব। পিছলৈ আপুনি সমাপ্ত কৰা কাৰ্য আৰু এটা শিশুৰ শ্ৰেণীত লাহে লাহে হোৱা উদ্ভাৱনসমূহ এটা ফ'ল্ডাৰ বনাই সংৰক্ষণ কৰি তাক বিশ্লেষণ কৰিবও পাৰিব।

এই অধ্যায়টো শেষ হোৱাৰ পিছত, আপুনি শিকিব যে—

১। চাক্ষুষ কলাৰ মৌলিকসমূহৰ জ্ঞান আৰু বোধ।

২। বিভিন্ন কৌশল, মাধ্যম আৰু সিহঁতৰ ব্যৱহাৰিক প্ৰয়োগৰ বোধ।

৩। শিশুসকলক পৰ্যবেক্ষণ আৰু উদ্ভাৱনৰ জৰিয়তে মুক্ত প্ৰকাশ আৰু সৃষ্টিশীলতাৰ বাবে উৎসাহিত কৰা।

৪। ভাৰতবৰ্ষত থকা বিভিন্ন পাৰম্পৰিক আঞ্চলিক কলাসমূহৰ চিনাক্তকৰণৰ দ্বাৰা শিশুসকলৰ সাংস্কৃতিক বৈচিত্ৰতাৰ বোধ বিকাশ কৰা।

৫। সৰু অথবা ডাঙৰ প্ৰকল্পত একেলগে আদান-প্ৰদানৰ দ্বাৰা কাম কৰিব দি শিশুসকলৰ মাজত মূল্যবোধ সৃষ্টি কৰা।

**কলাৰ বুনিয়াদী ভিত্তি**

তাৎক্ষণিক পৰিবেশৰ পৰা উদ্ভাৱন আৰু বোধৰ জৰিয়তে কলা শিক্ষণৰ কিছুমান বুনিয়াদী ভিত্তি হ'ল—

১। ৰেখা — বিভিন্ন ধৰণৰ ৰেখা পোৱা যায়, পাতল, ডাঠ, ভঙা আৰু চিধা। প্ৰতিডাল ৰেখাই বিভিন্ন চৰিত্ৰক সূচায়।

(ক) অনুভূমিক ৰেখাই বিশালতাক দৰ্শায়, যেনে— ৰাস্তা-ঘাট, ৰে'লৰ শাৰী।

(খ) উলম্ব ৰেখাই বিশালতাক চিহ্নিত কৰে। যেনে— অট্টালিকা (ওখ)

(গ) তিৰ্যক ৰেখাই গতিক দৰ্শায়। যেনে— পৰ্বত, নৃত্যৰ অংগ-ভংগী।

(ঘ) বক্ৰৰেখাই সৌন্দৰ্য্য/নান্দনিক আবেদন সূচায়। যেনে— ফুল, ডাঁৰ।

(ঙ) ঢৌ দেখুৱা ৰেখাই জীৱনৰ সংকেতসমূহ দৰ্শায়। যেনে— পানীৰ ঢৌ।

(ত) আঁক-বাক ৰেখাই আমাক তথ্য যোগান ধৰে। যেনে— উপগ্ৰহৰ ঢৌ অথবা উচ্চ স্পীকাৰ।

২। আকাৰ— ই ক্ষেত্ৰ, চৰিত্ৰ আৰু ভিন্ন সমোচ্চ আকাৰক দৰ্শায়। ই জ্যামিতিক বা জৈৱিক হ'ব পাৰে।

(ক) জ্যামিতিক— বৰ্গ, বৃত্ত, ত্ৰিভুজ ইত্যাদি।

(খ) জৈৱিক— প্ৰকৃতিৰ পৰা পোৱা আকাৰ। যেনে— ফুল ইত্যাদি।

যিহেতু প্ৰাকৃতিক বস্তুবোৰ ভিন্ন আকাৰৰ হয়, ইয়াৰ পৰা শিশুসকলে সহঃসম্বন্ধৰ ধাৰণা লাভ কৰাত সহায় পাব।

৩। ৰূপ — ই এটা আকাৰ যিটো খুব ডাঠ বা গভীৰতাৰ সৈতে ত্ৰিমাত্ৰিক হয়। ইয়াক দুটা বা ততোধিক আকাৰ লগ লগাই সৃষ্টি কৰিব পাৰি। ইয়াক ৰং, গঠনবিন্যাস আৰু গাঢ় ৰঙেৰে বিকশিত কৰিব পাৰি। যেনে— গছ-গছনিৰ ৰূপ, অট্টালিকা, গাড়ী ইত্যাদি।

৪। ৰং — ইয়াক এটা উপৰিভাগৰ পাতল প্ৰতিফলনৰ দ্বাৰা দেখা যায়। আমাৰ

চাৰিওফালে বিভিন্ন ৰং আছে। যেনে—

(ক) প্ৰাথমিক ৰং— ৰঙা, হালধীয়া আৰু নীলা।

(খ) দ্বিতীয় ৰং — যেতিয়া প্ৰাথমিক ৰংসমূহ যোগ দিয়া হয়। যেনে— ৰঙা+হালধীয়া = কমলা

(গ) ডাঠ ৰং — ৰঙা, হালধীয়া আৰু কমলা।

(ঘ) শান্ত ৰং — বেঙুণীয়া, সেউজীয়া আৰু নীলা

৫। ঠাই — এইটো এটা ক্ষেত্ৰ য'ত ক'লা ৰূপসমহ সৃষ্টি কৰা হয়। তাকে ঠাই বোলে।

৬। গঠনবিন্যাস— এটা বস্তুৰ অনুভৱক গঠন বিন্যাস বোলে। ই দুই প্ৰকাৰৰ হয়— বাস্তৱ আৰু অস্পষ্ট/নিহিত গঠনবিন্যাস।

(ক) বাস্তৱ গঠনবিন্যাস এনে এটা গঠনবিন্যাস যাৰ অনুভৱ আপুনি চকু মুদাৰ পিছতো কৰিব পাৰে।

(খ) অস্পষ্ট/নিহিত গঠনবিন্যাস এনে এটা গঠনবিন্যাস যাৰ গঠন বিন্যাস থকা যেন লাগে কিন্তু চকু মুদি ইয়াক অনুভৱ কৰিব নোৱাৰি। যেনে— এখন ছপা কাগজত থকা গছ এডালৰ গঠনবিন্যাস থকা যেন লাগে কিন্তু যেতিয়া ইয়াক কোনোবাই স্পৰ্শ কৰে, ইয়াৰ কোনো গঠনবিন্যাস নাথাকে, ই মসৃণ হৈ থাকে। কিন্তু এজন ব্যক্তিয়ে এডাল বাস্তৱ গছৰ গঠনবিন্যাস স্পৰ্শ কৰি অনুভৱ কৰিব পাৰে।

৭। মূল্য— এটা ৰঙৰ পাতল আৰু গাঢ়তাই হ'ল ইয়াৰ মূল্য। যিহেতু আমি জানো যে চাক্ষুষ ক'লা হৈছে এটা আদৰ্শ, এটা ধাৰণা, এটা অনুভৱ, এটা আৱেগ ইত্যাদি বিষয়ৰ আদান-প্ৰদান। ফলপ্ৰসূভাৱে যোগাযোগ স্থাপন কৰিবলৈ, শিক্ষক জন চাক্ষুষ কলাৰ মৌলিকতাসমূহৰ বিষয়ে জ্ঞাত হ'ব লাগিব, এইটো শিক্ষকজনৰ বিষয়ে প্ৰয়োজনীয় নহয় যে তেওঁ শিশুসকলক বুনিয়াদীখিনি শিকাব লাগিব কিন্তু এজন শিক্ষক সুবিধা প্ৰদানকাৰী অথবা এজন পৰামৰ্শদাতা হিচাপে এই মৌলিকতাসমূহ জনাটো দৰকাৰ।

**চাক্ষুষ কলাৰ মৌলিক নীতিসমূহ এনে ধৰণৰ ঃ**

১। **দৃষ্টিভংগী ঃ** এটা কৌশল যিয়ে এটা দ্বি-মাত্ৰিক উপৰিভাগৰ ওপৰত এটা ত্ৰি-মাত্ৰিক পৃথিৱী উপস্থাপন কৰে। ই এখন সমতল উপপৃষ্ঠত ঠাই আৰু গভীৰতাৰ বিভ্ৰম সৃষ্টি কৰে। ই ওচৰত থকা বস্তু যিসমূহ উজ্জ্বল আৰু ডাঙৰ হয় সেইসমূহক দূৰৰ বস্তু, সৰু আৰু ম্লান ৰঙৰ বস্তু হিচাপে নিৰ্মাণ কৰি দেখুৱায়।

সাধাৰণতে এই ধাৰণাটো উচ্চ প্ৰাথমিক পৰ্য্যায়তহে শিশুসকলক বৰ্ণনা কৰি কোৱা হয়।

২। **ভাৰসাম্য ঃ** ই এটা গাথনিৰ সোঁফাল আৰু বাওঁফাল তুলনা কৰাৰ উপায়। ই দুই ধৰণৰ—

(ক) সাদৃশ্যক— যেতিয়া চাক্ষুষ ওজনৰ দুয়োফাল একে হয়, ইয়াক সাদৃশ্যক ভাৰসাম্য বোলে।

(খ) বৈসাদৃশ্যক— যেতিয়া দুয়োফাল প্ৰতিবিম্বিত কৰা নহয়, ই বৈসাদৃশ্যক ভাৰসাম্য।

৩। সংগতি— ই এটা পদ্ধতি য'ত, প্ৰভাৱসমূহক এটা আকৰ্ষণীয় সামগ্ৰিক চিত্ৰ প্ৰস্তুতৰ বাবে জোড়া লগোৱা হয়।

৪। তাল— যেতিয়া কলাৰ প্ৰস্তুত কৰা কাৰ্যসূহ এনে ধৰণৰ হয় যে ই নভবাকৈয়ে এটা ধাৰাত একে শাৰীতে গতি কৰে। এনেদৰে কলাৰ উপাদান আৰু মৌলিক নীতিসমূহৰ সজাগতাক নিঃসন্দেহে সাৰ্থক চাক্ষুষ গাঁথনি সৃষ্টিৰ প্ৰথম পদক্ষেপ বুলি ক'ব পাৰি।

কলাৰ এই উপাদানসমূহৰ জ্ঞানে শিক্ষকক শিশুৰ কাৰ্যসমূহ বিশ্লেষণ আৰু প্ৰসংশা কৰাত সহায় কৰিব আৰু শিশুসকলক এটা নতুন পৰিধীৰ মাজত সিহঁতৰ চাৰিওকাষে আৰু পৰিবেশ উদ্ভাৱন কৰাত সহায় কৰিব, যেনেকৈ এটা দৃশ্যই হাজাৰটা কথা কয়।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ১**

১। আপুনি প্ৰাৰম্ভিক যুগত চাক্ষুষ কলাক বিচাৰি পায় নে?
(শুদ্ধ/অশুদ্ধ)

২। চাক্ষুষ কলাত এইসমূহ অন্তৰ্ভুক্ত হৈ থাকে পেইন্টিং, ........................................

৩। চাক্ষুষ কলাই সংবেদনশীলতা, মুক্ত প্ৰকাশ, সৃষ্টিশীলতা আৰু ..............................
....................................................... প্ৰসংশা বিকাশত সহায় কৰে।

৪। ৰেখা হৈছে চাক্ষুষ কলাৰ এটা .........................................................................।

৫। ......................................................................... সমূহ হৈছে প্ৰাথমিক ৰং।

৬। এটা ছপা মাধ্যমত আপুনি এডাল গছৰ গঠনবিন্যাস অনুভৱ কৰিব পাৰে নে (হয়/নহয়)

---

## ২.২ চাক্ষুষ কলা আৰু শিল্পৰ বিভিন্ন সামগ্ৰীৰ সৈতে পৰীক্ষণ

এটা কলাৰ কাৰ্য প্ৰস্তুত কৰিবলৈ প্ৰস্তুতকৰ্তাক প্ৰয়োজন হোৱা উপাদান বা আহিলাই হৈছে সামগ্ৰী। শিশুসকলক প্ৰকাশৰ মাধ্যম হিচাপে বিভিন্ন সামগ্ৰী, যেনে— পেঞ্চিল, ৰং, ব্ৰাছ, আঠা ইত্যাদিৰ ব্যৱহাৰৰ দ্বাৰা উৎসাহিত কৰি, অনুপাত, গভীৰতা, পাতল, ছায়া/শ্বেড আৰু গাঢ়তা ইত্যাদি সংবেদনৰ বিকাশ কৰিব লাগে। সিহঁতে কাগজৰ বিভিন্ন আকাৰ, উন্নত উপায়েৰে ব্যৱহাৰ কৰিব পাৰে। প্ৰত্যেক সামগ্ৰীৰ গাতেই অদ্বিতীয় বৈশিষ্ট্য আৰু গুণ থাকে। সামগ্ৰীসমূহ আমাৰ চাৰিওফালে সহজলভ্য, যেনে— পাত, কলি, শুকান ফুল, কাপোৰৰ টুকুৰা, কাগজৰ টুকুৰা ইত্যাদি। আমি কেৱল আমাৰ চাৰিওফালে চাই আমাৰ চাৰিওকাষৰ পৰা আমাৰ ইচ্ছা অনুযায়ী সামগ্ৰীসমূহ উদ্ভাৱন কৰি আৰু গোটাই লৈ কলাৰ কাৰ্যসমূহ প্ৰস্তুত কৰিব লাগে।

প্ৰাৰম্ভিক যুগৰ মানুহখিনিয়ে সিহঁতৰ অনুভৱ আৰু চিন্তা-ভাবনাসমূহ প্ৰকাশ কৰিবলৈ প্ৰকৃতিৰ পৰা প্ৰাকৃতিক সামগ্ৰীসমূহউদ্ভাৱন কৰিছিল। যেনে— এটা পাথৰৰ টুকুৰা অথবা পাতৰ ৰস, ফল-মূল, শিলগুটি ইত্যাদি সমূহ, গুহাৰ বেৰত মানুহ আৰু জীৱ-জন্তুৰ ছবি আঁকিবলৈ ব্যৱহাৰ কৰিছিল সিসমূহ কেইবা বছৰ ধৰিও বৰ্তি আছে। প্ৰাৰম্ভিক যুগৰ মানুহে আপুনি যেনেদৰে এতিয়া পেঞ্চিল ব্যৱহাৰ কৰে ঠিক তেনেদৰে শিলগুটি ব্যৱহাৰ কৰিছিল।

**২.২.১ পেঞ্চিল**

শিশুসকলে খুব কম বয়সৰ পৰাই সিহঁতক পেঞ্চিল দিয়া মাত্ৰকে, আঁক-বাক কৰিব লয়। ই, সিহঁতৰ মনৰ ইচ্ছা কাগজত লিখি প্ৰকাশ কৰাৰ আটাইতকৈ সহজলভ্য মাধ্যম আৰু এটা আহিলা।

**পেঞ্চিলৰ প্ৰকাৰ**

— গ্ৰেফাইট পেঞ্চিল— এইবোৰ হৈছে সচৰাচৰ পোৱা পেঞ্চিল যি কাঠেৰে আবৃত্ত। এই সমূহ বোকামাটি আৰু গ্ৰেফাইটৰ সংমিশ্ৰণৰে বনোৱা হয়। ইয়াৰ গাঢ়তা ছাই ৰঙৰ পৰা কলা ৰঙৰ ভিতৰত পোৱা যায়।

পেঞ্চিলসমূহ অতি ডাঠৰ (এইচ)ৰ পৰা অতি কোমল আৰু ক'লাৰঙৰ (বি) মাজত পোৱা যায়।

এইচ, ২এইচ, বি, এইচ বি, ৩ বি, ২ বি, ৫ বি, ৬ বি

নক্সা আঁকিবলৈ উপলব্ধ পেঞ্চিলসমূহ ঃ

এইচ বি — ডাঠ ক'লা, লিখিবলৈ ব্যৱহৃত হয়।

২ বি — ২ ক'লা, পাতল, ছায়া দিবলৈ ব্যৱহৃত হয়

৪ বি — ৪ ক'লা, মাধ্যমীয়া শ্বেড দিবলৈ ব্যৱহৃত হয়

৬ বি — ৬ ক'লা, ঘন শ্বেড দিবলৈ ব্যৱহৃত হয়

**ৰঙীন পেঞ্চিল ঃ**

ইয়াত ৰঞ্জ পদাৰ্থ আৰু অন্যান্য পৰিপূৰণৰ দ্বাৰা মম সদৃশ্য অন্তঃস্থল আছে, ইয়াত ভিন্ন ৰংসমূহ একেলগে মিশ্ৰণ কৰা হয়।

**কিছুমান টিপ ঃ**

ৰঙীন পেঞ্চিল কৌশল

পক্ষোদগম

এটা ক্ষেত্ৰ ৰঙা কৰা আৰু এটা পাতল ৰঙেৰে ইয়াৰ ওপৰত কোমলকৈ আঁকা যাতে বাস্তৱ ক্ষেত্ৰখন দেখুওৱাব পৰা যায়।

ফটো

**মিশ্ৰণ**

এটাৰ ওপৰত আন এটা ভিন্ন ৰং লগোৱা যাতে এটা বৃহৎ ৰঙৰ প্ৰসাৰ আৰু শ্বেড/ছায়া লাভ কৰিব পাৰি।

ফটো

**ঘৰ্ষণ**

ৰংসমূহ পলিশ কৰিবলৈ আপুনি ইতিমধ্যে অঁকা ৰঙৰ চাৰিওফালে এডাল বগা ৰঙৰ পেঞ্চিল ব্যৱহাৰ কৰক পিছলৈ এই কৌশলৰ দ্বাৰা আপুনি ৰংসমূহ পাতল কৰিবলৈ মিশ্ৰণ কৰিব পাৰিব।

ফটো

**খোদিত কৰা**

এখন স্ক্ৰেপ কাগজ আপোনাৰ ছবি অঁকা কাগজখনৰ ওপৰত পাৰি লওঁক। এটা বলপেনৰ সহায়ত, আপোনাৰ আৰ্হি আঁকিবলৈ হেঁচা প্ৰয়োগ কৰক। স্ক্ৰেপ কাগজখন আঁতৰাই দিয়ক আৰু খোদিত কৰা অংশৰ ওপৰত পেঞ্চিলৰ অংশ/কাষ মচি দিয়ক।

ফটো

- চাৰ্কোল/কাঠকয়লা/এঙাৰ পেঞ্চিল— এইবোৰ চাৰ্কোল/কাঠকয়লাৰ/এঙাৰৰ দ্বাৰা নিৰ্মিত। আৰু গ্ৰেফাইট পেঞ্চিলতকৈ সহজতে দাগ বহে। সেয়েহে এইবোৰ ছবিঅঁকাত সহজতে দাগ সৃষ্টি কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি।
- পানীৰঙৰ পেঞ্চিল— সেইসমূহ পানী ৰঙৰ কৌশলত ব্যৱহাৰৈ কৰিবলৈ প্ৰস্তুত কৰা হয়। এই পেঞ্চিলেৰে বনোৱা ৰেখাসমূহ পানীত তিয়াই ব্ৰাছৰ সহায়ত বিয়পায় দিয়া হয়। যিবোৰ শিশুৱে পেইণ্টিংৰ সময়ত ব্ৰাছ ধৰিব নোৱাৰে, সিহঁতে পানীৰ লেখিয়া প্ৰভাৱ দেখুওৱাবলৈ এনেধৰণৰ পেঞ্চিল ব্যৱহাৰ কৰে। ইয়াৰ দ্বাৰা ৰং কৰাৰ পিছত, পানীৰ এটা তৰপ প্ৰয়োগ কৰা হয় যিয়ে পানী ৰংসমূহত এটা মসৃণ প্ৰভাৱ আনি দিয়ে।

**কিছুমান টিপ**

পানী ৰঙৰ পেঞ্চিল কৌশল

নিমখ এছিকুট

এটা পটভূমি/পৃষ্ঠ ৰং কৰা, ইয়াক সেমেকিব দিয়া আৰু ইয়াৰ ওপৰত নিমখ ছটিয়াই দিয়া। আপুনি বৰফৰ টুকুৰাৰ দৰে এটা প্ৰভাৱদেখিব। এবাৰ ৰংখিনি শুকুৱাৰ পিছত আপুনি আপোনাৰ ছবি অঁকা কাম কৰি থাকিব পাৰিব।

**বিন্দু চিত্ৰণ**

এডাল লীড থকা পেঞ্চিল ব্যৱহাৰ কৰি এটা ৰূপৰেখা আঁকক। এডাল ভিজা ব্ৰাছেৰে পানী ৰঙৰ পেঞ্চিলৰ জোঙটো তিয়াই লোৱা হওক। কাগজৰ ওপৰত হেঁচা দিয়ক আৰু আপোনাৰ ৰূপৰেখাৰ ভিতৰত ৰং কৰিবলগীয়া অসংখ্য বিন্দু পুনৰাবৃত্তি কৰক। যদি একে ৰং এটা আনটোৰ ওচৰত ব্যৱহাৰ কৰে, এটা চকুৰ বিভ্ৰম সৃষ্টি হ'ব য'ত আপুনি আন এটা ৰং গঠন কৰিবলৈ ৰংসমূহ মিশ্ৰণ কৰিব। আপুনি পোহৰৰ প্ৰভাৱ দিবলৈ এই কৌশল ব্যৱহাৰ কৰিব পাৰে। যিহেতু আপুনি তৰা সদৃশ ছবি অঁকা দেখিছেই।

ফটো

**উজ্জ্বল প্ৰভাৱ**

আপোনাৰ সমাপ্ত কৰা ছবি পেইণ্টটোত চকচকীয়া উজ্জ্বলতা আনিবলৈ ইয়াক পানী মিশ্ৰিত আঠাৰে ঢাকি দিয়ক। আৰু অধিক উচ্চ উজ্জ্বল প্ৰভাৱৰ বাবে সাধাৰণভাৱে আঠাৰ কেইবা তৰপ ব্যৱহাৰ কৰক।

ফটো

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক ২**

১। শ্বেডিং/ছায়াৰ বাবে কেনেধৰণৰ পেঞ্চিল ব্যৱহাৰ কৰা হয়?

২। আমাৰ দৈনন্দিন জীৱনত লিখনৰ বাবে কেনেধৰণৰ পেঞ্চিল ব্যৱহাৰ কৰা হয়।

৩। কাঠকয়লা পেঞ্চিল ........................ কাৰণে ব্যৱহাৰ কৰা হয়।

---

**২.২.২ পেষ্টেল ৰং**

পেষ্টেল ৰং এডাল মাৰি আকৃতিৰ যি পাউদাৰ জাতীয় গুড়িৰঞ্জক পদাৰ্থৰে বন্ধনীৰ সৈতে গঠিত সৈতে।

**পেষ্টেল বিভিন্ন প্ৰকাৰ পোৱা যায় ঃ**

শুকান পেষ্টেল— শুকান পেষ্টেল দুই ধৰণৰ। কঠিন পেষ্টেল আৰু কোমল পেষ্টেল

**কঠিন পেষ্টেল**

- বেছি বন্ধনী, কম ৰঞ্জ পদাৰ্থ
- নক্সা আঁকিবলৈ ব্যৱহৃত হয়।
- ৰং কম উজ্জ্বলৰ হয়
- কোনো আঠাৰ প্ৰয়োজনীয় নহয়।

কোমল পেষ্টেল

- বেছি ৰঞ্জ পদাৰ্থ, কম বন্ধনী
- ছবিসমূহ অস্পষ্ট আৰু মিশ্ৰিত হয়
- ৰংসমূহ উজ্জ্বল
- অস্পষ্ট নহ'বলৈ সম্পূৰ্ণ হোৱা ছবিসমূহক আঠাৰ প্ৰয়োজন হয়।

**তৈল পেষ্টেল**

এইসমূহৰ কোমল গাঢ় আৰু উজ্জ্বল ৰং থাকে। এইসমূহ মিশ্ৰণ কৰিবলৈ কঠিন কিন্তু ছবি অঁকাত ৰঙৰ প্ৰভাৱ সৃষ্টি কৰিবলৈ ইয়াক কাপোৰ অথবা কপাহৰ টুকুৰা ব্যৱহাৰ কৰি মিশ্ৰিত কৰিব পাৰি। ইয়াক আঠাৰ প্ৰয়োজন নহয়। এটা উন্নত গুণৰ কৰ্টিৰিজ ছীট বা আনকি তৈল ছীটও ব্যৱহাৰ কৰিব পাৰি যিহেতু ইহঁতে সঠিকভাৱে ৰংসমূহ ধৰি ৰাখে। পেষ্টেল মাধ্যম পোনপ্ৰথমে লিঅনাৰ্ড' দা ভিন্সিয়ে উল্লেখ কৰিছিল। মাধ্যমটো উজ্জ্বল ৰঙৰ বহল প্ৰসাৰৰ বাবে জনপ্ৰিয় হৈ পৰিছিল।

কিছুমান ধেমেলীয়া কিন্তু ফলপ্ৰসূ ৰং কৰা পদ্ধতি।

ক্ৰেয়ন কেংশল

ফটো

**পেষ্টল প্ৰভাৱ**

যদিহে ক্ৰেয়ন ব্যৱহাৰ কৰোতে আপুনি অতি নৰমভাৱে হেঁচা প্ৰয়োগ কৰে, ৰঙবোৰ খুব কোমল হয়, প্ৰায় পেষ্টেলৰ দৰে।

**ভিত্তিচিত্ৰ/দেৱালৰ চিত্ৰ কৌশল**

এই কৌশলটো বিভিন্ন ৰঙৰ দুটা তৰপৰ ওপৰত ভিত্তি কৰে। প্ৰথমে কাগজ খিলা এটা পাতল ৰঙেৰে ভৰাই তোলক — ই বিভিন্ন ৰঙৰ বিভিন্ন কাষৰীয়া অঞ্চল হ'ব পাৰে এতিয়া পাতল ৰঙেৰে পৰিপূৰ্ণ কৰা অঞ্চলৰ ওপৰত কলা ক্ৰেয়নেৰে ঢাকি দিয়ক। এতিয়া এটা খুব চোকা/জোঙা বস্তু লওঁক আৰু এতিয়া ইয়াক কলা তৰপৰ ওপৰত দাগ বহুৱাব দিয়ক যাতে তলৰ ৰঙটো ওলাই পৰে।

ফটো

**বাটিক**

সম্পূৰ্ণ ছবিটো মম ক্ৰেয়নেৰে প্ৰথমে আঁকি লওঁক। তাৰ পিছত পৃষ্ঠভূমিত পানী ৰং বা মিশ্ৰিত ৰঙীন চিঁয়াহীৰে পেইণ্ট কৰক।

**পেষ্টেল কৌশল**

**বিভিন্ন সামগ্ৰী**

তৈলভিত্তিক পেষ্টেল ক্ৰেয়ন বিভিন্ন উপৰিভাগৰ ওপৰত ব্যৱহাৰ কৰিব পাৰি, যেনে— গ্লাছ, প্লাষ্টিক বা মৃৎশিল্প।

ফটো

**২.২.৩ পোষ্টাৰ ৰং**

এটা পোষ্টাৰ ৰং আঠা মিশ্ৰিত এটা পানীয় ৰং, যি অস্বচ্ছ আৰু সোণকালে শুকায়, যেনেদৰে আঠা। সেইসমূহ সাধাৰণতে গ্লাছৰ পাত্ৰত বিক্ৰী কৰা হয় আৰু ইয়াক প্ৰদৰ্শনী-কাৰ্ড ৰং অথবা টেম্পেৰা ৰং বুলিও কোৱা হয়। এই সমূহ প্ৰাচীৰপত্ৰ লিখন, কাৰ্ড নিৰ্মাণ ইত্যাদিত ব্যৱহাৰ কৰা হয়।

**পোষ্টাৰ ৰঙৰ ব্যৱহাৰ**

এই সমূহ বহলভিত্তিত প্ৰাকৃতিক দৃশ্য, পেইণ্টিং আৰু বাণিজ্যিক কলাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হয় আৰু চিত্ৰণ, প্ৰদৰ্শনী আৰু শৈক্ষিক কামতো ব্যৱহাৰ কৰা হয়। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক পোষ্টাৰ ৰং ব্যৱহাৰ কৰাৰ কৌশল সম্পৰ্কে মনত ৰাখিবলৈ পৰামৰ্শ দিব পাৰে যিহেতু ইয়াৰ বৈছি সংখ্যক/পৰিমাণৰ ৰং প্লেটত উলিয়াই তাক অতি কম পৰিমাণৰ পানীৰ লগত ইয়াক মিহলোৱা হয়। সিহঁতে ডাঠ আৰু সমৃণ হৈ থাকে। এইটো মনত ৰাখি বস্তুৰ গাঢ়তা যেনে বালি খৰখৰীয়া

আৰু আকাশ মসৃণ হয়, গতিকে এনেধৰণৰ গাঢ়তা পাবলৈ খৰখৰীয়া প্ৰভাৱ দিবলৈ ব্ৰাছডাল জোৰকৈ আৰু আকাশ/পানীৰ প্ৰভাৱ দিবলৈ ব্ৰাছডাল কোমল বা মিহিকৈ ঘূৰাব লাগে। শিশুসকলক গণতন্ত্ৰ দিৱস, অন্যান্য উৎসৱ বা যিকোনো অন্যান্য বিষয়, যেনে— প্ৰদূষণ, বনানীকৰণ অথবা গোলকীয় উষ্ণতা ইত্যাদিৰ ওপৰত পোষ্টাৰ/প্ৰাচীৰপত্ৰ প্ৰস্তুত কৰিবলৈ উৎসাহ জনাব লাগে। ছাত্ৰ-ছাত্ৰীসকলে পাতল ৰেখা বা সৰু সৰু ক্ষেত্ৰৰ বাবে ০, ২, ৪ নম্বৰৰ ঘূৰণীয়া কৃষ্ণবৰ্ণ চুলিৰ ব্ৰাছ ৰাখিব লাগে। ৫, ৬, ৮ নম্বৰসমূহ বৃহৎ অংশত ৰং কৰিবলৈ ব্যৱহাৰ কৰিব লাগে। সমতল ব্ৰাছবোৰ প্ৰাচীৰপত্ৰৰ ওপৰত লিখিবলৈ ব্যৱহাৰ কৰিব লাগে। ই শিশুটোক ব্ৰাছডাল সঠিকভাৱে ধৰাত সহায় কৰে।

**মনৰাখিবলগীয়া**

ব্ৰাছৰ চুলি/নোমবোৰ সঠিকভাৱে চাফা কৰিবলৈ এটুকুৰা ফটা কাপোৰ ৰাখিব লাগে আৰু যাতে এটা ৰং আনটো ৰঙৰ লগত মিশ্ৰিত নহয়, যিহেতু ই ৰঙবোৰ নাই কৰি পেলায়, এটা পানী ভৰ্তি পাত্ৰ প্ৰয়োজনীয় যাতে এটা ৰং ব্যৱহাৰ কৰাৰ পিছত আৰু আন এটা ৰং লোৱাৰ আগত ব্ৰাছডাল নিয়মিতভাৱে চাফা কৰিব পাৰি।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-৩**

১। শুকান পেষ্টেল দুই ধৰণৰ। সিহঁতৰ নাম কওঁক ...........................................

২। পেষ্টেল ...........................................................ৰ বাবে উত্তম মাধ্যম।

৩। তৈলভিত্তিক পেষ্টেল ক্ৰেয়ন ............................ৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

৪। পেষ্টেল মাধ্যম পোনপ্ৰথমে ..............................ৰ দ্বাৰা ব্যৱহাৰ কৰা হৈছিল।

৫। পেষ্টেল ৰং সমূহ অস্বচ্ছ হয় (শুদ্ধ/অশুদ্ধ)

৬। পেষ্টেল ৰংসমূহ ............................................................... বুলি কোৱা হয়।

---

২.২.৪ কলম আৰু চিঁয়াহী

পেঞ্চিল অংকনৰ দৰে কলম আৰু চিঁয়াহীৰ ব্যৱহাৰো একেই।

বজাৰত বিভিন্ন ধৰণৰ কলম পোৱা যায়, যেনে— সমনিব যুক্ত, ফাউণ্টেইন কলম ইত্যাদি। আমি প্ৰকৃতিৰ পৰাও কলম তৈয়াৰ কৰিব পাৰো, যেনে— মাৰি, বাঁহ, নলবন, কাউৰীৰ পাখি, নিব-কলম ইত্যাদি। প্ৰতিটো কলমেই কাগজৰ ওপৰত এক ধৰণৰ অদ্বিতীয় ৰেখাৰ সৃষ্টি কৰে যিটো উদ্ভাৱন আৰু পৰীক্ষা কৰাটো দৰকাৰ। শিশুসকলক কলম ব্যৱহাৰ কৰি ছবি আঁকিবলৈ, লিপিবিদ্যা আৰ্হিত লিখিবলৈ উৎসাহিত কৰিব লাগে আৰু ছবি অঁকাত আগ্ৰহ সৃষ্টি কৰিবলৈ সিহঁতে বন্দে মাতৰম, অথবা জয় হিন্দ আদি আকৰ্ষণীয় ৰূপত বিভিন্ন গাঢ়তাৰ কলম ব্যৱহাৰ কৰি লিখিব পাৰে।

বিভিন্ন কলমৰ কিছুমান উদাহৰণ ঃ

মসৃণ ৰেখাৰ কলম— জেল কলম, এড্ডিং, ষ্টেডটলাৰ, ৰটৰিং, বেৰল ইত্যাদি।

মাৰ্কাৰ কলম— একুৱাৰেলী মাৰ্কাৰ, ব্ৰাছ মাৰ্কাৰ, গ্লাছ আৰু শিল্প মাৰ্কাৰ, গ্ৰাফিক মাৰ্কাৰ ইত্যাদি।

সমান ফেল্ট কলম— একুৱাৰেলী পেন, বেৰল ফেল্ট কলম, ক্ৰেয়লা ফেল্ট কলম, বিশেষজ্ঞ শিল্প ফেল্ট কলম ইত্যাদি।

চিঁয়াহী

চিঁয়াহী হ'ল পানী কাৰ্বন, কাজল আৰু লাক্ষা আৰু অন্যান্যৰ মিশ্ৰিত সামগ্ৰীৰ মিশ্ৰণ। চিঁয়াহী পানীত ডুবি যায়, কিন্তু উপৰিভাগৰ পৰা আঁতৰোৱাটো কঠিন। চিঁয়াহী ব্যৱহাৰৰ বাবে কাগজৰ শুদ্ধ নিৰ্বাচন ফলপ্ৰসূভাৱে প্ৰয়োজনীয়।

চিঁয়াহী— এক্ৰিলিক চিঁয়াহী, অঙ্কন চিঁয়াহী, ভাৰতীয় চিঁয়াহী।

কিছুমান ধেমেলীয়া কিন্তু ফলপ্ৰসূ ৰংকৰা পদ্ধতি ঃ জলৰোধী চিএগ্ৰাহীৰ টোপোল কেইটামান পানীভৰ্তি টাব এটাত দিয়ক আৰু তাৰ পিছত এখন বগা কাগজ সাবধানেৰে পানীৰ ওপৰত ৰাখক। যেতিয়া এটা চুকত/কোণত ধৰি কাগজখন উঠাব, ইয়াত এটা সুন্দৰ ধৰণৰ আৰু মাৰ্বলসদৃশ প্ৰভাৱ দেখা পাব। শুকাবলৈ দিয়ক, এই কাগজখিলা উপহাৰ, বাকচ, কিতাপ ইত্যাদি ঢাকিবলৈ ব্যৱহাৰ কৰক।

### ২.২.৫ ৰংগোলী

ৰংগোলী ভাৰতবৰ্ষৰ এটা পৰম্পৰাগত সুসজ্জিত লোক কলা। এইবোৰ হিন্দুৰ উৎসৱ-পাৰ্বন আদিত চোতালত বনোৱা হয়। বিভিন্ন ৰাজ্যত বিভিন্ন ধৰণৰ সাজ-সজ্জা কৰা হয়। যেনে ৰাজস্থানত মণ্ডানা, বেংগলত আল্পনা ইত্যাদি। ৰংগোলীৰ আৰ্হিসমূহ সাধাৰণ জ্যামিতিক আৰ্হিৰ বা দেৱদেৱীৰ প্ৰভাৱৰ বনোৱা হয়। যেনে— স্বস্তিক, পদুমফুল অথবা লক্ষ্মীদেৱীৰ ভৰিৰ খোজ অথবা বিশদ আৰ্হিৰো বনোৱা হয়।

ৰাজ্য অনুযায়ী ৰংগোলী সামগ্ৰীসমূহ পৃথক হয়। কিছুমান ব্যৱহৃত সামগ্ৰী হ'ল—

১। শুকান চাউল অথবা আটা— য'ত হালধী, প্ৰাকৃতিক ৰংসমূহ মিহলোৱা হয়।

২। ফুল— ফুলৰ পাহিৰে পৰিপূৰ্ণ কৰি মজিয়াত ধৰণ/নক্সা অংকণ যেনে— গোলাপ, গেন্ধাইমালতী ইত্যাদি।

৩। বালি/কাঠৰ গুড়ি— মজিয়াত শুকান বালি/কাঠৰ গুড়িৰে পৰিপূৰ্ণ কৰা ধৰণ/নক্সা অঙ্কন।

৪। চাকি — এটা আকৰ্ষণীয় ৰূপত চাকিসমূহ সজাই নক্সা অঙ্কন। যেনে— পকাবৃত্ত অথা স্বস্তিকাৰ ৰূপ ইত্যাদিত ফাকুৱাৰ ৰং অথবা শুকান চাউলৰে পৰিপূৰ্ণ কৰি চাকিৰ সৈতে প্ৰত্যেক বৃত্তৰে সুন্দৰ নক্সা বনাব পাৰি।

**কিছু টিপ ঃ**

প্ৰকৃতিৰ পৰা লাভ কৰা সামগ্ৰী

শিশুসকলক বোকা, কলি, পাত, খোলা, শিলগুটি আদি ব্যৱহাৰ কৰি ৰংগোলী সৃষ্টি কৰিবলৈ, সৃষ্টিশীলমূলক চিন্তা কৰিবলৈ উৎসাহ জনাব লাগে। সিহঁতে চাৰিওকাষৰ পৰা সামগ্ৰীসমূহ গোটাবপাৰে। যিয়ে সিহঁতৰ পৰ্যবেক্ষণ ক্ষমতা উন্নীত কৰিব আৰু সিহঁতে প্ৰকৃতিৰ পৰা সৃষ্টিৰ প্ৰয়োজনীয় বস্তু বিচাৰিবলৈ ভাবিব ল'ব।

**২.২.৬**

**বোকামাটি**

সকলো বয়সৰ শিশুৱে মুক্তভাৱে মাটিৰে খেলি ভাল পায়। সিহঁতে মাটিৰে সিহঁতৰ চাৰিওকাষে দেখা বিভিন্ন প্ৰতিমূৰ্তিসমূহৰ গঢ় দিয়ে। প্ৰাথমিক পৰ্যায়ত মাটিৰে আকাৰ প্ৰস্তুত কৰাত অলপ সংখ্যক আহিলাৰ প্ৰয়োজন হয় যিহেতু সিহঁতে হাতেৰে মাটিখিনিৰ আকাৰ প্ৰস্তুত কৰিব লাগে। প্ৰাথমিক স্তৰত শিশুসকলে সিহঁতৰ হাতেৰে কৰা চেপা, ফুটা কৰা, চাপ দিয়া আৰু দাগ দিয়া ইত্যাদি কাৰ্য্যই সিহঁতৰ পেশীৰ সঞ্চালন বৃদ্ধি কৰে। মাটিখিনি পুৰাটো প্ৰয়োজনীয় নহয়, তাতকৈ বেছি দৰকাৰী হ'ল মাটিৰ দ্বাৰা কাৰ্য্য কৰি লাভ কৰা অভিজ্ঞতা। মাটিবোৰ কাষৰীয়া অঞ্চলৰ মৃৎশিল্পীৰ পৰা লাভ কৰিব পাৰি।

প্ৰাথমিক শ্ৰেণীত শিশুসকলে সিহঁতৰ হাতৰ তলুৱা ব্যৱহাৰ কৰি ফলক বনোৱা কলা শিকিব পাৰে, যাৰ ওপৰত সিহঁতে পৃথিৱীৰ ভূ-খণ্ডৰ ভাস্কৰ্য খোদিত কৰিব পাৰে। সিহঁতে এই ফলকসমূহ ঘূৰণীয়া কৰি, কাটি আৰু জোৰা লগাই এই ফলকৰ দ্বাৰা ঘৰ, অট্টালিকা, ৰাস্তা-ঘাট, গাড়ী-মটৰ ইত্যাদি গাথনিৰ ৰূপ প্ৰস্তুত কৰিব পাৰে। এই পাত্ৰসমূহ সিহঁতে ফুটাই বিভিন্ন আৰ্হি দেখুওৱাব পাৰে।

**প্ৰয়োজনীয়তা**

১। বোকামাটিৰ বিভিন্ন কাৰ্যৰ দ্বাৰা চকু আৰু হাতৰ সমন্বয়তা, বিকাশত সহায় হয়।

২। ই পেশী সঞ্চালনৰ কৌশল বিকাশ কৰে।

৩। ই সৃষ্টিশীলতাক সমৃদ্ধিশালী কৰি তোলে।

৪। শিকন প্ৰক্ৰিয়াটো আৰু অধিক আকৰ্ষণীয় আৰু আনন্দপূৰ্ণ কৰি তুলিব পাৰি।

৫। ই মনোযোগ বিকাশ কৰে আৰু কলা কাৰ্যসমূহত আগ্ৰহ সৃষ্টি কৰে।

৬। এই কাৰ্য কৰোতে আটাইকেইটা ইন্দ্ৰিয় ব্যৱহাৰ হয়। সেয়েহে শিকণ প্ৰক্ৰিয়া বাৰুকৈয়ে উপকাৰী হয় আৰু দীৰ্ঘসময়ৰ বাবে বৰ্তি থাকে।

**মনত ৰাখিবলগীয়া**

বিভিন্ন মাৰ্কা আৰু ৰঙৰ আধাৰত, বোকামাটি, বজাৰত কৃত্ৰিম বোকামাটিৰ ৰূপত সহজলভ্য। সেয়েহে শিক্ষকসকলক পৰামৰ্শ দিয়া হয় যে তেওঁলোকে কৃত্ৰিম বোকামাটিৰ বিপৰীতে প্ৰাকৃতিক মাটিহে যেন ব্যৱহাৰ কৰে।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৪**

১। চিঁয়াহী ................................ দ্ৰবীভূত।

২। প্ৰত্যেক কলমৰে একধৰণৰ অদ্বিতীয় ................................ থাকে।

৩। ......................, ..........................., ........................., আদি হ'ল ৰংগোলীৰ সামগ্ৰী।

৪। বোকামাটিয়ে পেশী কৌশল/দক্ষতা বিকাশত সহায় কৰে (শুদ্ধ/অশুদ্ধ)

৫। ......................... আৰু ............................. হ'ল দুটা বোকামাটিৰ আৰ্হি প্ৰস্তুত কৰাৰ পদ্ধতি (চাপ দিয়া আৰু ফুটা কৰা, পকোৱা)

---

### ২.২.৭ মিশ্ৰিত সামগ্ৰী

বিভিন্ন প্ৰকাৰৰ কলাকাৰ্য যেনে— ক'লাজ, ৰংগোলী, শ্ৰেণীকোঠাৰ পটভূমি, মঞ্চ উপস্থাপন সা-সৰঞ্জাম অথবা ভূখণ্ড আদি মিশ্ৰিত সামগ্ৰীৰে প্ৰস্তুত কৰিব পাৰি যিবোৰ কম খৰচী, অ-বিষপূৰ্ণ, পৰম্পৰাগত, অপৰম্পৰাগত হয়। আমি গুহাৰ পেইণ্টিং বা শিলতখোদিত পেইণ্টিংৰ পৰা জানো যে প্ৰাৰম্ভিক যুগৰ মানুহে প্ৰকৃতিৰ পৰা উদ্ভাৱন কৰি ৰংসমূহ ফুল, পাত, ঘাহ-বন, গছ-গছনিৰ বাকলি/গা-গছৰ বাকলি, খনিজ ইত্যাদিৰ পৰা বিচাৰি লৈছিল।

একেদৰে আমি তলত দিয়া সমূহ বিচাৰি অভিজ্ঞতা লাভ কৰিব পাৰো—

— গেৰুমাটিৰ পৰা মুগা ৰং।

— কয়লাৰ পৰা কলা ৰং।

— হালধীৰ পৰা হালধীয়া ৰং।

— পাত, ঘাঁহ-বন, শাকৰ পৰা সেউজীয়া ৰং।

— ফুলৰ পৰা আমি পাব পাৰো ঃ গোলাপৰ পৰা ৰঙা ৰং, গোন্ধাই মালীতৰ পৰা হালধীয়া, লেপিছ লাজুলী, ইণ্ডিগো বা অপৰাজিতাৰ পৰা নীলা ৰং ইত্যাদি।

(আমি ফুলৰ ৰং ব্যৱহাৰ কৰি এক সুন্দৰ মধুবনী কলা প্ৰস্তুত কৰিব পাৰো)

প্ৰাথমিক স্তৰত শিক্ষাত ওপৰোক্ত সামগ্ৰীসমূহক গুৰুত্ব দি, ক'লাজ বনাওঁতে পেষ্টেল শ্বীটৰ সলনি ব্যৱহাৰ কৰিব পাৰো, আমি চিলা কাগজো ল'ব পাৰো, যি কম খৰচী হয়। লগতে ক'লাজ, ছবি কাটি, বিভিন্ন ধৰণৰ শিল আৰু পাথৰ, পাত, খোলা, টিছুপেপাৰ, কাপোৰ ৰছী ইত্যাদিৰে বনাব পাৰো। মিশ্ৰিত সামগ্ৰীৰ লগত এনে ধৰণৰ অভিজ্ঞতাই শিক্ষণ নমনীয় কৰি তোলে আৰু যি সদায় পৰম্পৰাগত শিল্পীৰ মাধ্যমত নিৰ্ভৰশীল নহয়। ই শিশুসকলক সৃষ্টিশীল আৰু কাল্পনিক হোৱাত সহায় কৰে, যিহেতু, প্ৰত্যেক সামগ্ৰীত অদ্বিতীয় বৈশিষ্ট্য আৰু গুণ নিহিত হৈ থাকে।

তাৎক্ষণিক সহজলভ্য কম খৰচী মিশ্ৰিত সামগ্ৰী হ'ল—

(ক) কাগজ, কাৰ্টিৰিজ ছীট, পেষ্টেল, ভাজখোৱা কাগজ, চিলা কাগজ, চকচকীয়া কাগজ, আলোচনী কাগজ, টিছু কাগজ, বন্ধা কাগজ ইত্যাদি।

(খ) ৰং— পেঞ্চিল ৰং, মমক্ৰেয়ন, শুকান পেষ্টেল, পানীৰং, পোষ্টাৰ ৰং, প্ৰাকৃতিক ৰং, খনিজ ৰং ইত্যাদি।

(গ) ব্ৰাছ— ঘূৰণীয়া, শুকৰচুলি, সমান, পশুচুলি।

ঘ) পেঞ্চিল— ২ এইচ বি, ২ বি, ৪ বি, ৬ বি, ৮ বি, এইচ এইচ, কাঠকয়লা

ঙ) আঠা— ফেভিকল, ফেভিবাউণ্ড, গ্লু, ফেভিষ্টিক।

### ২.২.৮ শিল্প সামগ্ৰী

আমাৰ ঘৰৰ চাৰিবেৰৰ ভিতৰত, অজস্ৰ সামগ্ৰী সহজলভ্য হৈ থাকে কিন্তু, আমি ইয়াক অৱহেলা কৰো। এই আৱৰ্জনাসমূহৰ পৰা আমি উদ্ভাৱন কৰি শিল্প সামগ্ৰীসমূহ বিচাৰিব পাৰো,

যিসমূহৰ দ্বাৰা অদ্ভুত শিল্পসামগ্ৰী প্ৰস্তুত কৰিব পৰা যায়। আৱৰ্জনা সামগ্ৰী বা বৰ্জিত সামগ্ৰীৰ পুনঃব্যৱহাৰ এটা চমকপ্ৰদ অভিজ্ঞতা। অলপমান কল্পনা, সৃষ্টিশীলতা, কৌশল আৰু দক্ষতাৰে বস্তুবোৰক, সিহঁত কি, সেইটো নাচায়, সিহঁতৰ পৰা কি লাভ কৰিব পাৰি বা সিহঁত কি হ'ব পাৰে চোৱাটোহে এটা স্মৰণীয় আৰু ফলদায়ক অভিজ্ঞতা হ'ব পাৰে। এই ব্যৱস্থাই বাজেটতো সহায় কৰে। এনে ধৰণৰ উদ্ভাৱনে অভাৱনীয় ফলাফল আনিব পাৰে।

তলত দিয়া ধৰণে শিল্প সামগ্ৰীসমূহ সহজলভ্য হ'ব পাৰে।

১। প্লাষ্টিক জগ আৰু বটল।

২। খালী পাত্ৰ।

৩। খালী কাডবোৰ্ডৰ বাকচ আৰু কাৰ্টন।

৪। পুৰণি দাতমঞ্জন ব্ৰাছ।

৫। পুৰণি বটলৰ বিভিন্ন প্লাষ্টিক ঢাকনি।

৬। আলোচনী আৰু বাতৰিকাকত।

৭। পুৰণি আৰু ফটা-ছিঙা কাপোৰ।

৮। ৰছী, সুতা, মণি, সোণালী ফিটা, মৰাপাটৰ চুটলী ৰছী, ফোট, কপাহ।

৯। খাৰু, টাইলচ, চুইচ।

১০। খেৰ, পাইপ, পিপা, আইচক্ৰীম বাতি আৰু চামুচ।

১১। বাল্ব, টিউবলাইট, তাঁৰ ইত্যাদি।

১২। নাৰিকলৰ খোলা, বাদামৰ খোলা, কাজুবাদামৰ খোলা ইত্যাদি।

**আবৰ্জনা সামগ্ৰীৰ পৰা কেনেদৰে বস্তু বনাব পাৰি**

১। আপোনাৰ চাৰিওফালৰ পৰা বৰ্জিত সামগ্ৰীসমূহ গোটাওক যিবোৰ আকৰ্ষণীয় আৰু সম্ভৱপৰ ভিন্ন প্ৰকাৰৰ হয়।

২। আপুনি বাছি উলিওৱা বৰ্জিত সামগ্ৰীসমূহৰ পৰা এটা ধাৰণা প্ৰস্তুত কৰক।

৩। আপোনাৰ ধাৰণাক ৰূপ দিবলৈ প্ৰয়োজনীয় আহিলাসমূহ গোটাওক যেনে— ফেভীকল, কেঞ্চি, চুৰি, চেলো টেপ, ষ্টেপলাৰ ইত্যাদি।

৪। এতিয়া আপোনাৰ কল্পনাক বাস্তৱৰূপ দিয়াৰ সময়।

আপুনি কেতিয়াবা নেক চান্দে বনোৱা চণ্ডীগড়ৰ শিলৰ বাগিচা দৰ্শন কৰিছেনে? এইটো এটা বৰ্জিত সামগ্ৰী ব্যৱহাৰৰ অন্যতম মধুৰ উদাহৰণ আৰু সঁচাকৈয়ে আৱৰ্জিত সামগ্ৰীক এটা নতুন ৰূপ দিয়াৰ সুন্দৰ প্ৰয়াস।

মাতৃসম প্ৰকৃতি হ'ল এটা সামগ্ৰীৰে পৰিপূৰ্ণ বেগ। আমি খোলা, গছৰ ছাল, কলি, পাত, শিলগুটি, পাখি, গুটি, বালি আদি প্ৰকৃতিৰ মাজত বিচাৰিব পাৰো, যিবোৰ যদিহে উদ্ভাৱন কৰা হয়, এক চমকপ্ৰদ কলা কাৰ্যৰ ৰূপ প্ৰস্তুত কৰিব পৰা যাব। এই সামগ্ৰীসমূহৰ ব্যৱহাৰত কোনো ধৰণৰ আনুষ্ঠানিক কাৰুকাৰ্যৰ দক্ষতা আৰু প্ৰশিক্ষণৰ প্ৰয়োজন নহয়। যেতিয়া ছাত্ৰ-ছাত্ৰীসকলক অলপ সমৰ্থনীয় পৰামৰ্শ দিয়া হ'ব, সিহঁতে বোধ বিকাশ কৰিব আৰু আকাংক্ষিত উদ্দেশ্য লাভ কৰিবলৈ, উদ্ভাৱনমূলক শৈলী প্ৰয়োগ কৰিব।

যেনে— শিশুসকলে পুৰণি মোজা বা পুৰণি পুতলাৰে পুতলা নাচৰ পুতলা বনাব বাৰে।

সিহঁতে এটা পুৰণি পুতলাৰ মাজত এডাল মাৰি ভৰাই ইয়াক পুতলা নাচৰ পুতলাৰ লাঠিৰ দৰে পৰিচালনা কৰিব পাৰে। পুৰণি কাৰ্টন, বাকচ, খালী বটল ইত্যাদি ফুলৰ টাব বনাবলৈ ব্যৱহাৰ কৰিব পাৰে আৰু ইয়াক সহজতে সহজলভ্য সামগ্ৰী, যেনে— বুটাম, সোণালী পাৰি, সুতা, জুইশলাৰ কাঠি, সাঁফৰ, মণি-মুকুতা, বাদামৰ খোলা ইত্যাদিৰ মাজৰ পৰা ল'ব পাৰি। ই সিহঁতৰ ঘৰৰ চুক/কোণ এটা সু-সজ্জিত কৰাত সহায় কৰিব য'ত সিহঁতে আৱৰ্জনাৰ পৰা প্ৰস্তুত কৰা সামগ্ৰীসমূহ থ'ব পাৰিব যাতে যেতিয়াই প্ৰয়োজন হয় কিছুমান সামগ্ৰী আশামতে ল'ব পাৰি। উদ্ভাৱন আৰু পৰীক্ষাৰ এই প্ৰক্ৰিয়াত শিশুটোৱে কলাৰ উপাদনসমূহক সংযোজন ঘটাই, সৃষ্টি কৰিব আৰম্ভ কৰে।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৫**

১। মিশ্ৰিত সামগ্ৰী সমূহ .......................ৰ পৰা পোৱা যায়।

২। বজাৰৰ পৰা শিল্পসামগ্ৰীসমূহ অনাটো প্ৰয়োজনীয়। (শুদ্ধ/অশুদ্ধ)

৩। তলত দিয়া সমূহৰ পৰা কি ৰং পাব পাৰি—

(ক) গেৰু মাটিৰ পৰা —

(খ) কয়লাৰ পৰা —

(গ) হালধীৰ পৰা —

(ঘ) পাঁত, ঘাঁহ, শাকৰ পৰা —

(ঙ) লেপিজ লাজুলী, ইণ্ডিগো, অপৰাজিতাৰ পৰা —

---

## ২.৩ চাক্ষুষ কলা আৰু শিল্পৰ বিভিন্ন পদ্ধতিৰ দ্বাৰা উদ্ভাৱন আৰু পৰীক্ষা

### ২.৩.১ ছবি অঙ্কণ/চিত্ৰাঙ্কণ আৰু পেইণ্টিং

ছবি অঙ্কণ হৈছে চাক্ষুষ প্ৰকাশৰ এটা ৰূপ আৰু চাক্ষুষ কলাৰ এটা আটাইতকৈ ব্যৱহৃত ৰূপ। ছবি অঙ্কণৰ উদ্দেশ্য হ'ল বিভিন্ন ৰঙৰ গাঢ়তাৰ বিভিন্ন ৰেখা অথবা আকাৰ বনাই এটা দ্বি-মাত্ৰিক মাধ্যমত এটা চাক্ষুষ চিহ্ন প্ৰস্তুত কৰা।

কোনেও নাজানে যে অঙ্কণ কেতিয়াৰ পৰা আৰম্ভ হৈছে। কিন্তু মানুহে ঐতিহাসিক যুগৰ আৰম্ভণিৰ সময়ৰ পৰাই শিল্প আৰু গুহাবোৰত আকিবলৈ আৰম্ভ কৰিছিল। যেতিয়া চৌধ্যশ শতিকাৰ পৰা কাগজ সহজলভ্য হৈ পৰিল, ইয়াৰ ওপৰত চিত্ৰাঙ্কণ আৰম্ভ হ'ল। চিত্ৰাঙ্কণ আৰু পেইণ্টিং-এ আৱেগ আৰু পৰিঘটনাসমূহক মূৰ্ত ৰূপ দিয়াত সহায় কৰে যিটো এটা শিশুৱে কথন/লিখন ৰূপত প্ৰকাশ কৰিব নোৱাৰে। এই কলা ৰূপে সিহঁতৰ আদৰ্শ আৰু প্ৰতিচ্ছবিসমূহক কাগজত ৰূপ দিয়াত এক ৰন্ধ্ৰ হিচাপে কাম কৰে। যেনে— এটা সৰু শিশুৱে যিয়ে আইচক্ৰীম ভাল পায় সি ইয়াৰ ছবি, কাগজত বনাই ভাল পায় বা বেলুন, ঘৰ, পিতৃ-মাতৃ, বিদ্যালয়, ফুল, গাড়ী ইত্যাদিৰ ছবি। সিহঁতে, ইয়াক, সিহঁতে যি দেখে, বা যাক আটাইতকৈ ভাল পায়, সেইটো প্ৰকাশ কৰাৰ এক মাধ্যম হিচাপে লয়। কেতিয়াবা সিহঁতে নিজে আঁকা পেইণ্টিং ওপৰত সাধুকথা বৰ্ণনা কৰিও ভাল পায়।

**চিত্ৰাঙ্কণ**

চিত্ৰাঙ্কণৰ বাবে ব্যৱহৃত সাধাৰণ সঁজুলিসমূহ এনে ধৰণৰ—

— চকমাটি
— কাঠকয়লা
— কঠিন তৈলযুক্ত ক্ৰেয়ন
— ক্ৰেয়ন
— গ্ৰেফাইট
— পেষ্টেল
— মাৰ্কাৰ
— কলম আৰু চিঞাহী
— পেঞ্চিল
— চিয়াহীযুক্ত ব্ৰাছ

এইসমূহ এটা জোঙৰ সৈতে এডাল লাঠিৰ ৰূপৰ যিয়ে পদাৰ্থসমূহ ভিত্তিলৈ মাধ্যমৰ দ্বাৰা স্থানান্তৰ কৰে। বেছিভাগ চিত্ৰাঙ্কণ মাধ্যম হয়তো শুকান (যেনে— গ্ৰেফাইট, কাঠকয়লা, পেষ্টেল, কঠিন তৈলযুক্ত ক্ৰেয়ন) অথবা পনীয়া দ্ৰব্য ব্যৱহাৰৰ হয় (যেনে— মাৰ্কাৰ, কলম আৰু চিঞাহী)

**চিত্ৰাঙ্কণৰ ভিত্তিসমূহ/তলসমূহ হ'ল—**

১। কাগজ
২। কেনভাচ/চিত্ৰপট
৩। ধাতু
৪। কাঠ
৫। প্লাষ্টাৰ/চূণলেপ
৬। দেৱাল

**পেইন্টিং**

পেইন্টিং হ'ল ৰঞ্জপদাৰ্থসমূহ উপৰিভাগত লগোৱা এটা পদ্ধতি। ৰঞ্জপদাৰ্থসমূহ পেইণ্ট, ক্ৰেয়ন বা অন্যান্য সামগ্ৰীৰো হ'ব পাৰে যাক হাত/আঙুলি, চুলি, হেতা ইত্যাদিৰে লগাব পাৰি।

**পেইন্টিঙত ব্যৱহৃত ৰঙৰ প্ৰকাৰ ঃ**

১। প্ৰত্যক্ষ ৰং ঃ শুষ্ক পেষ্টেল, ক্ৰেয়ন, ৰং পেঞ্চিল আদি এই শ্ৰেণীৰ ৰঙত অন্তৰ্ভুক্ত। এইসমূহ সৰু সৰু ল'ৰা-ছোৱালীৰ দ্বাৰা সহজতে ব্যৱহাৰ কৰিব পাৰি। আৰু সেয়েহে প্ৰাথমিক পৰ্য্যায়ত ৰং কৰিবলৈ এটা শিশুক এই ৰংসমূহৰ লগত পৰিচয় কৰাই দিব লাগে, যিহেতু ইয়াত কোনো কঠোৰ আনুসংগিক সা-সৰঞ্জাম প্ৰয়োজন নহয়।

২। তৈল ৰং ঃ এইসমূহত টিউবত ভৰোৱা থাকে। এইসমূহক পেইন্টিঙৰ বাবে টাৰপিন তেলৰ লগত দ্ৰবিভূত কৰিব লাগে। এই পেইন্টিং সাধাৰণতে ফলক বা চিত্ৰপটত আঁকা হয়।

এই ৰংসমূহ ডাঙৰ শিশুসকলৰ দ্বাৰা ব্যৱহাৰ কৰা হয় যিহেতু ইয়াত আনুসঙ্গিক সা-সৰঞ্জামৰ প্ৰয়োজন হয় আৰু এইবোৰ পৰিচালনা কৰিবলৈ কঠিন।

৩। পানী ৰঙ/পোষ্টাৰ ৰং ঃ পানীৰঙ পেইণ্টিং, তৈল পেইণ্টিংতকৈ পুৰণি। সাধাৰণতে কেৱল প্ৰয়োজন হোৱা মাধ্যম হৈছে পানী। পানীৰংসমূহ স্বচ্ছ, সেয়েহে এজন ব্যক্তিয়ে ৰং, এটাতকৈ অধিক তৰপ পেইণ্টিং কৰিব পাৰে। পানী ৰঙৰ দ্বাৰা কৰা পেইণ্টিং প্ৰত্যেকৰে অধিক সুবিধা প্ৰদান কৰে। যিহেতু এইসমূহ ৰং পেঞ্চিল, পেষ্টেল, কলম আৰু চিঁয়াহী আৰু যিকোনো বস্তু যি পানীৰ লগত মিশ্ৰিত হয় আদিৰ দ্বাৰা ব্যৱহাৰ কৰিব পাৰি।

২.৩.২ ব্লক/খণ্ড পেইণ্টিং

ছপা হৈছে চাপ সৃষ্টিৰ এটা আকৰ্ষণীয় পদাৰ্থ। ই এটা বুঢ়াআঙুলি ষ্টেম্প পেডত দি হেঁচা মাৰি আঙুলিৰ চাপ বনোৱাৰ দৰেই সহজ।

**শাক-পাচলিৰ ছাপ ঃ** শাক-পাচলিৰ যেনে— আলু, পিঁয়াজ, কবি, কেপচিকাম ইত্যাদি কাটি, ইয়াক ৰং বা পেইণ্টত ডুবাই কাগজৰ ওপৰত ছপা অথবা চাপ সৃষ্টিৰ বাবে ব্যৱহাৰ কৰিব পাৰি। এই ছাপসমূহ শিক্ষা বা আনকি ধেমালীৰ বাবেও সৃষ্টি কৰিব পাৰি।

**প্ৰকৃতিৰ ছাপ ঃ** প্ৰকৃতিত পোৱা বস্তুসমূহৰ দ্বাৰাও ছপা কাৰ্যৰ বাবে ব্যৱহাৰ কৰিব পাৰি। যেনে— পাত বা নোম, পাখি, কাঠৰ টুকুৰা বা গছৰ ডাল।

**হাত/আঙুলি/বুঢ়াআঙুলিৰ ছাপ ঃ** শিশুসকলে সিহঁতৰ আঙুলি বুঢ়াআঙুলি বা আনকি হাতত পেইণ্ট কৰিবও ভাল পায়। হাত আৰু আঙুলিসমূহ ডাঠ পেইণ্টত ডুবাই তাৰ পিছত কাগজত হেঁচা দি ছাপ বহুৱায়। এই ছাপৰ দ্বাৰা বিভিন্ন জীৱ-জন্তু, চৰাই, শাক-পাচলি, মুখাবয়ব ইত্যাদি সৃষ্টি কৰিব পাৰি।

**টিপ ঃ**

১। বুঢ়াআঙুলি-ঘন ছবি বা আনকি মুখাবয়ব সৃষ্টি কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি।

২। আঙুলিসমূহ-দেৱাল, ভৰি/হাত বনাবলৈ ব্যৱহাৰ কৰিব পাৰি।

৩। হাত-পখিলা বা ময়ূৰ ইত্যাদি বনাবলৈ ব্যৱহাৰ কৰিব পাৰি।

**২.৩.৩ ক'লাজ নিৰ্মাণ**

ক'লাজ এটা ফ্ৰান্স শব্দ, যাৰ অৰ্থ হ'ল আঠা লগোৱা। কলাৰ ভাষাত ই বিশেষভাৱে কাগজ, কাপোৰ আৰু অন্যান্য সামগ্ৰীসমূহ একেলগ কৰা, ক্ৰম অনুযায়ী সজোৱা আৰু আঠা লগোৱা কাৰ্য্যক সূচায় যাতে এটা কলাসুলভ গাঁথনিৰ সৃষ্টি কৰিব পাৰি। ই প্ৰায় সকলো ধৰণৰ সামগ্ৰীকে অন্তৰ্ভুক্ত কৰি লয় আৰু সৃষ্টিশীল কল্পনাৰ বাবে প্ৰয়োজন। ইয়াৰ ভিত্তি কাগজ, বোৰ্ড, প্লাই অথবা চিত্ৰপট হ'ব পাৰে। বিভিন্ন ধৰণৰ সামগ্ৰী যেনে— কাগজৰ প্ৰকাৰ যেনে— আলোচনীৰ কাগজ, বাতৰি কাকতৰ কাগজ, ৰঙীন কাগজ ইত্যাদি পুৰণি ফেব্ৰিক, বুটাম, সুতা, বাকচ, ফাইল ইত্যাদি, পাখি, খোলা, বালি, পাত, কলি, শুকান ফুল ইত্যাদি কলাজত ব্যৱহাৰ কৰিব পাৰি আৰু ইয়াক আকৰ্ষণীয় কৰি তুলিব পাৰি লগতে শিশুসকলে স্ক্ৰেপ ব্যৱহাৰ কৰি ইয়াক সৃষ্টিশীল আৰু পৰীক্ষামূলক বনাব পাৰে।

ইয়াৰ বিষয়সমূহ খুব চিন্তণীয় বিষয় যেনে— প্ৰদূষণ, পৰিষ্কাৰ চহৰ, নিৰ্বণীকৰণ ইত্যাদি

অথবা ধেমালীৰে পৰিপূৰ্ণ যেনে— এখন চিলা, মোৰ ঘৰ আৰু ইত্যাদি হ'ব পাৰে।

**ক'লাজৰ প্ৰয়োজনীয়তা**

— ই ছিঙা আৰু আঠা লগোৱা কাৰ্যৰ দ্বাৰা শিশুসকলৰ সূক্ষ্ম পেশী সঞ্চালন বিকাশত সহায় কৰে।

— এনেদৰে কৰা কাৰ্যৰ দ্বাৰা শিশুসকলৰ সৃষ্টিশীল শৈলী বিকাশত সহায়ক হয়।

— এনেকুৱা কিছুমান শিশু থাকে যিয়ে ভালদৰে ছবি আঁকিব নাজানে আৰু নিজকে নিজে অনুৎসাহ অনুভৱ কৰে। এনেধৰণৰ শিশুৰ বাবে ক'লাজ এক ধৰণৰ উত্তম পদ্ধতি যিয়ে কলা কাৰ্যত আগ্ৰহ বিকাশ কৰে।

— ক'লাজ বনাই দলীয় কাৰ্য সমৃদ্ধিশালী কৰি তুলিব পাৰি।

**টিপ**

- প্ৰদূষণ দেখুৱাবলৈ শিশুসকলে দিয়া শলাই বাকচ ব্যৱহাৰ কৰি ৰাস্তাত গাড়ী-মটৰৰ পৰা নিৰ্গত হোৱা ধোঁৱা দেখুওৱাব পাৰে।
- হাবি-বন দেখুওৱাবলৈ সিহঁতে এডাল গছ বনায় ইয়াত পাতৰ সমাহাৰ অংশ দেখুওৱাবলৈ ঘাঁহ-বন ব্যৱহাৰ কৰিব পাৰে।
- পৰিষ্কাৰ-পৰিচ্ছন্নাতা দেখুওৱাবলৈ সিহঁতে চকলেট/টফীৰ/চিপচৰ বাকলিৰে আঠা লগাই একে লগ কৰি এই সমূহ বিদ্যালয়ত জ্বলাই দেখুওৱাব পাৰে। এনেধৰণৰ ক'লাজ হিচাপে বিভিন্ন সামগ্ৰীৰ আঠা লগোৱা পদ্ধতিয়ে শিশুসকলক প্ৰকৃতি, ব্যক্তিগত স্বাস্থ্যবিধি আৰু অন্যান্য সামাজিক বিষয়সমূহৰ বিষয়ে, এটা আকৰ্ষণীয় ৰূপত সচেতন কৰি তুলিব পাৰে আৰু বেছি ছবি ন-অঁকাকে ফলপ্ৰসূ পোষ্টাৰ সৃষ্টিত সহায় কৰিব। সৰু সৰু শিশু, যিয়ে কেঞ্চিও ব্যৱহাৰ কৰিব নাজানে, সিহঁতে কাগজ ছিঙি আৰু আঠা লগাই কলাৰ উত্তম প্ৰদৰ্শন প্ৰস্তুত কৰিব পাৰে।

**২.৩.৪ মুখা আৰু পুতলা নিৰ্মাণ**

এটা পুতলা হৈছে এবিধ জড় পদাৰ্থ অথবা জীৱ বস্তুৰ এটা প্ৰতিনিধিত্বমূলক ছবি অথবা পুতলা নাচ চলোৱা এগৰাকী আমোদ প্ৰদানকাৰীৰ, বিপুল পৰিচালনা। এইটো এটা অতি প্ৰাচীন থিয়েটাৰ ৰূপ। পুতলাসমূহ বিভিন্ন প্ৰকাৰৰ থাকে আৰু সেই সমূহৰ ৰূপ আৰু ইচ্ছাকৃত ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰি ইয়াক বিভিন্ন বহলভিত্তিক সামগ্ৰীৰ পৰা প্ৰস্তুত কৰি উলিওৱা হয়। পুতলা নাচৰ বৈশিষ্ট্য অনুযায়ী ই নমনীয় আৰু উদ্ভাৱনমূলক মাধ্যম প্ৰকৃতিৰ হয়।

প্ৰাথমিক পৰ্যায়ৰ শিশুসকলে সিহঁতৰ চাৰিওকাষে সহজলভ্য সাধাৰণ সামগ্ৰীৰ পৰা মুখা আৰু পুতলা প্ৰস্তুত কৰিব পাৰে। যেনে— সুতা, কাগজৰ টুকুৰা, খেৰ, কাগচৰ বেগ, বাতৰি কাকত, বুটাম, ঊলসূতা, ঝাডুকাঠি, পুৰণি কাপোৰ বা মোজা, কপাহ ইত্যাদি। শিশুসকলে আবৰ্জনা সামগ্ৰী ফলপ্ৰসুভাৱে ব্যৱহাৰ কৰিব শিকে, স্থানীয়ভাৱে উপলব্ধ সামগ্ৰীৰ পৰা বিকল্প বাছিবলৈ আকৰ্ষিত হয় আৰু কৃত্ৰিম খৰচ বা দামী সামগ্ৰীসমূহ বৰ্জন কৰে। শিশুসকল দক্ষ পৰ্যবেক্ষক হয় আৰু নতুন নতুন বস্তু উদ্ভাৱন কৰে। ইয়াৰ কিছুমান সাধাৰণ কৌশল হ'ল—

**আঙুলিৰ পুতলা ঃ** ই অত্যাধিক সা-সৰঞ্জাম অবিহনে আটাইতকৈ সহজে প্ৰস্তুত কৰিব পৰা পুতলা বনোৱা পদ্ধতি। ব্যক্তিয়ে সাধাৰণভাৱে এটুকুৰা কাপোৰ আঙুলিত মেৰাই ল'ব লাগে আৰু পেইণ্টিঙৰ দ্বাৰা বুঢ়া আঙুলি বা আঙুলি সমূহত চকু, কাণ, নাক, মুখ ইত্যাদি আঁকি এটা চৰিত্ৰ বা বিভিন্ন চৰিত্ৰ বা ছবি দেখুওৱাব পাৰে।

**মোজাৰ পুতলা ঃ** এই পুতলাসমূহ উৰলি যোৱা মোজাৰ পৰা তৈয়াৰ কৰা হয় আৰু হাতত পিন্ধা হয়। চকু বা আন আন অংশসমূহ সুতা, বুটাম, পম-পম, ফিটা, ফেল্ট, পাখি, শিল্প, ফোম আৰু মণি-মুকুতা ব্যৱহাৰ কৰি যোগ দিয়া হয়। হাত মোজাৰ দ্বাৰা নিৰ্মিত এই পুতলা/চৰিত্ৰসমূহ পুতলা নাচৰ কথাৰ দৰ্শনীত অভিনয় কৰিবলৈ নিয়া হয়।

**কাগজৰ বেগৰ পুতলা ঃ** এটা বগা বা মুগা কাগজৰ বেগ ব্যৱহাৰ কৰক। কাগজৰ বেগটোৰ তলিত, মুখাবয়ব বনাবলৈ মাৰ্কাৰ ব্যৱহাৰ কৰক। মুখখন তলত থাকিব য'ত বেগটো ভাজ দিয়া হয়। আপুনি ফেল্ট কলমো ছবি আঁকিবলৈ বা চকু, নাক, কাণ ইত্যাদি কাটিবলৈ ব্যৱহাৰ কৰিব পাৰে। জোঙা আকাৰৰ কাণ, কাগজৰ পৰা কাটি উলিওৱাক আৰু কাগজৰ বেগৰ তলিৰ কাষত সেইসমূহ আঠা লগাওক। এবাৰ আপোনাৰ মুখখন হৈ উঠাৰ পিছত আপুনি সিহঁতৰ শৰীৰটো বনাই কাম সমাপ্ত কৰিব পাৰে। আপোনাৰ কাগজৰ বেগৰ পুতলা প্ৰদৰ্শনীৰ বাবে সাজু।

**হাতমোজাৰ পুতলা ঃ** হাতমোজাৰ পুতলা ভালদৰে বনাবলৈ দুটুকুৰা কাপোৰ একেলগে চিলাওক আৰু ভিতৰখিনি ফোপোলা কৰক যাতে আঙুলি আৰু হাতৰ তলুৱা ইয়াৰ মাজেৰে সোমাব পাৰি।

**মুখা**

এইটো সাধাৰণতে মুখত পিন্ধা হয় আৰু ছদ্মবেশ আৰু আমোদৰ উভয়ৰে বাবে ব্যৱহাৰ কৰা হয়। মুখাসমূহ সাধাৰণতে মুখত বিভিন্ন উৎসৱ-পাৰ্বন, সাধু কথা কোৱা ইত্যাদিত পিন্ধা হয়। এখন কাগজৰ থালী, কিছুমান পাখি, অলপ সোণালী পাখি ইত্যাদিয়ে সঁচাকৈয়ে এটা শান্ত মুখা প্ৰস্তুত কৰে। পুতলা যেনেদৰে বনোৱা হয়, একেদৰেই শিশুসকলে বিভিন্ন সামগ্ৰীৰ উদ্ভাৱন আৰু পৰীক্ষণৰ দ্বাৰা সিহঁতৰ কল্পনা শক্তি ব্যৱহাৰ কৰি, ইয়াৰ পৰা মুখা প্ৰস্তুত কৰিব পাৰে। প্ৰাথমিক শ্ৰেণীৰ শিশুসকলৰ বাবে কিছুমান উপযুক্ত মুখা যাক সামগ্ৰীৰ পৰা প্ৰস্তুত কৰিব পাৰি, সেইসমূহ হ'ল—

**কাগজৰ মুখা**

আমি মুখা বনাবলৈ যিকোনো কাগজ ব্যৱহাৰ কৰিব পাৰো। শিশুসকলে চৰিত্ৰ অনুযায়ী, অঙ্কণ কৰা ৰেখাসমূহ কাটিব আৰু ইয়াৰ ওপৰত অংগসমূহ জোৰা লগাব। অংগসমূহ বনাবলৈ বিভিন্ন ধৰণৰ ৰঙীণ কাগজ আৰু সজাবলৈ বিভিন্ন সামগ্ৰী ব্যৱহাৰ কৰা হয়।

**মুখা নিৰ্মাণ**

সামগ্ৰী পেষ্টেল ছীট, কাৰ্টৰিজ ছীট, ফেভিকল, কেঞ্চি

**স্তৰ ঃ**

১। পেষ্টেল ছীটৰ ১/৮ অংশ লওঁক।

২। ইয়াক ডিম্বাকাৰ আকৃতিত কাটক।

৩। পাতৰ আকাৰত চকু কাটক আৰু ইয়াত চকুৰ মণি লগাওঁক।

৪। নাকটো কাটক আৰু আঠা লগাওঁক।

৫। নিজৰ ইচ্ছামতে প্ৰকাশভংগী বনাওঁক। যেনে— হাঁহি থকা মুখ, দুখঃজনক মুখ ইত্যাদি।

কাগজৰ বেগৰ মুখা আটাইতকৈ বনাবলৈ সহজ। ডাঙৰ খাম/কাজৰ বেগ লওঁক যাতে ই এটা শিশুৰ মূৰেৰে সৰকি যায়। চকু, নাক আৰু মুখৰ উপযুক্ত ফুটা বনাওঁক যাতে, চাব উশাহ ল'ব আৰু কথা ক'ব পাৰে। শিশুসকলক সিহঁতৰ কল্পনা অনুযায়ী পেইণ্ট কৰিব দিয়ক। আপুনি সিহঁতে প্ৰস্তুত কৰি দিয়া চৰিত্ৰৰ সংখ্যা দেখি আচৰিত হ'ব।

কাগজৰ থালৰ মুখাও বনাবলৈ সহজ। এখন কাগজৰ থাল লওঁক, ফুটা কৰক, চাৰিওকাষে ভাজ দিবলৈ আৰু আঠা লগাবলৈ কাটক যাতে ডিম্বাকৃতিৰ মুখৰ সৈতে ই খাপ খায়। থালখনৰ দুই কাষে এডাল ৰবৰ লগাওক আৰু ইয়াক পিন্ধাওক।

খেলাৰ বাবে মুখাটোত পেইণ্ট কৰি যিকোনো চৰিত্ৰৰ ৰূপ দিয়ক। কাগজৰ বাকচৰ মুখাসমূহ পাতল আঠাৰ ঘোলত কোমল কৰি কাগজৰ মণ্ড অথবা কাগজৰ ফলা টুকুৰা বনাই প্ৰস্তুত কৰা হয়। এই সামগ্ৰীৰ দ্বাৰা ব্যক্তিয়ে মুখাৱয়বৰ আকৰ্ষণীয় বলিৰেখা প্ৰস্তুত কৰিব পাৰে। যেতিয়া শুকায় ই কঠিন আৰু স্থায়ী হয়। ইয়াক ৰঙৰ সৈতে পেইণ্ট কৰক আৰু চৰিত্ৰ প্ৰদান কৰক। ইয়াক প্ৰয়োজন অনুযায়ী সম্পূৰ্ণ বা আধা/অৰ্ধমুখা হিচাপে প্ৰস্তুত কৰিব পাৰি।

### ২.৩.৫ বোকামাটিৰ আৰ্হি প্ৰস্তুতকৰণ

বোকামাটি হৈছে উদ্ভাৱনৰ এক উত্তম মাধ্যম যিহেতু ই কোমল অথবা নমনীয় হয়। সেয়েহে ইয়াক সহজতে আকাৰ দিব পাৰি। বোকামাটিৰে বস্তু বনোৱাটো শিশুসকলৰ বাবে আটাইতকৈ প্ৰাকৃতিক কথা। আমাৰ বহুতেই আমাৰ শিশুকালত খেলপথাৰ, চোতাল আদিত বোকা বা মাটিৰে মাটিৰ ঘৰ বা প্ৰতিমূৰ্তি নিৰ্মাণ কৰিছে। সিহঁতে মাটিৰ কোমলতা বাৰুকৈয়ে উপভোগ কৰে সেই কাৰণে সিহঁতে এই কাৰ্য্য কৰি ভাল পায়।

শিশুসকলে প্ৰথমতে ঘূৰণীয়া আকৃতি বনায় যিহেতু সিহঁতে বলৰ সৈতে খেলি ভাল পায়। পিছলৈ এই বলৰ পৰাই চৰাই, ফল-মূল, শাক-পাচলি মানুহৰ মুখাবয়ব ইত্যাদিৰ সৃষ্টি কৰে।

বোকামাটিৰে কাম কৰোতে ল'বলগীয়া কিছুমান সাৱধানতা ঃ

- মাটিখিনিত অত্যধিক পানীৰ ব্যৱহাৰে ইয়াক দুৰ্বল কৰি দিয়ে পিছলৈ ফলকসমূহত ফাঁটৰ সৃষ্টি হয়।
- মাটিখিনিত যাতে ফাঁট নাথাকে, ইয়াক সুনিশ্চিত কৰক। ইয়াক ঘহি ঘহি মসৃণ কৰক, প্ৰয়োগ কৰি নহয়।
- যদিহে কামখিনি প্ৰথম দিনা সম্পূৰ্ণ নহয়, ইয়াক নুশুকাবলৈ ভিজা কাপোৰেৰে ঢাকি ৰাখক। ইয়াক তেতিয়া দ্বিতীয়দিনা ব্যৱহাৰ কৰিব পাৰিব।
- মাটিৰে কাম কৰোতে শিশুসকলে চাফ-চিকুণতা আৰু স্বাস্থ্যবিধি মানি চলাটো দৰকাৰ। সেয়েহে সিহঁতে এপ্ৰন পিন্ধিব লাগে আৰু সিহঁতৰ হাত যাতে মজিয়া বা বেৰত

নালাগে, এইটো সুনিশ্চিত কৰিব লাগে।

- মাটিৰ কাৰ্য্য সমাপ্ত কৰাৰ লগে লগে সিহঁতে ভালদৰে হাত ধুব লাগে।
- মাটিৰ সংৰক্ষণীয় বস্তুসমূহ পৃথক আলমাৰীত ৰখাৰ ব্যৱস্থা কৰিব লাগে।

মাটি সংৰক্ষণ কৰাৰ উপায় ঃ

শুদ্ধ আঠাযুক্ত বোকামাটিসমূহ প্লাষ্টিক বেগত সঠিককৈ মেৰুৱাই ৰাখিব লাগে আৰু সঠিককৈ ছীল মাৰি থ'ব লাগে যাতে শুকাই নাযায়। প্ৰতিটো সত্ৰৰ শেষত শিশুসকলে সিহঁতৰ বোকামাটিসমূহ পাউৰুটিৰ বেগত সুমুৱাই থ'ব পাৰে। যদিহে বোকামাটিখিনি অলপ শুকাই গৈছে, ইয়াক কোমল কৰিবলৈ, গছ-গছনিত মৰা স্প্ৰে ব্যৱহাৰ কৰক। আৰু বেগত ভৰাই থৈ জোৰকৈ ছীল মাৰক। ইয়াকৈ জোৰকৈ ছীলমৰা বেগত বহুতদিনলৈ প্ৰয়োজন হোৱালৈ ৰাখিব পাৰি।

**২.৩.৬ কাগজ কটা আৰু ভাজ দিয়া**

কাগজ কটা— আৰ্হি অনুযায়ী কাগজকটা এটা কলা। কাগজ কটা এটা প্ৰাচীন লোককলাৰ ৰূপ। সমগ্ৰ পৃথিৱীতে এই কলাৰ বিভিন্ন শৈলী আৰু বিভিন্ন সংস্কৃতি দেখা যায়। সাঞ্জী হৈছে এটা ভাৰতীয় কাগজকটা কলাৰ আৰ্হি।

আজিকালি কাগজ কটা, মুখ্যত সাজ-সজ্জাৰ বাবে ব্যৱহাৰ কৰা হয়। ইয়াক বেৰ, খিৰীকী, দৰ্জা, কৰিডোৰ, আইনা, লেম্প আৰু ঘৰত চাকি ইত্যাদি সজাবৰ বাবে ব্যৱহাৰ কৰা হয় আৰু উৎসৱ-পাৰ্বণত সাজ-সজ্জাৰ বাবেও ব্যৱহাৰ কৰা হয়। সেইসমূহৰ উৎসৱ-পাৰ্বণ আৰু বন্ধৰ দিন আদিত বিশেষ মহত্ত্ব আছে। উদাহৰণস্বৰূপে, দেৱালী আৰু নৱবৰ্ষৰ ক্ষণত প্ৰৱেশপথসমূহ কাগজৰ টুকুৰাৰে সজাই তোলা হয় যাক উন্নত ভাগ্যৰ বাহক হিচাপে ধৰা হয়। কাগজৰ টুকুৰাসমূহ নক্সা/ধৰণ প্ৰস্তুতৰ বাবেও ব্যৱহাৰ হয় বিশেষকৈ এম্বৰইডাৰী আৰু বাৰ্ণিশ কামৰ বাবে ব্যৱহৃত হয়। কাগজ কটাৰ দুটা পদ্ধতি আছে— কেঞ্চি আৰু কটাৰী ব্যৱহাৰ কৰি। কাগজৰ কেইবাটুকুৰা-আঠটুকুৰা— একেলগে জোৰা লগোৱা। এতিয়া মূলতঃ জোঙা আৰু চোকা কেঞ্চিৰে কটা। কটাৰীৰে কটাৰ লাভ এয়ে যে কেঞ্চিতকৈ এবাৰতে কেইবাটুকুৰা কাগজৰ টুকুৰা কৰিব পাৰি। দ্বিমাত্ৰিক আৰু ত্ৰিমাত্ৰিক টুকুৰা আদি সাধাৰণ কথা যিয়ে গভীৰতা, অনুপাত ইত্যাদিৰ বিভ্ৰম সৃষ্টি কৰে।

**ঘটনা বিৱৰণী ঃ**

শিশুসকলে যিকোনো আকাৰৰ এখন বৰ্গাকৃতিৰ কাগজ ল'ব পাৰে আৰু যিকোনো জ্যামিতিক আৰ্হিত অনুভূমিকভাৱে বা উলম্বভাৱে ভাজ কৰক।

কাগজৰ কটা টুকুৰা

মোজাইক

স্তৰ

১। কাগজৰ পাতল পটী কাটক, তাৰ পিছত অনুভূমিকভাৱে কাটক যাতে প্ৰায় ১ চে.মি. বৰ্গৰ সৰু আকৃতি পাব পাৰি।

২। এখন কাগজৰ ওপৰত এটা নক্সা বা আৰ্হি বা মূৰ্তি বনাওক।

৩। এইটো অনুক্ৰমে ৰঙীণ কাগজেৰ বৰ্গৰে ভৰাই দিয়ক।

৪। আমি আঁকিবপৰা খুব সূক্ষ্ম ডিজাইন যেনে ফুলৰ ডাল এটা কলমেৰে আঁকক।

৫। সম্পূৰ্ণ ছবিটো মোজাইকৰ দৰে দেখা যাব।

(কাগজৰ মুখা বনোৱা পদ্ধতিটো ২.৫ত দিয়া আছে।)

কাগজ ভাঁজ কৰা

আমি কাগজ ভাঁজ কৰা কথাটো শুনাৰ লগে লগে মনলৈ জনপ্ৰিয় জাপানৰ আৰ্হি/শৈলী অৰিগেমীৰ কথা মনলৈ আহে। কলাৰ এই ৰূপৰ বাবে এটা ভাস্কৰ্য শিল্পৰ দৰে মূৰ্ত আকৃতি বা গাথনিক ৰূপ দিয়াৰ দক্ষতাৰ প্ৰয়োজন। এই কলাৰ লক্ষ্য হৈছে এখন সমতল কাগজখিলাৰ ভাজ আৰু স্থাপত্যশিল্পৰ কৌশলেৰে এটা সম্পূৰ্ণ ভাস্কৰ্যলৈ ৰূপান্তৰ কৰা আৰু ইয়াৰ বাবে কোনো টুকুৰা বা আঠাৰ প্ৰয়োজন নহয়, কেৱল ইয়াৰ বাবে প্ৰয়োজনীয় হ'ল যে ইয়াৰ ভাজসমূহ ধৰি ৰখা। কাগজ ভাস্কৰ্য্য অতি পাতল আৰু ধৰিবলৈ বা পৰিচালনা কৰিবলৈ সহজ। পুৰণি বাতৰিকাকত এনে ভাস্কৰ্য্যত ব্যৱহাৰ কৰিব পাৰি।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওক - ৬**

১। চিত্ৰাংকণ কাগজ আৰু চিত্ৰপটত কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

২। চিত্ৰাংকণ হৈছে কাগজৰ ওপৰত .................... এৰা এটা পদ্ধতি।

৩। চিত্ৰপটত পেইণ্টিং ........................ ৰঙেৰে কৰিব পাৰি।

৪। মগুছপা শাক-পাচলিৰে কৰিব পাৰি।

৫। এটা সৰু সৰু শিশুৰ বাবে ব্যৱহৃত ছপা কৌশল

৬। তলত দিয়াসমূহ মিলোৱা

| | |
|---|---|
| (ক) ক'লাজ | জাপানৰ কলা |
| (খ) মুখা | মণ্ডনা |
| (গ) পুতলা | ফলক আৰু পকোৱা পদ্ধতি |
| (ঘ) কাগজ ভাজ দিয়া (অৰিগেমী) | বিভিন্ন সামগ্ৰীৰ জোৰা লগোৱা |
| (ঙ) ৰংগোলী | আঙুলি, হাতমোজা, লাঠি |
| (চ) বোকামাটি | কাগজৰ বেগ |

---

২.৪ সমাপ্ত হোৱা ব্যৱহাৰিক কাৰ্যসমূহৰ ফোল্ডাৰ বনোৱা

২.৫.১ ফোল্ডাৰৰ অৰ্থ আৰু গুৰুত্ব

এটা উপস্থাপন ফোল্ডাৰত, কাগজৰ অসংযত খিলাসমূহ আৰু তথ্যসমূহ অনুষ্ঠিত আৰু ৰেকৰ্ড ৰখাৰ বাবে একেলগে ৰখা হয়। এই ফোল্ডাৰৰ ঢাকনিখন ঘন কাগজৰে বনোৱা হয় আৰু পাতসমূহ ধৰি ৰাখিবলৈ ভিতৰত ক্লিপ লগোৱা ব্যৱস্থা থাকে।

২.৪.২ ফোল্ডাৰ কেনেকৈ বনোৱা হয়

ফোল্ডাৰ হস্তনিৰ্মিত কাগজ, কাৰ্ডবোৰ্ড ইত্যাদিৰে বনোৱা হয়। বজাৰত প্লাষ্টিক ফোল্ডাৰ সহজলভ্য। আমাৰ প্ৰয়োজন অনুযায়ী ফোল্ডাৰসমূহত লেবেল লগাব লাগে।

২.৪.৩ ফোল্ডাৰৰ ব্যৱহাৰ

ফোল্ডাৰসমূহ শিশুসকলৰ সামগ্ৰী, শিল্প সামগ্ৰী, কলাকাৰ্যৰ ফটো ইত্যাদি ৰাখিবলৈ ব্যৱহাৰ কৰা হয়। এইসমূহ ৰেকৰ্ড, যিয়ে শিশুসকলক ভিন্ন অভিজ্ঞতাৰ পুনসংগ্ৰহত সহায় কৰে আৰু শিক্ষকৰ বাবে অবিৰত আৰু ব্যাপক মূল্যায়ণত সহায়ক হয়।

২.৫ সামৰণি মাৰো আঁহক

প্ৰাথমিক পৰ্যায়ত চাক্ষুষ কলা হৈছে শিক্ষাৰ এটা প্ৰয়োজনীয় উপাদান। ই শিশুৰ শিকণ প্ৰক্ৰিয়াক মুখ্য ৰূপ দিয়ে আৰু বিদ্যালয় পাঠ্যক্ৰমৰ এটা অনবদ্য অংশ। কলা কাৰ্য্যৰ দ্বাৰা প্ৰকাশ কৰা আদৰ্শ আৰু আৱেগসমূহ বাৰুকৈয়ে প্ৰয়োজনীয় আৰু উপযোগী যিহেতু ই বহুমুখী প্ৰতিভা বিকাশ কৰে আৰু আনন্দপূৰ্ণ শিকণৰ এটা উৎস।

ইয়াত বিভিন্ন সামগ্ৰী আৰু মাধ্যম যেনে— পেঞ্চিল, পেষ্টেল, কলম চিঞাহী, পোষ্টাৰ ৰং বোকামাটি, কাগজ ইত্যাদিক বিশদভাৱে লৈ ইয়াৰ পৰীক্ষণ সম্পৰ্কীয় আলোচনা গোটসমূহত দিয়া হৈছে। চাক্ষুষ কলা আৰু শিল্পৰ বিভিন্ন পদ্ধতিৰ উদ্ভাৱন আৰু পৰীক্ষণ যেনে— পেইণ্টিং, কলাজ, মুখা, বোকামাটিৰ আৰ্হি প্ৰস্তুতকৰণ কাগজৰ টুকুৰা কটা আৰু ভাজ কৰা আদিৰ বিশদ বিৱৰণ দিয়া হৈছে। শেষত সকলো কাৰ্য প্ৰদৰ্শনৰ বাবে ফোল্ডাৰ বনোৱাটো আটাইতকৈ প্ৰয়োজনীয়। ই শিক্ষক আৰু শিশুসকলক সহায় কৰে।

এই গোটসমূহে এইটো সুনিশ্চিত কৰে যে যদিহে এটা শিশুক এটা সৃষ্টিশীল পৰিবেশ দিয়া হয় য'ত সি/তাই শিকণৰ উদ্ভাৱন আৰু পৰীক্ষণ কৰিব পাৰে, ই এক সামগ্ৰিক বিকাশ সাধন কৰে। শিশুটোৱে স্বাধীনভাৱে চিন্তা কৰিব শিকিব, তাৰ তাৎক্ষণিক পৰিবেশৰ প্ৰতি সচেতন হ'ব আৰু তাৰ চাৰিওকাষৰ পৃথিৱীখন চিনি পাব ইয়াত সম্ভৱপৰ উদ্ভাৱন আৰু পৰীক্ষা-নিৰীক্ষা ইত্যাদি চলাব। ই সকলো বয়স্ক আৰু শিক্ষকে অনুভৱ কৰিব লাগে, যে, যিয়ে এটা শিশুৰ জীৱন স্পৰ্শ কৰিব, তেওঁ এটা প্ৰজন্মৰ আটাইতকৈ সংবেদনশীল বিন্দুটো স্পৰ্শ কৰিছে। আৰু লগতে 'সকলো বিশুদ্ধ জান প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰাই জন্ম লয়।'

**২.৬ আপোনাৰ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰসমূহ**

**আপোনাৰ অগ্ৰগতি খতিয়ান-১**

১। সঁচা

২। (ভাস্কৰ্য, ফটোগ্ৰাফী, স্থাপত্য)

৩। নান্দনিক

৫। উপাদান

৫। (ৰঙা, নীলা, হালধীয়া)

৬। নহয়।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-২**

১। (২বি, ৪বি, ৬বি)

২। (এইচ বি)

৩। গাঢ়তা

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-৩**

১। কোমল, কঠিন

২। শিশুসকল

৩। গ্লাছ, প্লাষ্টিক অথবা মৃৎশিল্প

৪। লিঅ'নার্ডো-দি-ভিন্সি

৫। নহয়

৬। টেম্পেৰা

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-৪**

১। পানী

২। ৰেখা

৩। ফুল, বালি, চাকি

৪। হয়

৫। চাপ আৰু এচিকুট, পকোৰা

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক–৫**

১। চাৰিওকায

২। নহয়

৩। (ক) মুগা

(খ) কলা

(গ) হালধীয়া (হালধী)

(ঘ) সেউজীয়া

(ঙ) নীলা

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-৬**

১। হয়

২। দাগ

৩। তেল

৪। সঁচা

৫। বুঢ়া আঙুলি/হাতৰ ছপা

৬। তলত দিয়া সমূহ মিলোৰা

| | |
|---|---|
| (ক) কাগজ ভাজ কৰা অৰিগেমী | এটা জাপানৰ কলা |
| (খ) ৰংগোলী | মণ্ডনা |
| (গ) বোকামাটি | ফলক আৰু পকোৰা পদ্ধতি |
| (ঘ) ক'লাজ | বিভিন্ন সামগ্ৰীৰ সমন্বয় |
| (ঙ) পুতলা | আঙুলি, হাতমোজা, লাঠি |
| (চ) মুখা | কাগজৰ বেগ |

## ২.৭ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগপুথি

■ www.faber-castell.ie/34872/creative-ideas/creative,techniques/crayon-techniques/default-news aspx.

- www.faber-castell.ie/34872/creative-ideas/creative
- www.faber-castile.ie/34873/creative-ideas/creative ctidniques/pastelleclniques/difault-news.aspx
- www.faber-castell.ie/34874/creative-ideas/creativee-techniques/posterpainttechniques/default-news.aspx.
- www.faber-castell/ie/34871/creative-ideas/creative-techniques/watercolour-techniques/default-news.aspx.

| | | | |
|---|---|---|---|
| ১। | National Book Trust | শিশুৰ বিকাশৰ খেল কাৰ্য | Mina Swaminathan & Prem Daniel |
| ২। | NCERT | NCF ২০০৫ | |
| ৩। | NCERT | Focus PAPER-১৭ | |
| ৪। | National Book Trust | Art : The basis of education | Devi Prasad |
| ৫। | National Book Trust | Who is the greatest | Rekha Jain |
| ৬। | Tara Books | Child Art with Every day Materials | Tarit Bhattarjee Kanchana Arni Geet Walf |
| ৭। | Print World (p) Ltd. | Art Beauty and Creativity | Shyamal Gupta |
| ৮। | Mapin Publishing Pvt. Ltd. Ahmedabad | Sri Aurobindo on Indian Art | Elisabeth Beck |
| ৯। | NCERT | Training Package on Arts Education For Primary Teachers | |


## ২.৮ গোট সমাপ্তিৰ অনুশীলনী

১। চাক্ষুষ কলা কি?
কলাৰ উপাদান
কলাৰ মৌলিকতা

২। চাক্ষুষ কলাৰ উদ্দেশ্যসমূহ কি কি?

৩। প্ৰাথমিক শ্ৰেণীৰ শিক্ষকৰ বাবে চাক্ষুষ কলাৰ প্ৰয়োজনীয়তা কি?

৪। সামগ্ৰী বুলিলে আপুনি কি বুজে?
প্ৰাকৃতিক
কম দামী
আৱৰ্জনা সামগ্ৰী

৫। শিক্ষাত পুতলাৰ প্ৰয়োজনীয়তা কি? ব্যৱহৃত কৰিব পৰা পুতলাসমূহৰ প্ৰকাৰসমূহ উল্লেখ কৰক।

৬। খণ্ডছপা কৌশলৰ বিৱৰণ দিয়ক? ছপা কৰিবলৈ এটা শিশুৰ বাবে সাধাৰণতে ব্যৱহৃত আটাইতকৈ দৰকাৰী পদ্ধতি কোনটো?

৭। পেঞ্চিল কি? বজাৰত কি কি ধৰণৰ পে্চিল সহজলভ্য?

৮। পেষ্টেল কি কি ধৰণৰ? প্ৰকাৰসমূহৰ নাম আৰু বৰ্ণনা কৰক?

৯। ৰংগোলী কি? ৰংগোলী বনাবলৈ কি কি সামগ্ৰী ব্যৱহাৰ কৰা হয়?

১০। 'ক'লাজ হৈছে এটা কলা কাৰ্য যাক বিভিন্ন সামগ্ৰীৰ সমন্বয়ৰ দ্বাৰা বনোৱা হয়'— বৰ্ণনা কৰক।

১১। বিভিন্ন মাধ্যমৰ দ্বাৰা উদ্ভাৱন আৰু পৰীক্ষণৰ বাবে মিশ্ৰিত বহুপ্ৰচাৰ এটা সুন্দৰ পদ্ধতি। এইটো শুদ্ধনে? যদি হয় বৰ্ণনা কৰক 'কেনেকৈ'?

১২। কেনেকৈ বোকামাটিয়ে শিশুসকলৰ সামগ্ৰী পেশী সঞ্চালন বিকাশ কৰে? (বোকামাটিৰ প্ৰয়োজনীয়তা)

১৩। আকাৰ সৃষ্টি কৰিবলৈ কাগজ ভাজ দিব পাৰি নে? যদি পাৰি, এই কলাটোৰ নাম আৰু এটা পদ্ধতি বৰ্ণনা কৰক? এটা আৰ্হি সৃষ্টি কৰক (যেনে— টুপী বা চৰাই)

১৪। পেইণ্টিংত ৰঙৰ প্ৰয়োজনীয়তা কি? (ছপাকাৰ্যত ব্যৱহৃত ৰঙৰ প্ৰকাৰসমূহ উল্লেখ কৰক)